# Namamalika
## A Devotional Poetic work by
## Mahapurusha Madhavadeva

# নাম-মালিকা

Uploaded by
The Literature Branch of
Srimanta Sankaradeva Sangha

# নাম-মালিকা

**শ্ৰীকৃষ্ণায় নমঃ**

**পদ**

জয় জয় কৃষ্ণ প্ৰভু প্ৰণত তাৰণ।
মঙ্গলৰো সুমঙ্গল যাৰ গুণগণ।।
যাৰ নামে কৰে মহা পাপীকো নিস্তাৰ।
হেন কৃষ্ণ পদে কোটি কোটি নমস্কাৰ।।১
নমো নমো নাৰায়ণ জগত কাৰণ।
ব্ৰহ্ম আদি সেৱা কৰে যাহাৰ চৰণ।।
মুকুত সকলো ফুৰে যাৰ নাম গায়।
হেন কৃষ্ণ চৰণত প্ৰণামো সদায়।।২
হে কৃষ্ণ কৃষ্ণ প্ৰভু তুমি কৃপাময়।
যাৰ কৃপালেশে মনোৰথ সিদ্ধি হয়।।
তুমিসে পৰম মোৰ গুৰু হৃষিকেশ।
কৃপাদৃষ্টি চায়া মোক দিয়ো উপদেশ।।৩
বাহিৰে বিতৰে গুৰু তুমিসে কেৱল।
দূৰ কৰা ভৃত্যৰ যতেক অমঙ্গল।।
জানি কৃপাময় উপদেশ দিয়ো মোক।
তোমাৰ প্ৰসাদে আৰম্ভৰ সিদ্ধি হোক।।৪
কৃষ্ণ চৰণে নমস্কাৰ কৰি মনে।
কৰোঁ নমস্কাৰ নিজ গুৰুৰ চৰণে।।
সুপ্তপ্ৰায় আছিলেক মোৰ বুদ্ধি মন।
যাহাৰ কৃপাত ইটো ভৈল সচেতন।।৫
হেন গুৰু চৰণত কৰি নমস্কাৰ।
মাধৱে ৰচিলা পদ নাম মালিকাৰ।।
পুৰুযোত্তম্ নামে নৰেশ্বৰ গজপতি।
তান আজ্ঞাপালি দ্বিজগণ মহামতি।।৬
পুৰাণ ভাৰত স্মৃতি আগমক চাই।
নান গ্ৰন্থ সংগ্ৰহ কৰিল এক ঠাই।।
কৃষ্ণ নাম মহিমা পাইলন্ত যত মান।
লিখি আনি সৱাকো কৰিলা এক থান।।৭
ভৈল মগ্ন লোক কলি পাপ সাগৰত।
তাসম্বাৰ মহা হিত চিন্তিয়া মনত।।
কৰিলন্ত কৃষ্ণনাম মহিমা প্ৰচাৰ।
আকে শুনি ভণি সুখে তৰোক সংসাৰ।।৮
শুনা সভাসদ সৱে বচন আমাৰ।
মূঢ় হুয়া কৰো পদ নাম মালিকাৰ।।
ইহাত আমাক দোষ নিদিবা বিস্তৰ।
ক্ষমাসে ভূষণ মহামহন্ত জনৰ।।৯
নাহিকে শৃঙ্খল গ্ৰন্থ আতি নিৰঙ্কুকে।
আৰ পদ কৰি কোনে মিলাইবে কৌতুক।।
তথাপিতো বিৰূপাক্ষ কাজিৰ বচনে।
বিৰচিল পদ যেন লোৱে মোৰ মনে।।১০
ইহাত অধিক দোষ নিদিবাহা মোক।
কৃষ্ণনাম গুণ শুনি সন্তোষ হুয়োক।।
থিৰ মন কৰি সৱে দেখিয়ো বিচাৰি।
কলিত তৰিবে আৰ কোন পুণ্যে পাৰি।।১১
পৰম দুৰ্জ্জন কলি দুষ্ট দুৰাচাৰ।
কৰিলে মলিন চিত্ত সমস্ত প্ৰজাৰ।।
পাতকীৰ একো কৰ্ম্মে নাহি অধিকাৰ।
কৃষ্ণ গুণ গায়া সুখে তৰোক সংসাৰ।।১২
নাম মালিকাৰ পদ কৰিবাক মনে।
নামৰ প্ৰসঙ্গ কহোঁ শুনা মহাজনে।।
আদি সত্যযুগে ধৰ্ম্ম আছিল নিৰ্ম্মল।
কৃষ্ণ নাম গুণ যশ পৰম মঙ্গল।।১৩
আছিল উপাস্য দেৱ কৃষ্ণেসে কেৱলে।
কৃষ্ণকেসে সেৱা মাত্ৰ কৰন্ত সকলে।।
যতেক মনুষ্য কৃষ্ণ গুণ নাম গায়।
তৰিয়া সংসাৰ বৈকুণ্ঠত লৱে ঠাই।।১৪
নাহি পাপলেশ সমস্তৰে শুদ্ধ চিত্ত।
উপজি মাত্ৰকে লোক হোৱে কৃতকৃত্য।।
এতেকেসে সি কালৰ সত্যযুগ নাম।
সিকালৰ লোকৰ নাছিল আন কাম।।১৫

কৃষ্ণ সেৱা বিনে ধৰ্ম্ম নাছিলেক আন।
কৃষ্ণেসে কেৱলে দেৱ উপাস্য প্ৰধান।।
নাম বিনে নাহি বৰ্ণাশ্ৰম একো বিধি।
কৃষ্ণৰ সেৱাত মহা মুখে সাধে সিদ্ধি।।১৬
প্ৰণৱ বিনায় নাছিলেক আন শাস্ত্ৰ।
নাহি আন কৃত্য নাম গুণ গাৱে মাত্ৰ।।
সত্য গুচি ভৈল ত্ৰেতা যুগ উপগত।
দেখি ব্ৰহ্মা আদি দেৱগণ আছে যত।।১৭
একথান হুয়া কৰিলন্ত আলোচন।
কৃষ্ণ বিনে আমাক নভজে একো জন।।
কৃষ্ণক ভজিয়া সৱে সংসাৰ তৰয়।
কতেক কৰিয়ো একো সৃষ্টি নবাঢ়য়।।১৮
কেনমতে কৃষ্ণৰ ভকতি হোৱে ছন্ন।
নতৰোক লোক হৌক সৃষ্টি প্ৰৱৰ্ত্তন।।
হেনয় আলোচ কৰি যত দেৱগণ।
নিৰন্তৰে কৰিলা কৃষ্ণক আৰাধন।।১৯
দেৱতাৰ ভকতি দেখিয়া নাৰায়ণ।
তুষ্ট হুয়া দেৱতাক দিল দৰিশন।।
আশ্বাসিয়া সমস্তকে বুলিলা বচন।
মোত ভক্তি ছন্ন হৌক তোমাসাৰ মন।।২০
কৰা উপগ্ৰন্থ যাৰ যেন মনে লয়।
যেন মতে আমাৰ ভকতি ছন্ন হয়।।
নানা ধৰ্ম্ম কৰ্ম্ম দেখায়োক নানা মুখ।
তাক দেখি হৌক লোক আমাত বিমুখ।।২১
তুমি সৱো পাইবা পূজা বাঢ়িবেক সৃষ্টি।
কৃষ্ণৰ বচন যেন অমৃতৰ বৃষ্টি।।
দেৱতাসৱক কৃষ্ণে কৰি বৰ দান।
মহেশকো আজ্ঞা হৰি দিলা বিদ্যমান।।২২
নানা বিধ কল্পিত আগম কৰিয়োক।
নান ধৰ্ম্ম দেখায়া গুপুত কৰা মোক।।
কৃষ্ণৰ মোহন বাণী কেহোঁ নাকলিল।
কেৱলে মহেশে মাত্ৰ ইহাক তৰ্কিল।।২৩
শুনিয়া মহেশে আতি পাইলা অসন্তোষ।
কৃষ্ণক অৱজ্ঞা কৰিলত হোৱে দোষ।।
বুলিল বচন ধৰি কৃষ্ণ চৰণত।
তোহ্মাক যদ্যপি ছন্ন কৰো আগমত।।২৪
অমোচন পাপ তেৱে হৈবেক আমাৰ।
শত কোটি কল্পে আৰ নেদেখোঁ নিস্তাৰ।।
সহস্ৰেক ব্ৰহ্ম বধ যদি কৰে নৰে।
তোহ্মাৰ সেৱাত তাকো অনায়াসে তৰে।।২৫
তোহ্মাক অৱজ্ঞা প্ৰভু কৰি যিটো জন।
শত কোটি কল্পে তাৰ নেদেখোঁ মোচন।।
তযু আজ্ঞা নকৰিবোঁ ইয়ো দোষ আতি।
শুনিয়া মাধৱে তাঙ্ক বুলিলন্ত মাতি।।২৬
ভাল তুমি শূলপাণি তৰ্কিলা আহ্মাক।
যিমতে এৰাইবা দোষ শুনা কহোঁ তাক।।
আমাৰ সহস্ৰ নাম দিবোহোঁ তোমাক।
অনুদিনে এক চিত্তে জপিবা চাহাক।।২৭
এৰাইবাহা তেৱে অপৰাধ নিৰন্তৰ।
মোহোৰ পৰম প্ৰিয়তম হৈবা হৰ।।
আপুনতো কৰি শ্ৰেষ্ঠ দেখিবো তোমাক।
মোৰ নাম লৈয়া বশ্য কৰিবা আমাক।।২৮
এহি বুলি কৃপাময় প্ৰভু ভগৱন্ত।
দিব্য সহস্ৰেক নাম শিৱক দিলন্ত।।
নিজ ভক্তিপন্থ নাম মহেশত থৈলা।
তাহাঙ্ক আশ্বাস কৰি বৈকুণ্ঠক গৈলা।।২৯
কৃষ্ণৰ ভকতি লুপ্ত সমূলি নভৈল।
সৰ্ব্বোত্তম ধৰ্ম্ম নাম মহেশত ৰৈল।।
কৃষ্ণ আজ্ঞা শুনি দেৱ মুনিগণ যত।
কৰিলন্ত আগম পুৰাণ নানা মত।।৩০
তৰ্ক্ক বেদ বেদান্ত ভাৰত ইতিহাস।
নানা স্মৃতি তন্ত্ৰ মন্ত্ৰ কৰিলা প্ৰকাশ।।
বৰ্ণাশ্ৰম ধৰ্ম্ম কৰ্ম্ম জ্ঞান তীৰ্থ ব্ৰত।
নানা যোগ ধ্যান জ্ঞান কৰিলা বেকত।।৩১
তপ জপ যাগ যোগ নানা যজ্ঞ দান।
নান বিধ নিষেধ দেখাইলা বিদ্যমান।।
নানা স্বৰ্গ নৰক দেখায়া সুখ দুঃখ।
লোকক কৰাইলা সৱে হৰিত বিমুখ।।৩২

১৬. নাম বিনে বৰ্ণাশ্ৰম একো বিধি।
পদ - ১৩ ঘ- পা. নানা শ্ৰুতি মন্ত্ৰ-তন্ত্ৰ কৰিলা প্ৰকাশ।। ৩২ক পা. বৰ্ণ্ণাশ্ৰম নানা কৰ্ম্ম জ্ঞান তীৰ্থ ব্ৰত।

তাতে তৰ্কিলন্ত কতো কতো মহাজন।
কৃষ্ণৰ ভকতি নাম সৰে ভৈল ছন্ন।।
কহিলোহোঁ আমি ধৰ্ম্ম কৰ্ম্ম যত বিধি।
মাধৱৰ নাম বিনে কাৰো নাহি সিদ্ধি।।৩৩
মন্ত্রে তন্ত্রে দেশে কালে ছিদ্র পৰে যত।
কৃষ্ণৰ নামেসে তাকো কৰে সমাপত।।
পৰম নিবৃত্তি ধৰ্ম্ম মাধৱৰ নাম।
যাত হন্তে পায় ধৰ্ম্ম অৰ্থ মোক্ষ কাম।।৩৪
হেন মাধৱৰ নাম কৰিয়া গুপুত।
প্রবৃত্তি ধৰ্ম্মক মাত্র দেখাইলো বহুত।।
কৃষ্ণৰ মোহন বাণী নুবুজিলো আমি।
জানিলো আমাক বঞ্চিলন্ত কৃষ্ণ স্বামী।।৩৫
এহি মনে চিন্তি মহামুনিগণ যত।
থাপিলা কৃষ্ণৰ নাম সমস্তে শাস্ত্রত।।
অনেক জন্মৰ যাৰ সুকৃতি থাকয়।
পাইবেক বিচাৰি নাম সিটো মহাশয়।।৩৬
অনেক জন্মৰ মহা পাপ আছে যাত।
নলৈব কৃষ্ণৰ নাম নিন্দিবে সাক্ষাত।।
কৃষ্ণৰ ভকতি তেজি কৰি আত্মঘাত।
ঘোৰ সংসাৰত কৰিবেক আয়াযাত।।৩৭
মহাপাপী অন্ত্যজাতি কৃষ্ণনাম গায়া।
মহাসুখে তৰিবে দুৰ্ঘোৰ কালমায়া।।
কৃষ্ণৰ নামত আছে যতেক মহিমা।
আপুনি ঈশ্বৰে যাৰ নপাৰন্ত সীমা।।৩৮
অতৰ্ক প্রভাৱ নাম-ধৰ্ম্ম অদভুত।
যাক গায়া ফুৰে যত জীৱন মুকুত।।
হেনয় নামৰ তত্ত্ব জানিবাক মনে।
কহিলা মহিমা যাৰ যেন লৈল মনে।।৩৯
আৰু এক যুগুতি শুনিয়ো অনুপাম।
সমস্তে ধৰ্ম্মৰ ফল মাধৱৰ নাম।।
মুকুতিৰো উপৰত যিটো প্রকাশয়।
যিটো নামে মাধৱক অধীন কৰয়।।৪০
হেন নামে পাপীক তাৰিবে কোন কথা।
জানি মাধৱৰ নাম লৈয়োক সৰ্ব্বথা।।
কহিলো প্রসঙ্গ কথা যেন লৈলে মনে।
আৰে নাম মালিকা শুনিয়ো সাৱধানে[১]।।৪১
নামৰ মহিমা কিছু কহোঁ বিদ্যমান।
শুনিবাক প্রতি কৰা চিত্ত সাৱধান।।
দূৰ হৌক বিষয়ৰ আছে যত দোষ।
নিৰন্তৰে নৰে কৰিয়োক হৰি ঘোষ।।৪২
পৰম মহন্ত গজপতি পুৰুষোত্তমে।
লিখাই আছে শ্লোক চয় যেন অনুক্রমে।।
সেহি অনুক্রমে আমি ৰচিবোঁ পয়াৰ।
কৃষ্ণৰ প্রসাদে হৌক লোকত প্রচাৰ।।৪৩
শুনিয়োক প্রথমতে ব্রহ্মপুৰাণত।
কহিয়া আছন্ত যেন নামৰ মহত।।
ভক্তিভাৱে যিটো জনে মাধৱক স্মৰে।
তাহাৰ মহিমা কহিবেক কোন নৰে।।৪৪
অজ্ঞানতো আন চিত্তে মাধৱৰ নাম।
যিটো জনে কীৰ্ত্তন কৰয় অৱিশ্রাম।।
জ্ঞানশূন্য হুয়া ক্রোধ কৰিয়া কৃষ্ণক।
অহৰ্নিশে সুমৰয় কৃষ্ণৰ নামক।।৪৫
তথাপিতো সমস্তে দোষকে ক্ষয় কৰি।
দুৰ্ল্লভ মুকুতি পাৱে সংসাৰক তৰি।।
আৰু অদভুত হেন নলৈবা মনত।
শুনিয়োক ইহাৰ দৃষ্টান্ত যেন মত।।৪৬
বীৰ শিশুপালে মাধৱক ক্রোধ কৰি।
অহৰ্নিশে থাকে সিটো কৃষ্ণক সুমৰি।।
সুমৰন্তে সুমৰন্তে তনময়[২] ভৈল।
কৃষ্ণৰ হাতত মৰি বৈকুণ্ঠক গৈল।।৪৭
শুনিয়োক আৰু সেহি ব্রহ্ম পুৰাণত।
নামৰ মহিমা পিতৃ স্তুতি প্রস্তাৱত।।
জলমগ্ন হুয়া পিতৃগণ নিৰন্তৰে।
একচিত্ত মনে মাধৱক স্তুতি কৰে।।৪৮
হে প্রভু নাৰায়ণ জগত নিৰাস।
আপোনাৰ উৎকৰ্ষক কৰিয়ো প্রকাশ।।
তোহ্মাৰ প্রসাদে হৌক আমাৰ উদয়।
জলেমগ্ন হুয়া আমি আছোঁ কৃপাময়।।৪৯

পা. ১। সৰ্ব্বজনে ১২। তমোময়

আহ্মাক উদ্ধাৰ আসি কৰা কৃষ্ণ বাপ।
কৰোঁহো কীৰ্ত্তন আমি নিৰ্ম্মল প্ৰতাপ।।
ঘোৰ দৰশন নিদাৰুণ নিশাচৰে।
মহাভয় দিয়া আমাসাক পীড়া কৰে।।৫০
তুমি বিনে নেদেখো শৰণ্য আনজন।
ত্ৰাস হুয়া লৈলোঁ আমি তোহ্মাত শৰণ।।
বৰাহ স্বৰূপে তুমি হুয়া অৱতাৰ।
কৰিলাহা যেন মতে পৃথিৱী উদ্ধাৰ।।৫১
সেহি মতে দুষ্ট দৈত্যগণক জিনিয়ো।
আমৰা সৱক প্ৰভু ৰক্ষা কৰি নিয়ো।।
হে কৃষ্ণ বিষ্ণু নাৰায়ণ মহেশ্বৰ।
পৰম পুৰুষ তুমি নাথ বৈকুণ্ঠৰ।।৫২
কেৱলে তোমাৰ নাম কৰন্তে কীৰ্ত্তন।
পলাই দশোদিশে ভাগে নিশাচৰ গণ।।
ভূত প্ৰেত গণো ভয়ে নানা থানে যায়।
নাম ধ্বনি শুনি নানা বিঘ্নি লাগে ঠাই।।৫৩
তযুনামে যেন মতে নানা দোষ হৰে।
সেহিমতে অধৰ্ম্মাদি শত্ৰু নাশ কৰে।।
তোমাৰ নামৰ প্ৰভু মহিমা অপাৰ।
হৰে পুৰুষৰ ঘোৰ সংসাৰ নিকাৰ।।৫৪
যত মোক্ষ ধৰ্ম্ম আদি সিয়ো পূৰ্ণ হয়।
জীৱন্ততে পুৰুষক মুকুত কৰয়।।
হেনয় তোমাত আমি পশিলোঁ শৰণ।
আমাসাক ৰাখি সংহৰিয়ো দৈত্যগণ।।৫৫
পিতৃগণ স্তুতি শুনি প্ৰভু ভগৱন্ত।
দৈত্যক সংহৰি তাসম্বাক ৰাখিলন্ত।।
এহিমতে ইসৱ প্ৰসঙ্গ আৰে থএঁও।
আৰু শুনা নামৰ মহিমা কিছু কএঁও।।৫৬
কপট স্বৰূপে যিটো কৃষ্ণক সুমৰে।
জনাৰ্দ্দন বুলিয়া কীৰ্ত্তন মুখে কৰে।।
অন্তকালে তনু তেজি সিটো মহাশয়।
অনায়াসে পাৰে বিষ্ণুলোক অনাময়।।৫৭
কোনে কহি পাৰে সীমা নামৰ মহত।
শুনা যেন কহি আছে পদ্ম পুৰাণত।।
মহাদুষ্ট সৰ্প ইটো দুৰ্ঘোৰ সংসাৰ।
এহি দংশি চেতন কৰিলে নষ্ট যাৰ।।৫৮
তাৰ এক ঔষধ জানিবা কৃষ্ণনাম।
কৃষ্ণনামে এক মহামন্ত্ৰ অনুপাম।।
যিটো শুনে কৃষ্ণ নাম মহাওঁষধক।
কৰে পান কৃষ্ণনাম বৈষ্ণৱ মন্ত্ৰক।।৫৯
সংসাৰ সৰ্পৰ বিষ কৰিয়া নিৰ্জ্জান।
মুক্ত হুয়া পৰম পদত পাৰে থান।।
জানিয়া বিষ্ণুক নৰ স্মৰিয়ো সতত।
কদাচিতো তাঙ্ক নপাসৰিবা মনত।।৬০
সংসাৰত যত বিধি নিষেধ আছয়।
ই দুইৰ কিঙ্কৰ আক জানিবা নিশ্চয়।।
বিষ্ণুক যিজনে জানা সততে সুমৰে।
তাহাৰ বিধিৰ কৰ্ম্ম সিজে নিৰন্তৰে।।৬১
যিটো জনে থাকে জানা বিষ্ণুক সুমৰি।
পাৰয় নিষেধ ফল জানা নিষ্ট কৰি।।
অনাময় পৰম ঈশ্বৰ নাৰায়ণ।
তাঙ্ক নিতে কীৰ্ত্তন কৰয় যিটোজন।।৬২
চিত্ত শুদ্ধ হোৱে মহাপাপ সঙ্কটত।
নকৰিবা আত কিছু সংশয় মনত।।
যথা মন তথাত থাকোক নৰ সুখে।
কৃষ্ণ কৃষ্ণ কীৰ্ত্তন কৰোক মাত্ৰ মুখে।।৬৩
এতেকে বিশুদ্ধ চিত্ত হোৱয় স্বভাৱে।
পৰম গতিক সিটো অনায়াসে পাৱে।।
আৰু শুনিয়োক যেন পদ্মপুৰাণতে।
কৃষ্ণক বিদাতা স্তুতি কৰন্ত বেকতে।।৬৪
থিতাতে থাকয় নুহি প্ৰয়াণ কালত।
হৰিৰ নামক কৰে কীৰ্ত্তন সতত।।
সদ্যে তাৰ পাতক সমূহ নষ্ট হয়।
পৰম পদক পাৱে সিটো মহাশয়।।৬৫
হোৱয় কৃতাৰ্থ যাৰ নাম কীৰ্ত্তনত।
কৰোঁ নমস্কাৰ হেন কৃষ্ণ চৰণত।।
চৈতন্য স্বৰূপ আত্মা প্ৰভু ভগৱন্ত।
যাহাৰ নামৰ মহিমাৰ নাহি অন্ত।।৬৬

পদ ৫৩ঘ। পা. নামধ্বনি শুনি বিঘ্নি নানা ফালে যায়।

পৰম কৃপালু দেৱ প্ৰভু নাৰায়ণ।
সদায় প্ৰণামো তান অৰুণ চৰণ।।
পৰম অনল ইটো মহা মোহ চয়।
জাজ্বল্য স্বৰূপে সৰ্ব্ব লোকত জ্বলয়।।৬৭
ইহাৰ জ্বালায়ে সদা শৰীৰ দহয়।
হৰয় চেতন শ্ৰুতি জ্ঞান নপাৰয়।।
মহা মেঘ প্ৰায় মাধৱৰ নাম চয়।
তাহাৰ ছাঞাত যিটো প্ৰৱেশ কৰয়।।৬৮
মহামোহ বহ্নি আৰ তাহাক নদহে।
তাপদুঃখ এৰায় মহা সুখী হুয়া ৰহে।।
যিটো জনে আলাসক কৰি পৰিহাৰ।
নাৰায়ণ নামক উচ্চৰে এক বাৰ।।৬৯
এতেকতে সিটো জনে হুয়া শুদ্ধচিত্ত।
সুখে গৈয়া নিৰ্ব্বাণ পদত হোৱে থিত।।
পৰম শ্ৰদ্ধায়ে যুক্ত হুয়া যিটো জন।
হৰিৰ নামক কৰে সদায় কীৰ্ত্তন।।৭০
সুৱৰ্ণ হৰণ মহা পাতক শাশ্বত।
হোৱয় পৱিত্ৰ সিটো যেহেন মুকুত।।
যদি ভক্ত সৱে কেশৱক প্ৰসঙ্গত।
একবাৰ নাম মাত্ৰ সুমৰে মনত।।৭১
তাৰাসৱো ধ্বংস কৰি পাতক সকলে।
বিষ্ণুৰ পৰম পদ আনন্দতে চলে।।
পৰম দুষ্কৃতিকাৰী পাপশীল জন।
কৰে বহুবাৰ হৰি নামক কীৰ্ত্তন।।৭২
পাপ সমূহত সিয়ো হোৱয় মুকুত।
মহাজনে আক নেদেখিয়া অদভুত।।
নামৰ মহিমা কিবা কহিবো অধিক।
শুনা যেন হৰে বুলিলন্তপাৰ্ব্বতীক।।৭৩
শুনিয়ো পাৰ্ব্বতী তুমি বচন আম্মাৰ।
একো কৰ্ম্ম-ধৰ্ম্মে নৰে নতৰে সংসাৰ।।
জগতৰো ধৰ্ম্মক আচৰি শুদ্ধভাৱে।
তথাপিতো সৰ্ব্বেশ্বৰ বিষ্ণুক নপাৱে।।৭৪
হেনবা হৈবেক শঙ্কা মনত তোম্মাৰ।
একোৱে প্ৰকাৰে যেৱে নতৰে সংসাৰ।।

পদ ৭২ক-খ। পা. তাৰা সৱে সুস্থ কৰে পাতক সকলে।

তেৱে কেনমতে নৰে পাৱিবেক বিষ্ণুক।
শুনিয়ো সিদ্ধান্ত কৰি মনত উৎসুক।।৭৫
মুকুতি পদক প্ৰতি ইচ্ছা আছে যাৰ।
বাসুদেৱ ভকতিসে জানা মুখ্য তাৰ।।
বাসুদেৱ বিনায় আনত নেদে মতি।
বোলে বাসুদেৱেসে কেৱলে মোৰ গতি।।৭৬
কিন্তু সিটো নৰ জানা ভোগী আতিশয়।
নানান বিষয়ে তাক আকুল কৰয়।।
পৰকো পৰম তাপ দেয় নিতে নিত।
জ্ঞান বিৰকতি তাত নাহিকে কিঞ্চিত।।৭৭
শম দম আদি ব্ৰহ্মচৰ্য্য ধৰ্ম্ম যত।
নাহি আন পুণ্য তপ জপ তীৰ্থ ব্ৰত।।
চিত্তক নিৰ্ম্মল আতি কৰে যিটো কৰ্ম্মে।
পৰম তত্ত্বক জানা পায় সিটো ধৰ্ম্মে।।৭৮
সিটো ধৰ্ম্ম কৰ্ম্ম জানা সমস্তে বৰ্জ্জিত।
বিষয়ৰ চিন্তাত আকুল আজি চিত্ত।।
কেৱল চিত্তত কৰি বিষ্ণুক নিশ্চয়।
তানে নাম ব্যক্তে মাত্ৰ কীৰ্ত্তন কৰয়।।৭৯
হেনয় মনুষ্যে সুখে পাৱে যেন গতি।
সমস্তে ধাৰ্ম্মিকো তাক নপাৱে পাৰ্ব্বতী।।
এতেকে পাৰ্ব্বতী তুমি জানা নিষ্ঠ কৰি।
নাহি ধৰ্ম্ম বিষ্ণু নাম কীৰ্ত্তনক সৰি।।৮০
এহি মানে থৈলো মহেশৰ বচনক।
জানি সৰ্ব্বজনে লৈয়ো কৃষ্ণৰ নামক।।
পুনৰপি শুনা হৰি নামৰ মহত।
কহিয়া আছন্ত যেন বিষ্ণু পুৰাণত।।৮১
পৰাশৰে কহিয়া আছন্ত মৈত্ৰেয়ত।
মাধৱৰ নামৰ মহিমা যেন মত।।
হৰি নাম লওঁঞো হেন নাহিকে মনত।
কৰে কৃষ্ণ নামক কীৰ্ত্তন অজ্ঞানত।।৮২
তথাপি সমস্তে পাপে চাড়ি পুৰুষক।
তেতিক্ষণে পলাই যায় দূৰতো দূৰক।।
সিংহ হন্তে ত্ৰাস হুয়া যেন মৃগগণে।
পলায় গৈয়া লৰৰিয়া পশে ঘোৰ বনে।।৮৩

সমস্তে কালতে হৰি নাম বিনে আন।
নাহি গতি তথাপিতো কলিত প্ৰধান।।
সত্যযুগে যোগী সৱে কৰিয়া সমাধি।
যেন মত ফল পাৱে কৃষ্ণক আৰাধি।।৮৪
তাহাতো কৃষ্ণৰ দশ নাম যদি লয়।
সমাধিৰ ফল যোগী তেৰেসে পাৱয়।।
নিয়মে সংযমে চিত্ত সাৱধান কৰি।
ত্ৰেতাযুগে নানাবিধ যজ্ঞে যজি হৰি।।৮৫
মাধৱৰ আঠগোটা নামক উচ্চৰে।
তেৰেসে যজ্ঞৰ ফল পাৱে জানা নৰে।।
নানা তন্ত্ৰে মন্ত্ৰে পূজা কৰে দ্বাপৰত।
হৰিৰ দ্বাদশ নাম জপয় সতত।।৮৬
নাম কীৰ্ত্তনেসে সাঙ্গ কৰয় পূজাক।
তেৰেসে পূজাৰ যেন ফল পাৱে তাক।।
ধ্যান যজ্ঞে পূজাৰ কহিছে যেন ফল।
হৰিৰ নামেসে তাক সাধয় সকল।।৮৭
কলিৰ লোকৰ চিত্ত মলিন অপাৰ।
আন একো ধৰ্ম্মত নাহিকে অধিকাৰ।।
কেশৱক কৰে মাত্ৰ কীৰ্ত্তন কেৱল।
পাৱে অনায়সে ধ্যানাদিৰ যেন ফল।।৮৮
কীৰ্ত্তনৰ ফল আৰু পাৱে শ্ৰেষ্ঠতৰ।
কলিত কীৰ্ত্তনে হোৱে নাৰায়ণ পৰ।।
এতেকেহে কলিযুগ শ্ৰেষ্ঠ অতিশয়।
সত্যাদিৰ লোকে জন্ম কলিত বাঞ্চয়।।৮৯
কলিত কৃষ্ণৰ নাম কীৰ্ত্তন কৰিয়া।
পাৱয় পৰম পদ সংসাৰ তৰিয়া।।
শুনিয়ো মৈত্ৰেয় মাধৱৰ নাম চয়।
ভক্তিভাৱে যিটো জনে কীৰ্ত্তন কৰয়।।৯০
অনাদি জন্মৰ যত পাপ আছে তাৰ।
নামৰ কীৰ্ত্তনে নিঃশেষ সংহাৰ।।
কৃষ্ণৰ কীৰ্ত্তন মহা বহ্নিৰ সমান।
পাপৰ দাহক নাহি নাম বিনে আন।।৯১
যেন সুৱৰ্ণৰ ধাতু মিশ্ৰ যত মল।
কেৱলে বহ্নিয়ে তাক দহয় সকল।।
অগনিত পৰে আৰ যতেক উপায়।
সুৱৰ্ণৰ মল যেন গুছান নযায়।।৯২
সেহিমতে হৰি নাম কীৰ্ত্তনত পৰ।
আন ধৰ্ম্মে চিত্ত শুদ্ধ নুহি পুৰুষৰ।।
এতেকেসে হৰিনাম ধৰ্ম্মতে প্ৰধান।
জগতত নাহি পুণ্য নামৰ সমান।।৯৩
হৰিনাম কীৰ্ত্তনেসে ধৰ্ম্ম ভৈল যাৰ।
এৰাইলেক সিজনে যমৰো অধিকাৰ।।
যমৰ বচনে আৰু প্ৰমাণ লৈয়োক।
বোলন্ত শুনিয়ো মোৰ যত দূত লোক।।৯৪
যিটো মহাজন ভৈল মাধৱৰ দাস।
কদাচিতো নচাপিবি তাসম্বাৰ পাশ।।
মাধৱৰ দাসৰ লক্ষণ যেন মত।
কহো স্পষ্ট কৰি শুন সৱাৰো আগত।।৯৫
হে বিষ্ণু বাসুদেৱ কমলনয়ন।
অচ্যুত ধৰণীধৰ দেৱ সনাতন।।
শঙ্খ চক্ৰ গদাপাণি প্ৰভু নাৰায়ণ।
হে কৃষ্ণ তুমি মোৰ হুয়োক শৰণ।।৯৬
এহি মতে হৰিনাম যি জনে সুমৰে।
নাহিকে নিষ্পাপী আৰু সি জনত পৰে।।
হে দূতগণ মোৰ বাক্য মনে ধৰি।
তাসম্বাক ফুৰিবি দূৰতে পৰিহৰি।।৯৭
এহি মানে সংহৰিলো যমৰ বচন।
কৃষ্ণতেসে যি জনৰ নিমজিল মন।।
কদাচিতো নৰকে নযাই সিটো নৰ।
স্বৰ্গো মহা বিঘিনি জানিবা সিজনৰ।।৯৮
কৃষ্ণকেসে চিত্ত জানা নিমজিল যাৰ।
ব্ৰহ্মাৰো উত্তম পদ অতি অল্প তাৰ।।
কৃষ্ণকেসেচিত্তত ধৰিয়া নিৰন্তৰে।
একচিত্তে কৃষ্ণক ভাৱনা মাত্ৰ কৰে।।৯৯
তাৰ আৰ লাভ কিবা কহিবো অধিক।
দেন্ত ভগৱন্তে তাক অব্যয় মুক্তিক।।
অচ্যুত কীৰ্ত্তনে মাত্ৰ মুকুতি পাৱয়।
কোন ইটো চিত্ৰ তাৰ পাপ হুইবেক ক্ষয়।।১০০

জপ হোম যজ্ঞ পূজা আদি সময়ত।
ৰৈল যাৰ মন বাসুদেৱ চৰণত।।
ইন্দ্ৰ পদ আদি কৰি আছে যত ফল।
জানিবা মৈত্ৰেয় তাৰ বিঘিনি সকল।।১০১
তপ জপ যজ্ঞ যাগ যোগ তীৰ্থ ব্ৰত।
কৰ্ম্মৰূপ প্ৰায়শ্চিত্ত কহি আছে যত।।
সি সৱে পাপক শুদ্ধি নকৰে সিমতে।
কৃষ্ণক স্মৰণে পাপ হৰে যেন মতে।।১০২
এতেক যতেক আছে প্ৰায়শ্চিত্ত গণ।
সৱাহন্তে শ্ৰেষ্ঠ কৃষ্ণ নামৰ স্মৰণ।।
পাপ কৰি অনুতাপ উপজিল যাৰ।
জানা অনুতাপে এক প্ৰায়শ্চিত্ত তাৰ।।১০৩
তথাপিতো তাহাৰ নিৰ্ম্মল নুহি চিত্ত।
হৰিনাম কীৰ্ত্তনেসে মুখ্য প্ৰায়শ্চিত্ত।।
কৃষ্ণৰ স্মৰণ আৰু মহিমা যিমত।
দেখাওঁ স্পষ্ট কৰি প্ৰহ্লাদৰ বচনত।।১০৪
শুনা সভাসদ পদ নাম মালিকাৰ।
মাধৱৰ নাম ধৰ্ম্ম সৰ্ব্ব শাস্ত্ৰ সাৰ।।
সংসাৰ তৰিতে প্ৰতি যাৰ আছে কাম।
কৃষ্ণক চিত্তত ধৰি ডাকি বোলা ৰাম।।১০৫

### দুলড়ি

প্ৰহ্লাদ বদতি শুনিয়ো সম্প্ৰতি
কৃষ্ণৰ নাম মহত।
বিষ্ণু পক্ষ জানি মোক পিতৃ আনি
দুঃখ দিলা নানা মত।।
দিগ্‌গজ সৱৰ দন্ত নিৰন্তৰ
অগ্ৰভাগ বজ্ৰময়।
মোৰ গাৱে লাগি সিয়ো গৈল ভাগি
ইটো বল মোৰ নয়।।১০৬
পৰম বিপদ বিনাশিয়া মোক
ৰাখিলন্ত নাৰায়ণ।
কৃষ্ণৰ স্মৰণ প্ৰসাদে মোহোৰ
বিকল নভৈল চিত্ত।
দেখিয়োক কেন কৃষ্ণ স্মৰণৰ
অনুভাৱ বিপৰীত।।১০৭
প্ৰহ্লাদ বচনে কৃষ্ণ স্মৰণৰ
মহিমা কৰি বেকত।
শুনা অতপৰে কৃষ্ণ স্মৰণৰ
অনুভাৱ যেন মত।।
মহা উগ্ৰতৰ কলিৰ কল্মষ
দেখা কেন বল আৰ।
মনুষ্যক নিয়া ঘোৰ নৰকত
ভুঞ্জাৱে দুঃখ নিকাৰ।।১০৮
ঈশ্বৰ কৃষ্ণৰ নাম এক বাৰ
কীৰ্ত্তন যিটো কৰয়।
সদ্যে যেন বহ্নি কলিৰ পাপক
দহিয়া ভস্ম কৰয়।।
যাৰ এক বাৰ স্মৰণে তেখনে
কলি পাপ নষ্ট কৰে।
হেনয় কৃষ্ণক নভজিয়া নৰে
নিকাৰ ভুঞ্জিয়া মৰে।।১০৯
প্ৰভাত সন্ধ্যাত নিশা মধ্যাহ্নাদি
সময়ত নাম লৈয়া।
সদ্যে পাপক্ষয় কৰি নৰে
নাৰায়ণক পাৱয় গৈয়া।।
বিষ্ণুক সম্যকে স্মৰিয়া সমস্তে
ক্লেশক বিনাশ কৰে।
পৰম বিশুদ্ধ চিত্ত হুয়া সুখে
মুকুতি পাৱয় নৰে।।১১০
কৃষ্ণ স্মৰণৰ যিহেতু নিৰ্ম্মল
মুকুতি পৰম ফল।
তাৰ স্বৰ্গ পদ জানিবা নিশ্চয়
বিঘিনি মাত্ৰ কেৱল।।
ইহাক জানিয়া যিটো অহৰ্নিশে
বিষ্ণুক সম্যকে স্মৰে।
পাপ ক্ষয় কৰি হুয়া শুদ্ধ চিত্ত
নযায় নৰকক নৰে।।১১১
স্নানাদি কৰ্ম্মত যিটো ধ্যান কৰে
নাৰায়ণ দেৱতাক।
সমস্তে পাপৰ মুখ্য প্ৰায়শ্চিত্ত
জানিবা নিশ্চয়ে আক।।

বিষ্ণু পুৰাণত কৃষ্ণ স্মৰণৰ
প্ৰসঙ্গ সংহৰি থঞোঁ।
শিৱ পুৰাণত শুনা যেন মত
নামৰ মহিমা কঞোঁ।। ১১২
জাতিত ৰাক্ষস নামত সুশৰ্ম্মা
দেখি তাৰ শুদ্ধমন।
তাহাৰ আগত শ্ৰীৰুদ্ৰদেৱে
বুলিলা হিত বচন।।
সদায় কৃষ্ণৰ নাম মাত্ৰ গাইবা
জানিয়া ধৰ্ম্ম প্ৰধান।
হৰিৰ পৰম ৰূপ মনোহৰ
সদায় কৰিবা ধ্যান।।১১৩
মুৰাৰিৰ নাম কীৰ্ত্তন কৰিবা
সদায় নিশ্চয় মতি।
ইসৱ প্ৰকাৰে সংসাৰক তৰি
লভিবা পৰম গতি।।
ৰুদ্ৰৰ বচন থৈলোঁহো কৃষ্ণৰ
নামৰ কহোঁ মহত।
তাতে শুনা আৰু কহি আছে যেন
শিৱ নাম মাহাত্ম্যত।।১১৪
শিৱৰ কৃষ্ণৰ নামত কিঞ্চিতো
নাহিকে জানা অন্তৰ।
শিৱৰ যতেক গুণ নাম সিয়ো
জানা সৱে মাধৱৰ।।
আপোনাৰ গুণ নাম নাৰায়ণে
শিৱক সৱে অৰ্পিলা।
আপোনাৰ নিজ ভক্ত বুলি হৰি
ভিন্ন তাঙ্ক নকৰিলা।।১১৫
বিষ্ণু বৈষ্ণৱৰ কিঞ্চিতো অন্তৰ
নাহিকে জানা নিশ্চয়।
আক ভিন্ন বুদ্ধি কৰিলে কেৱলে
অপৰাধ মাত্ৰ হয়।।
এতেকেসে মহা জনে দুহান্তৰো
নাম এক কৰি কয়।
দুইহানো নামক কীৰ্ত্তন কৰিয়া
পৰম গতি লভয়।।১১৬

সংশয় তেজিয়া একচিত্ত হুয়া
শুনিয়োক নিৰন্তৰে।
মহাদেৱ মহা দেৱ মহাদেৱ
বুলিয়া যিটো সুমৰে।।
প্ৰথম অক্ষৰে মহেশ বুলিয়া
মুকুত হোৱয়ে নৰে।
আৰ দুই পদ সুমৰিয়া শম্ভু
হোৱে মুনি স্তুতি কৰে।।১১৭
শিৱ পুৰাণৰ কহি কিছুমান
মহিমা শিৱ নামৰ।
মহা ভাগৱত শাস্ত্ৰে যেন কহে
শুনা আৱে আত পৰ।।
মহা ভাগৱত শাস্ত্ৰক বিচাৰি
দেখিবাহা বিদ্যমান।
ভগৱন্ত ঈশ্বৰৰ শুনা গুণ নাম
বৰ্ণন মাত্ৰ প্ৰধান।।১১৮
সমস্ত ধৰ্ম্মত কৰিয়া গৌৰৱ
কৃষ্ণৰ নাম কীৰ্ত্তন।
শ্ৰীমন্ত নাৰদে বৰ্ণায়া ব্যাসৰ
কৰিলা চিত্ত প্ৰসন্ন।।
যত তপ ব্ৰত পূজা বেদ পাঠ
মন্ত্ৰ জাপ্য জ্ঞান দান।
সমস্তে ধৰ্ম্মৰ অৱিনাশি ফল
জানিবাহা এহিমান।।১১৯
মহা মহা কবি বিৱেকী সকলে
কৰি আছে নিৰূপণ।
উত্তম শ্লোকৰ গুণ নাম মাত্ৰ
কৰিব সদা বৰ্ণন।।
অনেক জনমে পৰম নিষ্কামে
কৰিছে পুণ্য যিজন।
তাৰ ফলে সদা ই জন্মত সুখে
হৰয় হৰি কীৰ্ত্তন।।১২০
হৰি কীৰ্ত্তনত পৰে যত ফল
কহিয়া আছে ধৰ্ম্মৰ।

সিসৱ সকলে বিনাশি কেৱলে
জানিবাহা সাৰতৰ।।
হৰি কীৰ্ত্তনত পৰে আন ধৰ্ম্ম
নানান বিঘিনিগ্ৰস্ত।
হৰিৰ নামেসে জানিবা নিশ্চয়ে
হৰয় তাক সমস্ত।।১২১
যদ্যপি সঞ্জাত নযাবা শত্ৰুৰ
বচনে লৈয়ো প্ৰমাণ।
বামনৰ আগে শুক্ৰ মহাঋষি
কহি আছা বিদ্যমান।।
যত মন্ত্ৰ তন্ত্ৰ দেশ কাল পাত্ৰ
বস্তুত ছিদ্ৰ আছয়।
তযু গুণ নাম কীৰ্ত্তনেসে তাকো
সমস্তে দূৰ কৰয়।।১২২
কৰ্ম্মৰ বিঘিনি হৰিবেক নামে
ইটো অদভূত নয়।
যিহেতু নামৰ কীৰ্ত্তনে কৃষ্ণকো
সন্তোষ আতি কৰয়।।
ইহাৰ প্ৰমাণ লৈয়োক ঈশ্বৰ
মাধৱৰ বচনত।
ৰাজাৰ আগত আপুনি ঈশ্বৰ
কহি আছা যেন মত।।১২৩
বোলন্ত নৃপতি শুনা মহামতি
তোম্মাৰ কল্যাণ হৌক।
মোৰ গুণনাম কীৰ্ত্তন কৰিয়া
সন্তোষ কৰাইলা মোক।
তোম্মাৰ সম্বন্ধি পৰম সন্তুষ্ট
ভৈলোহোঁ আমি নিশ্চয়।
পৰম গোপনী যেহি বৰ লাগে
লৈয়ো তাক মহাশয়।।১২৪
মোহোৰ সম্মতি বৰ লৈয়ো আজি
হুইবা আতি খ্যাতিমন্ত।
তযু মহোদয় হৈৰেক অপাৰ
বুলিলন্ত ভগৱন্ত।।

শুনা মহাজনে যেন লৈলে মনে
বিৰচিলোঁ আমি পাদ।
হুয়া পূৰ্ণকাম বোলা ৰাম ৰাম
গুচোক সৱে আপদ।।১২৫

**পদ**

ভাগৱত শাস্ত্ৰে যত নামৰ মহিমা।
তাক কহি কোন জনে কৰিবেক সীমা।।
সাধ্য সাধন ৰূপে নামকেসে কয়।
আন যত ফল কৰ্ম্ম সৱে মায়াময়।।১২৬
পণ্ডিতসকলে আক বিচাৰি দেখিল।
গ্ৰন্থ গৌৰৱক ভৰে আক নিলিখিল।।
হৰি নাম গুণত বাঢ়িল যাৰ ৰতি।
পৰম কৃতাৰ্থ ভৈল সি সি মহামতি।।১২৭
সি সি জনে ঈশ্বৰকো সন্তোষ কৰয়।
নিজ যশ প্ৰিয় হৰি জানিবা নিশ্চয়।।
ভৈলন্ত সন্তুষ্ট হৰি সম্বন্ধি যাহাৰ।
আৰ কৃত্য শেষে কিছু নথাকিল তাৰ।।১২৮
জগতৰে আত্মা হৰি জানিবা নিশ্চয়।
হৰিতুষ্ট ভৈলে তুষ্ট জগত হোৱয়।।
ইহাৰ দৃষ্টান্ত শুনিয়োক যেন মত।
যেন জলদান কৰে বৃক্ষৰ মূলত।।১২৯
ডাল পত্ৰ পুষ্প ফল যতেক আছয়।
সমস্তে তৃপিতি হয় জানবা নিশ্চয়।।
মূলৰিনে পানী যদি সিঞ্চে পত্ৰ ডালে।
কদাচিতো তৃপিতি নুহিকে এক কালে।।১৩০
আৰু যেন প্ৰাণক ভুঞ্জাবে অন্নপান।
হোৱয় তৃপিতি ইন্দ্ৰি আছে যতমান।।
ক্ষুধাতুৰ নৰে যেন নকৰি ভোজন।
গন্ধ পুষ্প অলঙ্কাৰে কৰয় ভূষণ।।১৩১
কদাচিতো তৃপিতি নুহিকে ইন্দ্ৰিয়ৰ।
দেখাইলোহোঁ দুতয় দৃষ্টান্ত মনোহৰ।।
হৰি তুষ্ট নভৈলে কাহাৰো তুষ্টি নাই।
দেখিবা ইহাক মহা ভগৱত চাই।।১৩২
নামৰ বলৰ কোনে কৰিবেক সীমা।
অগ্নি পুৰাণত শুনা নামৰ মহিমা।।

একান্তিক ভকত প্ৰহ্লাদ মহামতি।
তাহান আগত কৃষ্ণ দেৱ নিগদতি।।১৩৩
গোৱিন্দ গোৱিন্দ বুলি যিজনে জপয়।
যমৰ দূতত তাৰ নাহি কিছু ভয়।।
ৰৌৰৱক প্ৰমুক্ষে নৰক নিৰন্তৰ।
তাত হন্তে কিছু ভয় নাহি সিজনৰ।।১৩৪
গোৱিন্দ গোৱিন্দ নাম মুখে থাকে যাৰ।
প্ৰেতৰাজ যমতো নাহিকে ভয় তাৰ।।
সমস্তে যুগৰে ইটো কহিলো নিৰ্ণয়।
কলিযুগে যিটো কৃষ্ণ নামক জপয়।।১৩৫
যমৰ দণ্ডত তাৰ কিছু ভয় নাই।
যম দূতে তাৰ কিবা উৰুৱাইবে ছায়।।
যম যাতনাত দু-খ অনেক আছয়।
কি কৰিবে তাক যিটো কৃষ্ণ নাম লয়।।১৩৬
হে জানি গোৱিন্দ গোৱিন্দ বোলা মুখে।
কৃষ্ণ নাম জপিয়া ফুৰিয়ো মহাসুখে।।
এহিমানে সংহৰিলো বচন কৃষ্ণৰ।
শুনিয়োক কথা আৰু আত অনন্তৰ।।১৩৭
নামৰ মহিমা সেহি অগ্নি পুৰাণত।
পাপ বিনাশন মহা স্তুতি প্ৰস্তাৱত।।
কৃষ্ণৰ আগত বাক্য পুষ্কৰে বোলন্ত।
হুয়োক প্ৰসন্ন মোত প্ৰভু ভগৱন্ত।।১৩৮
তোহ্মাক নভজি মঞিঁ পৰম প্ৰমত্ত।
কৰি আছোঁ পাপ যত মহা অজ্ঞানত।।
জ্ঞান পূৰ্ব্বকৰো পাপ আছে যত যত।
প্ৰভাত মধ্যাহ্ননিশি সন্ধ্যা সময়ত।।১৩৯
কায় বাক্য মনে পাপ কৰি আছোঁ যত।
সৱে নষ্ট হৌক তিনি নাম কীৰ্ত্তনত।।
মাধৱ পুণ্ডৰীকাক্ষ নাম হৃষীকেশ।
তোহ্মাৰ ত্ৰিতয় নাম পৰম বিশেষ।।১৪০
সোপনত যদি মোৰ মুখত থাকয়।
তথাপিতো সমস্ত পাতক হৌক ক্ষয়।।
শৰীৰে যতেক পাপ কৰিছোঁ নিঃশেষ।
নিৰন্তৰে ক্ষয় হৌক মোৰ হৃষীকেশ।।১৪১
মনে যত পাপ কৰি আছোঁ অবিশ্ৰাম।
নাশ হৌক কীৰ্ত্তনে পুণ্ডীৰকাক্ষ নাম।।
বাক্যে বা যতেক পাপ কৰিছোঁ দুৰ্ঘোৰ।
মাধৱ বোলন্তে সৱে ক্ষয় হৌক মোৰ।।১৪২
শয়নে ভোজনে পথে ব্ৰজন কৰন্তে।
জাগ্ৰত সময়ে আৰু বসিয়া থাকন্তে।।
আক আদি কৰি আৰু নানা সময়ত।
কায় বাক্য মনে পাপ কৰি আছোঁ যত।।১৪৩
কৰি আছোঁ পাপ অল্প স্থূল বিপৰীত।
তাৰ ফলে ফুৰিবে লাগিবে কুযোনিত।।
দাৰুণ নৰক দুঃখ ভুঞ্জিবে অপাৰ।
তাক সুমৰন্তে ভয় লাগয় আহ্মাৰ।।১৪৪
সিসৱ পাপত হন্তে ৰাখিয়োক মোক।
বাসুদেৱ কীৰ্ত্তনত সৱে নষ্ট হৌক।।
সুমৰো তোহ্মাৰ প্ৰভু পৰম্ব্ৰহ্ম নাম।
তুমিসে কেৱল ইটো জগতৰে ধাম।।১৪৫
পৰম পৱিত্ৰ তযু নাম গুণ যত।
আক সৱে বৰ্ণাইবাক নুহিকো শকত।।
আহ্মাৰ যতেক আছে মহাপাপ গণ।
নাশ হৌক বিষ্ণু নাম কৰন্তে কীৰ্ত্তন।।১৪৬
ইটো পুষ্কৰৰ স্তুতি কৰি সমাপত।
পুনৰপি শুনা সেহি অগ্নিপুৰাণত।।
বিষ্ণু পঞ্জৰত বাক্য পুষ্কৰে বোলন্ত।
ঈশ্বৰৰ দ্বিতীয় ৰূপক বৰ্ণয়ন্ত।।১৪৭
যিমত পৰম ব্ৰহ্ম হৰি সেহিমত।
অব্যক্ত স্বৰূপে যিটো আছা জগতত।।
তেহেন্তে কেশৱ মহা মূৰ্ত্তি মনোহৰ।
মূৰ্ত্ত অমূৰ্ত্তৰ কিছু নাহিকে অন্তৰ।।১৪৮
কায়বাক্য মনৰ মোহোৰ পাপ যত।
সদ্যে হৌক বিনাশ অচ্যুত কীৰ্ত্তনত।।
এহিমানে থৈলোঁ ইটো পুষ্কৰ বচন।
পুনৰপি আৰু শুনিয়োক মহাজন।।১৪৯
কহি আছা যিমত ভৱিষ্য পুৰাণত।
নামৰ মহিমা তাক কৰোঁহো বেকত।।

পদ ১৪৬-৪৭। 'আহ্মাৰ যতেক আছে... সেহি অগ্নি পুৰাণ'ক পাঠ আলোচ্য সাঁচিপতীয়া পুথিত পোৱা নাযায়।

ব্ৰাহ্মণ ক্ষত্ৰিয় বৈশ্য যত শূদ্ৰ চয়।
স্ত্ৰী অন্ত্য জাতি আনো অনেক আছয়।।১৫০
নাহি বৰ্ণাশ্ৰম আত নিয়ম বিচাৰ।
হৰিনাম কীৰ্ত্তনে সৱাৰো অধিকাৰ।।
যৈতে তৈতে আপোন ইচ্ছাই থাকি সুখে।
বিষ্ণুনাম কীৰ্ত্তন কৰন্ত মাত্ৰ মুখে।।১৫১
নিশেষ পাতক হন্তে মুকুত হোৱয়।
সনাতন ব্ৰহ্ম গৈয়া সমস্তে পাৱয়।।
পৰম পৱিত্ৰ জাতি ব্ৰাহ্মণ মহন্ত।
অপৱিত্ৰ আতি অন্য জাতি অপৰ্য্যন্ত।।১৫২
উত্তম জাতিয়ো মহা পাতক আচৰি।
সমস্তে অৱস্থা গৈয়া আছে অনুসৰি।।
ইসৱৰ মাজে যিটো ঈশ্বৰক স্মৰে।
পাপত লেপিত আৰ নোহে সিটো নৰ।।১৫৩
দেখিয়ো মহিমা কেন কৃষ্ণ স্মৰণৰ।
মনুষ্যৰ আছে যত পাতক প্ৰচুৰ।।
শত সহস্ৰেক ৰূপে হোৱে মষিমূৰ।
ব্ৰজপাতে যেন পৰ্ব্বতক কৰে চুৰ।।১৫৪
কহিলোঁ সামান্য ফল নাম কীৰ্ত্তনৰ।
প্ৰায়শ্চিত্ত কামে নাম লৱে যিটো নৰ।।
সিটো নাম কীৰ্ত্তনৰ শুনিয়ো মহত।
কহিয়া আছন্ত যেন ব্ৰহ্মবৈৱৰ্ত্তত।।১৫৫
উত্তম দ্বিজক যিটো হানিয়া মাৰয়।
কামনা পূৰ্ব্বকে সুৰাপানক কৰয়।।
কৃষ্ণ কৃষ্ণ অহোৰাত্ৰ কীৰ্ত্তন কৰন্তে।
হোৱে শুদ্ধ সিটো মহা পাতকত হন্তে।।১৫৬
বিশ্বাস ঘাতক পাপ যি জনে আচৰে।
যিটো নৰাধমে ব্ৰাহ্মণক নিন্দা কৰে।।
কৰন্তে কীৰ্ত্তন আতি হৰিৰ নামক।
পাপে পৰাভৱ নকৰয় সিজনক।।১৫৭
কহি আছে আৰু যেন লিঙ্গ পুৰাণত।
তাক কিছু কহোঁ আৰে শুনিয়ো সাম্প্ৰত।।
সেহিসে পৰম হানি জানো পুৰুষৰ।
তাকেসে বুলিয় মহা ছিদ্ৰ নিৰন্তৰ।।১৫৮
সেহিসে পৰম অতি মোহ বিপৰীত।
তাত পৰে বিভ্ৰম নাহিকে পৃথিৱীত।।
একক্ষণ মানে বা মুহূৰ্ত্ত সময়ত।
এক শিৱ ঈশ্বৰক নিশ্চিন্তে মনত।।১৫৯
মনুষ্য শৰীৰ সিটো পাইলে আসি কিক।
নিষ্ফল জীৱন তাৰ আছে ধিক ধিক।।
সমস্তে ভূতক যদি হানিয়া মাৰয়।
হাতে অস্ত্ৰ ধৰি সৱে কাটিয়া ফুৰয়।।১৬০
অন্যায় পূৰ্ব্বকে যিটো ভোজন কৰয়।
আনো সৱ পাতক যদ্যপি আচৰয়।।
এক শিৱ নাম যিটো স্মৰে একবাৰ।
সমস্তে পাতকে তাক কৰে পৰিহাৰ।।১৬১
দেখা শিৱ নামৰ মহিমা অদভুত।
একবাৰ স্মৰি হোৱে পাপত মুকুত।।
ৰুদ্ৰক সুমৰি নৰে অৰুদ্ৰ নহয়।
নুহিকে অৰুদ্ৰ যিটো ৰুদ্ৰক অৰ্চ্চয়।।১৬২
ৰুদ্ৰৰ নামক যিটো কৰয় কীৰ্ত্তন।
পুনৰপি অৰুদ্ৰ নুহিকে সিটো জন।।
পাইলেক ৰুদ্ৰৰ যিটো জন মহাশয়।
পুনৰপি সিটো আৰ অৰুদ্ৰ নোহয়।।১৬৩
কহিলোহোঁ ফল যেন ৰুদ্ৰ কীৰ্ত্তনৰ।
শুনিয়োক ফল আৰে কৃষ্ণৰ নামৰ।।
ব্ৰহ্মা শিৱ সম্বাদত নাৰদক প্ৰতি।
পৰম ঈশ্বৰ শ্ৰীৰুদ্ৰ নিগদতি।।১৬৪
শুনিয়ো নাৰদ কহোঁ স্বৰূপ তোমাত।
কৃষ্ণৰ নামৰ যেন মহিমা সাক্ষাত।।
বসিয়া থাকন্তে নুহি পথত ভ্ৰমন্তে।
নিদ্ৰাত থাকন্তে কথা শ্ৰৱণ কৰন্তে।।১৬৫
বচন বোলন্তে কোনো বস্তু সুমৰন্তে।
আনো সৱ যত মহা কাৰ্য্যক কৰন্তে।।
এহি নানা সময়ত যদি কোনজন।
হেনয় বিষ্ণুৰ কৰে নামক কীৰ্ত্তন।।১৬৬
মনোহৰ ৰূপ ধৰি জানিবা নাৰদ।
ভকতি যুগুত হুয়া পাৱে পৰম্পদ।।
বিষ্ণুৰ নামক কৰি হেলায় কীৰ্ত্তন।
পৰম পদক পাৱে যেই সেই জন।।১৬৭
মহাভক্তি ভাৱে যিটো কৃষ্ণ নাম গাৱে।
তাহাৰ মহিমা কহি কোনে অন্ত পাৱে।।

এহি মানে থৈলোঁ কথা ব্ৰহ্ম বৈৱৰ্ত্তৰ।
স্কন্দ পুৰাণত শুনা মহিমা নামৰ।।১৬৮
শুনিয়ো নাৰদ তুমি মোহোৰ বচন।
ভক্তিভাৱে গোৱিন্দ উচ্চৰে যিটো জন।।
ভকতি বৰ্জ্জিত হুই যদি কোনো নৰে।
গোৱিন্দ গোৱিন্দ বুলি মুখত সুমৰে।।১৬৯
পুৰুষৰ পাপ যত দহে কৰে ছন্ন।
যুগান্তৰ বহ্নি যেন দহে ত্ৰিভুৱন।।
জন্মান্তৰ সহস্ৰৰ যত পাপ চয়।
কোটি জন্মান্তৰে যত কৰিয়া আছয়।।১৭০
জানিবাহা নাৰদ গোৱিন্দ কীৰ্ত্তনত।
শতধা প্ৰকাৰে পাপসৱ হৰে হত।।
যতেক পাতক সিজে অভক্ষ্য ভক্ষণে।
উপজয় পাপ যত অগম্যাগমনে।।১৭১
গোৱিন্দ কীৰ্ত্তনে পাপ সৱে নষ্ট হয়।
নকৰিবা কিছু আত মনত সংশয়।।
ব্ৰাহ্মণৰ সুৱৰ্ণক যিটো চুৰি কৰে।
যিটো দ্বিজে সুৰাপান মহাপাপ কৰে।।১৭২
যত পাপ সিজে গুৰু দাৰা গমনত।
গোৱিন্দ কীৰ্ত্তনে সত্যে সৱে হোৱে হত।।
ঘোৰ কলিযুগে পাপ উপজয় যত।
তাৱতেসে থাকে জানা ইটো শৰীৰত।।১৭৩
গোৱিন্দ কীৰ্ত্তন নৰে নকৰে যাৱত।
উচ্চৰন্তে গোৱিন্দ ত্বৰিতে হোৱে হত।।
তপ জপ যজ্ঞ আনো নানান কৰ্ম্মত।
ন্যুনাধিক ছিদ্ৰ তাত হোৱে যত যত।।১৭৪
অচ্যুতৰ নাম চয় কৰন্তে কীৰ্ত্তন।
নূন্য গুচি হোৱে সদ্যে সমস্তে পূৰণ।।
কৰ্ম্মৰ বিঘিনি নষ্ট কৰে নামে যাৰ।
অচ্যুতৰ হেন পদে কৰোঁ নমস্কাৰ।।১৭৫
যাৰ নাম গুণচয় স্মৰণ মাত্ৰত।
হোৱে মুক্ত দুৰ্ঘোৰ সংসাৰ বন্ধনত।।
জনম মৰণ দুঃখ এৰাৱে নিকাৰ।
হেনয় কৃষ্ণক সদা কৰোঁ নমস্কাৰ।।১৭৬
যিটো ঈশ্বৰক মনে কৰন্তে স্মৰণ।
যাৰ নাম গুণচয় কৰন্তে কীৰ্ত্তন।।
যত আধি ব্যাধিচয় আছে পুৰুষত।
ততকালে হোৱে আতি প্ৰলয় সমস্ত।।১৭৭
গুচে বহু দুঃখ নাম কীৰ্ত্তনতে যাৰ।
হেন অনন্তক মঞিঁ কৰো নমস্কাৰ।।
হেলা ৰূপে যাৰ নাম স্মৰণ মাত্ৰত।
তত কালে পাতক সমূহ হোৱে হত।।১৭৮
অশ্ৰোত্ৰিয় ব্ৰাহ্মণক দান দেই যত।
যেন মতে সিটো দান সৱে হোৱে হত।।
সেহি মতে জানিবা নাৰদ মহাশয়।
ঈশ্বৰক সুমৰন্তে পাপ নষ্ট হয়।।১৭৯
প্ৰভাত সময়ে যিটো গোৱিন্দ বোলয়।
উচ্চৰে গোৱিন্দ নাম মধ্যাহ্ন সময়।।
সন্ধ্যাত গোৱিন্দ নাম কীৰ্ত্তন কৰয়।
মুখ কোটি শত উপপুণ্যক পাৱয়।।১৮০
কোটি এক অযুত কৰিয়া ধেনু দান।
তাত হন্তে পুণ্য নৰে পাৱে যত মান।।
অনেক অযুত কন্যা দানক কৰয়।
তাত হন্তে পুণ্য নৰে যতেক পাৱয়।।১৮১
তীৰ্থ কোটি সহস্ৰেকে পুণ্য পাৱে যত।
ততোধিক পুণ্য পাৱে হৰি কীৰ্ত্তনত।।
কায় বাক্য মনত উপজে পাপ যত।
সিসৱ পাতক নাহি ইটো জগতত।।১৮২
কলিযুগে কীৰ্ত্তন কৰন্তে গোৱিন্দক।
কৰিবে নপাৰে দূৰ যিসৱ পাপক।।
যত মহা পাপ ৰাশি আছে পুৰুষত।
গোৱিন্দ কীৰ্ত্তনে তাক সদ্যে কৰা হত।।১৮৩
বহু জন্মাৰ্জ্জিত পাপ যতেক আছয়।
বাসুদেৱ কীৰ্ত্তনে তেক্ষণে নষ্ট হয়।।
দামোদৰ কীৰ্ত্তনে সে পৰম মঙ্গল।
দামোদৰ নামে ধন আৰ্জ্জন সকল।।১৮৪

পদ ১৭৭. গ। পা. জত আধি বৃদ্ধিচয় আছে পুৰুষৰ।পদ. ১৮০। পা. লক্ষ কোটি সতোত্তৰ পুণ্যক পাৱয়। পদ.১৮৫. ঘ। পা. মহাউচ্চ পদ ভাঙ্গি পাৱে পাপ যত। ১৮৬ ক-খ। পা. যত ভয় আছে সৰ্প বায়ু সপোনত। নাম উচ্চৰন্তে হৰি সৱ হোৱে হত।।

জীৱনৰো এহিমানে ফল সমুদায়।
দামোদৰ কীৰ্ত্তনক কৰিব সদায়।।
যতেক পাতক ৰাশি আছে পুৰুষত।
মহা উচ্চ পাপ ভাগী হোৱে পাপী যত।।১৮৫
যত ভয় আছে সৰ্প আদি নানা মত।
নাম উচ্চৰন্তে হৰি সৱে কৰে হত।।
প্ৰমাদতো যদি নৰে স্মৰণ কৰয়।
তাক যেন অগনিৰ কণায়ে দহয়।।১৮৬
এহিমতে ওষ্ঠ পুটে সুৰস কৰয়।
হৰিনামে নিৰন্তৰে পাতক দহয়।।
অগনিৰ ফুলিঙ্গ জ্বলয় যেন মত।।
সেহিমতে হৰিনাম জ্বলে হৃদয়ত।।১৮৭
যত যত আছে মহা মহা পাপ ৰাশি।
হৰিনাম বহ্নি তাক প্ৰেহ্লাৱে বিনাশি।।
প্ৰচণ্ড অগনি যেন দহে তৃণ বন।
সেহিমতে হৰিনামে দহি কৰে ছন্ন।।১৮৮
মুনীন্দ্ৰ সবৰ বন্দ্য যতেক আছয়।
তাসম্বাৰ বন্দ্য হৰি জানিবা নিশ্চয়।।
হৰ হৰ হৰ শব্দ শুনন্তে সন্তোষ।
যেন আকাশত মহা মেঘে কৰে ঘোষ।।১৮৯
বাৰে বাৰে হৰ নাম সুমৰি আদিত।
শিৱায় নমঃ পদ সমস্তৰে হিত।।
দুগুটি অক্ষৰ হৰি নাম মনোহৰ।
একবাৰ মাত্ৰ উচ্চাৰিলে যিটো নৰ।।১৯০
এতেকতে মুকুতি পদক পাইবে প্ৰতি।
ভৈল কাচপাৰ আতি সিটো মহামতি।।
অযুত সহস্ৰ ব্ৰহ্ম হত্যা যদি কৰে।
কোটি এক গুৰ্ব্বাঙ্গনা পাতক আচৰে।।১৯১
ব্ৰাহ্মণৰ অসংখ্যাত সুৱৰ্ণ হৰয়।
গোৱিন্দৰ নামে সদ্যে বিনাশ কৰয়।।
পৃথিৱী তলত যত মনুষ্য হোৱয়।
কোনো পুৰুষৰ নাম গোৱিন্দ থৰয়।।১৯২
গোৱিন্দ বুলিয়া যিটো তাৰে নাম লয়।
এতেকতে তাৰো পাপ বিনাশ কৰয়।।

বাসুদেৱ ঈশ্বৰক নিচিন্তে মনত।
আত পৰে মহা হানি নাহি জগতত।।১৯৩
উপসৰ্গ পীড়া আত পৰে নাহি আন।
ইহাকেসে বুলি মহা অভাগ্য প্ৰধান।।
ধ্ৰুৱৰ বচনে দেখাইলোঁহো বিদ্যমান।
জানি বাসুদেৱক কৰিয়ো মনে ধ্যান।।১৯৪
সেহি স্কন্দ পুৰাণত কাশি মাহাত্ম্যত।
শুনিয়োক হৰে আছৰন্ত যেন মত।।
বাৰাণসী নিবাসী জটিল মহেশ্বৰ।
পন্থে পন্থে আনন্দে ভ্ৰমন্ত নিৰন্তৰ।।১৯৫
মহাজন সৱে হৰি কীৰ্ত্তন কৰন্ত।
কৰ্ণাঞ্জলি ভৰি তাক সন্তোষে পিয়ন্ত।।
পৰম তাৰক ব্ৰহ্মৰূপ মনে ধৰি।
নিৰ্ভৰ আনন্দে সদা ফুৰে ধ্যান কৰি।।১৯৬
প্ৰকৃতিৰ বিকাশ যতেক প্ৰাণীগণ।
মিলে যিকালত কাশী থানত মৰণ।।
তাৰ কৰ্ণমূলত জপন্ত ৰাম নাম।
দেন্ত জ্ঞান আপুনি জানিবি তত্রিঃ ৰাম।।১৯৭
ব্ৰহ্মৰূপ কেৱলে আপুনি মহেশ্বৰ।
তেন্তো হৰি ভকতি কৰন্ত নিৰন্তৰ।।
হেন হৰি ভকতি নকৰি মূঢ় নৰে।
নজানোহোঁ কিমতে যাতনা দুঃখ তৰে।।১৯৮
শুনিয়ো মহিমা আৰে ৰুদ্ৰৰ নামৰ।
কীৰ্ত্তন কৰিয়া যেন ফল পাৱে নৰ।।
ধেনু সহস্ৰেক নৰে কৰিয়া প্ৰদান।
অশ্বমেধ শতেক কৰিয়া বিদ্যমান।।১৯৯
আত হন্তে পুণ্য নৰে পাৱে যত যত।
অনায়াসে পাৱে তাক ৰুদ্ৰ কীৰ্ত্তনত।।
যজ্ঞৰাজ অশ্বমেধ যজ্ঞৰ শেষত।
কৰি স্নান অবভৃত তীৰ্থৰ জলত।।২০০
ব্ৰহ্মবধি জনো হোৱে মুকুত যিমতে।
ৰুদ্ৰ নাম কীৰ্ত্তন কৰিয়া সেহিমতে।।
কিন্তু তাত কৰি আত ফলত অধিক।
পাৱে অনায়াসে গৈয়া উত্তম গতিক।।২০১

পাপ কৰি অনুতাপ উপজিল যাৰ।
একে ৰুদ্ৰ নামো মোক্ষ প্ৰায়শ্চিত্ত তাৰ।।
ইহাক জানিয়া ৰুদ্ৰ নাম যিটো জন।
কৰে অহর্নিশে মনে সম্যকে স্মৰণ।।২০২
হোৱে শুদ্ধ কৰি ক্ষীণ নিঃশেষ পাপক।
কদাচিতো সিটো আৰু নযায় নৰকক।।
স্কন্দ পুৰাণৰ কথা থৈলোহোঁ সাম্প্ৰত।
শুনা নাম মহিমা বামন পুৰাণত।।২০৩
পূৰ্ব্ব জনমৰ পাপ সমূহ অনেক।
ব্যতিপ্যাতাদিতো দোষ হোৱয় যতেক।।
আনো দুৰ্নীতিত হন্তে যত উপজয়।
আনো নানাবিধ দোষ যতেক আছয়।।২০৪
পুৰুষৰ উপদ্ৰৱ আছে যতমান।
বিষ্ণুনাম কীৰ্ত্তনত হোৱয় নিৰ্যাণ।।
অশ্বমেধ আদি যজ্ঞে যজি যেনমত।
সেহি মতে নৰমেধ যজি পাৱে যত।।২০৫
দুতয় অক্ষৰ হৰি নামক উচ্চৰি।
সি সৱ সকলে পাৱে জানা নিষ্ঠ কৰি।।
যত পুণ্য সহস্ৰেক কোটি তীৰ্থ স্নানে।
যত পুণ্য পাৱে শত কোটি মহাদানে।।২০৬
বিষ্ণু নাম কীৰ্ত্তন কৰন্তে নিৰন্তৰে।
সিসৱ সমস্তে পুণ্য পাৱে সিটো নৰে।।
মহাবৰ দাতা কৃষ্ণ দেৱ মহেশ্বৰ।
যাহাৰ নাভিত পদ্ম ভৈল শ্ৰেষ্ঠতৰ।।২০৭
শঙ্খ চক্ৰ গদা পদ্ম ধৰিয়া সাক্ষাতে।
শৰ চাপ খৰ্গ প্ৰকাশয় যাৰ হাতে।।
লক্ষ্মীৰ বদনপদ্ম অতি শ্ৰেষ্ঠতৰ।
তাৰ মধু পানে যিটো সাক্ষাতে ঈশ্বৰ।।২০৮
যাৰা সৱে কৰে তাঙ্ক কীৰ্ত্তন সততে।
তেন ফলপাৱে তাঙ্ক শুনিয়ো বেকতে।।
যিটো হৰি মাৰি আছে মধু দানৱক।
যাইবেক নিশ্চয়ে তাপ তানে সদনক।।২০৯
পৰব্ৰহ্ম পুৰাণ পুৰুষ সৰ্ব্বেশ্বৰ।
অনাদি অনন্ত হৰি অজৰ অমৰ।।
যিটো মহাজন সৱে ইটো পৃথিৱীত।
একচিত্তে তাহাঙ্ক স্মৰন্ত নিতে নিত।।২১০
তেজে তাৰ সৱক সংসাৰ মহাদুঃখে।
বিষ্ণুৰ অব্যয় পদ পাৱে মহা সুখে।।
যিসৱ মনুষ্য ৰাগ শূন্য শুদ্ধ চিত্ত।
বিচাৰত চতুৰ জানন্ত নিত্যানিত্য।।২১১
দেৱতাৰ গুৰু নাৰায়ণ ভগৱন্ত।
তাহাঙ্ক মনত ধৰি সদায় স্মৰন্ত।।
তাৰা সৱে শুদ্ধ চিত্ত হোন্ত আতিশয়।
ধৌত পাণ্ডুৰ পট ৰাজহংস নয়।।২১২
কি কহিবোঁ ভাগ্যৰ মহিমা তাসম্বাৰ।
সংসাৰ সাগৰ জলে সুখে হোৱে পাৰ।।
মহাজন সৱে কথা কহে পৃথিৱীত।
নাৰায়ণ নাম ইটো চোৰ বিপৰীত।।২১৩
অনেক জন্মৰ যত আছে পাপ মল।
স্মৰণ মাত্ৰকে তাক হৰয় সকল।।
আন চোৰে অনেক যতনে চুৰি কৰে।
নাৰায়ণ নামে স্মৰণতে পাপ হৰে।।২১৪
জানি নাৰায়ণ নাম আছড়িবা মুখে।
পাপ ক্ষয় কৰি গতি লভিবাহা সুখে।।
নামৰ মহিমা কোনে পাৱে বৰ্ণাইবাক।
কূৰ্ম্মপুৰাণত যেন কহে শুনা তাক।।২১৫
কোটি এক কপিলা দ্বিজক কৰি দান।
তাত হন্তে পুণ্য নৰে পাৱে যত মান।।
অজুতেক কন্যাদান কৰি পুণ্য তত।
পাৱে তাক নৰে সুখে হৰি কীৰ্ত্তনত।।২১৬
যিটো নৰ মহাত্মা পৰম ভক্তিভাৱে।
থিৰ চিত্তে গোৱিন্দ নামক সদা গাৱে।।
সহস্ৰেক গুৰুৰ ভাৰ্য্যাৰ গমনত।
উপজিয়া আছে তাত মহাপাপ যত।।২১৭
সি সৱ পাপত হন্তে হোৱয় মোচন।
মহাশুদ্ধ হুয়া নেৰে গোৱিন্দ কীৰ্ত্তন।।
জানিবা নিশ্চয়ে ইটো পৃথিৱী তলত।
পৰম পাৱনকাৰি তীৰ্থ আছে যত।।২১৮

কৃষ্ণ কীৰ্ত্তনত যেন পুণ্য উপজয়।
তীৰ্থ পুণ্যে তাক কদাচিতো তুল্য নয়।।
কৈলোঁ কূৰ্ম্ম পুৰাণত নাম মহিমাক।
মৎস্য পুৰাণত যেন কহে শুনা তাক।।২১৯
যিটো মহাপাপী নৰে হৰে পৰ দাৰ।
সৰ্ব্বদায় পৰক কৰয় অপকাৰ।।
সিয়ো জনে হৰিনাম কীৰ্ত্তন কৰন্তে।
হোৱে শুদ্ধ সিটো সৱে পাতকত হন্তে।।২২০
হৰিনাম কীৰ্ত্তনক নেৰয় মুখত।
হোৱয় মুকুত সিটো সংসাৰ দুঃখত।।
নাম মালিকাৰ পদ শুনা নিৰন্তৰ।
নামৰ মহিমা নানাবিধ পুৰাণৰ।।২২১
উচ্চ নীচ ৰূপে ফল কহিয়া আছয়।
নকৰিবা আত কিছু মনত সংশয়।।
শাস্ত্ৰকৰ্ত্তা যত মহা মুনীন্দ্ৰ মহন্ত।
হৰিৰ নামৰ নানা ফল কহিলন্ত।।২২২
নাম মত পাত্ৰ দেখি মনুষ্য লোকত।
তাৰ অনুৰূপে কৈলা নামৰ মহত।।
অবিদ্যা মোহিত নৰে হৰিক নভজে।
নানা ফল কামে নানা দেৱতাক যজে।।২২৩
কতোহো ধৰয় ফল কতোহো নধৰে।
কেৱলে গুণৰ কৰ্ম্মে বন্দী মাত্ৰ কৰে।।
সেহি ফল কামে যজি ভজস কৃষ্ণক।
ফলো হোৱে সিদ্ধি সুখে তৰে সংসাৰক।।২২৪
নানাবিধ ঈশ্বৰৰ ভকতি আছয়।
তাতে শ্ৰেষ্ঠতৰ হৰিনাম অতিশয়।।
নানাবিধ ফলশ্ৰুতি কহিলা নামৰ।
শুনিয়া নামত প্ৰৱৰ্ত্তিব নিৰন্তৰ।।২২৫
সৱে তেজি হৰিনাম কীৰ্ত্তন কৰিব।
ফল ভোগ কৰি সুস্থে সংসাৰ তৰিব।।
একোৱে বিঘিনি নাহি হৰিৰ নামত।
হৰিনাম কীৰ্ত্তনেসে বিঘ্নি কৰে হত।।২২৬
এতেকেসে জানা হৰি নামৰ কীৰ্ত্তনে।
কৰে ফল সিদ্ধি যাৰ যেন লৱে মনে।।

এতেকেসে মুনিগণে কৈলা নানা ফল।
শুনি মহাজনে আত নুহিবা বিকল।।২২৭
কৰিয়ো আনন্দে হৰিনামৰ কীৰ্ত্তন।
এহিমানে মাত্ৰ ভকতৰ মহাধন।।
জানি নাম মুখত নেৰিবা অৱিশ্ৰাম।
কহয় মাধৱে ডাকি বোলা ৰাম ৰাম।।২২৮

**ছবি**

মৎস্য পুৰাণত হৰি নামৰ মহিমা কহি
প্ৰসঙ্গ কৰিয়া সমাপত।
শুনিয়োক পুনৰপি নামৰ মহিমা যেন
কহয় গৰুড় পুৰাণত।।
সত্য যুগে কায় বাক্যে মনক নিয়মি নৰে
পাৱে ফল যেন ধ্যান কৰি।
ত্ৰেতা যুগে যেন ফল পাৱয় মহন্ত সৱে
নানাবিধ যজ্ঞে যজি হৰি।।২২৯
নানাবিধ তন্ত্ৰে মন্ত্ৰে ঈশ্বৰক পূজা কৰি
পাৱে যেন ফল দ্বাপৰত।
সি সৱ সকলে ফল পাৱে অনায়াসে নৰ
কলিযুগে হৰি কীৰ্ত্তনত।।
কেৱলে দোষৰ নিধি কলিযুগে তথাপিতো
আছে এক মহাগুণ আত।
হৰিনাম কীৰ্ত্তনতে সংসাৰ বন্ধত মুক্ত
হুয়া পাৱে কৃষ্ণক সাক্ষাত।।২৩০
অপৱিত্ৰ হৌক নৰ পৱিত্ৰ হৌক বা যদি
গৈয়া আছে সৱে অৱস্থাক।
যিজনে পুণ্ডৰীকাক্ষ বোলয় পৰম শুদ্ধ
বাহিৰে ভিতৰে কৰে তাক।।
মহৎ তপৰ ফল হৰিৰ স্মৰণ মাত্ৰ
পুণ্য সন্ততিৰ জন্মস্থান।
জীৱনৰ স্বাদ ফল হৰিৰ স্মৰণে নিষ্ঠ
শাস্ত্ৰত নিয়ম এহিমান।।২৩১
তপ পুণ্য জন্ম ফল সমস্তৰে হৌক সিদ্ধ
কৰিয়োক হৰিক স্মৰণ।
অম্বৰিষ নৃপতিৰ আগত শুনিয়ো যেন
মহা ঋষি শৌনক বচন।।

অম্বৰিষ শুনিয়োক পৰম কল্যাণ ৰূপ
ভক্তিভাৱে মোহৰ বচন।
ধৰ্ম্ম অৰ্থ কাম মোক্ষ সৱাহাৰে সিদ্ধি হেতু
কৰিয়োক গোৱিন্দ কীৰ্ত্তন।।২৩২
শুনিয়ো ৰাজেন্দ্ৰ তুমি পৰম জ্ঞানক ইচ্ছা
কৰা যদি থিৰ কৰি মন।
জ্ঞান হন্তে পৰম্পদ লভিবা আদৰে তেৱে
কৰা সদা গোৱিন্দ কীৰ্ত্তন।।
ব্ৰহ্মহত্যা আদি কৰি পাতকৰ ক্ষয় ইচ্ছা
কৰা তুমি নৃপতি মনত।
ইন্দ্ৰিয় সমূহ তেৱে নিয়মি গোৱিন্দ নাম
কৰিয়োক কীৰ্ত্তন সতত।।২৩৩
ৰাজ্যক কৰাহা ইচ্ছা নুহিবা বিপুল ভোগ
কৰা ইচ্ছা বিশিষ্ট পুত্ৰক।
আনোৱা সম্পদে ইচ্ছা থাকে সদা মহা যত্নে
কীৰ্ত্তন কৰিয়ো গোৱিন্দক।।
কৰা ইচ্ছা তুমি যেৱে পূৰ্ব্ব জনমৰ যত
আছে পাপ সৱে ক্ষয় হৌক।
তোম্হাৰ কৰ্ত্তব্য তেৱে গোৱিন্দ নামক ৰাজা
সদায় কীৰ্ত্তন কৰিয়োক।।২৩৪
ৰণ সময়ত যেৱে ৰিপুক জিনিবে প্ৰতি
আছে ইচ্ছা নৃপতি তোম্হাৰ।
এক চিত্ত মনে তেৱে গোৱিন্দ নামক নিতে
কীৰ্ত্তন কৰিয়ো বাৰম্বাৰ।।
সহস্ৰেক বাজপেয় যজ্ঞৰ ফলক পাইবে
যদি তযু মনে ইচ্ছা কৰে।
প্ৰভাতে উঠিয়া নিতে গোৱিন্দ নামক তেৱে
কীৰ্ত্তন কৰিয়ো নিৰন্তৰে।।২৩৫
গুৰু ভাৰ্য্য হৰণত নিজ মাতৃ গমনত
সিজে মহাপাপ যত যত।
সিটো মহাপাপ সৱ সমস্তে বিনাশ যায়
গোৱিন্দ গোৱিন্দ কীৰ্ত্তনত।।
সাংখ্য অষ্টাঙ্গ যোগে কিবা কাৰ্য্য কৰিবাহা
মুকুতিক যেৱে আছে চিত্ত।
শুনিয়ো ৰাজেন্দ্ৰ তেৱে গোৱিন্দ নামক তুমি
কীৰ্ত্তন কৰিয়ো প্ৰতিনিত।।২৩৬

অভক্ষ্য ভক্ষণে পাপ উপজে অযোগ্য দান
গ্ৰহণত যত পাপ হয়।
শুনিয়ো নৃপতি তুমি গোৱিন্দ কীৰ্ত্তনে সিটো
পাপ চয় হোৱয় প্ৰলয়।।
অম্বৰিষ শৌনকৰ সম্বাদ সংহৰি থৈলোঁ
কহি নানা নামৰ মহত।
শুনিয়োক আত পৰে নামৰ মহিমা যত
কহিছে ব্ৰহ্মাণ্ড পুৰাণত।।২৩৭
সৰ্ব্ব অৰ্থ শক্তি যুক্ত দেৱৰো দেৱতা হৰি
চক্ৰ যাৰ প্ৰকাশয় হাতে।
তান মনোহৰ নাম যতেক কৰ্ত্তব্য কাৰ্য্যে
নিয়োজন কৰিব সৱাতে।।
অহৰ্নিশে যিটোজনে পৰম আনন্দ মনে
ৰাম ৰাম বুলিয়া জপয়।
কোটি এক কুল সিটো মহাপাতকত হন্তে
উদ্ধাৰিয়া স্বৰ্গক নিয়য়।।২৩৮
মহাপাপ যুক্ত হুয়া অহৰ্নিশ যিটো নৰে
হৰিনাম কীৰ্ত্তন কৰয়।
শুদ্ধচিত্ত হুয়া সিটো মুকুতি পদক পায়
ইটো সত্য জানিবা নিশ্চয়।।
পুৰাণক বিচাৰিয়া নামৰ মহিমা শ্লোক
লিখিয়া কৰিলে একঠাই।
পুৰাণৰ প্ৰসঙ্গক সম্বৰি লিখিলো আৰু
নানা উপপুৰাণক চাই।।২৩৯
প্ৰথমতে বৃহৎ বিষ্ণু পুৰাণত যেন মত
কহি আছে মহিমা নামৰ।
তাক থিৰ মন কৰি হৰিক মনত ধৰি
শুনা সামাজিক নিৰন্তৰ।।
হৰিনাম পৰিহৰি নানা কৰ্ম্ম ধৰ্ম্ম কৰি
যদি নৰে স্বৰ্গক পাৱয়।
বিনাশি কৰ্ম্মৰ ফল ভুঞ্জি ক্ষয় কৰি পুনু
সংসাৰত পৰয় নিশ্চয়।।২৪০
ঈশ্বৰৰ বাসুদেৱ নামৰ জাপ্যেসে জানা
অতি মহাধৰ্ম্ম নিৰুপম।
সংসাৰ নিকাৰ বঞ্চে অক্ষয় পুণ্যক সঞ্চে
মুকুতিৰ বীজ অনুত্তম।।

এতেকেসে স্বৰ্গ পদে বাসুদেৱ নাম জাপ্য
জানিবাহা মহত অন্তৰ।
স্বৰ্গ হন্তে পৰে পুনু বাসুদেৱ নাম জপি
উত্তম মুকুতি পাৱে নৰ।।২৪১
ঈসৱ প্ৰসঙ্গ থএঁো শুনা পুনৰপি কএঁো
ঈশ্বৰৰ নামৰ মহিমা।
যত পাপ হৰিবাক পাৰয় হৰিৰ নামে
কহি কোনে কৰিবেক সীমা।।
যেন মহা অগনিক তৃণবনে নোজোতয়
দহি ভস্ম কৰে নিৰন্তৰে।
ততেক পাতেক পাপী কৰিবাক নপাৰয়
হৰিনামে যত পাপ হৰে।।২৪২
অনন্ত শকতি নাম ধৰ্ম্ম মাজে অনুপাম
জানি আৰ নেৰিবা কীৰ্ত্তন।
আৰু যেন ফলান্তৰ সাধয় হৰিৰ নামে
শুনা তাক থিৰ কৰি মন।।
হৰিনাম কীৰ্ত্তনেসে সমস্তে ৰোগক হৰে
কৰে দুষ্ট উপদ্ৰৱ যত।
যতেক আছয় ৰিষ্ট সৱাকে কৰয় শান্তি
হৰে দোষ আনো নানামত।।২৪৩
গঙ্গাৰ সমান তীৰ্থ নাহিকয় পৃথিৱীত
নাহি দেৱ কেশৱত পৰ।
ৰাম কৃষ্ণ হৰি ইটো ত্ৰিতয় নামৰ সম
নাহি মন্ত্ৰ শোধক পাপৰ।।
ঈশ্বৰত ভক্তি যুক্ত হুয়া ৰাম কৃষ্ণ হৰি
নামক কীৰ্ত্তন সদা কৰে।
সমস্ত পাপত হন্তে মুক্ত হুয়া মহাসুখে
বিষ্ণুলোকে পাৱে সিটো নৰে।।২৪৪
হেন ৰাম কৃষ্ণ হৰি নামে আছে জগভৰি
মুখে মুখে বচনো আছয়।
তথাপিতো নুসুমৰে সংসাৰত ভ্ৰমি সৰে
ইসি বিপৰীত আতিশয়।।
যতলোক সমজ্যাৰ পদ নাম-মালিকাৰ
শুনি মনে হুয়োক সন্তোষ।
যাউক চয় দুখ জাৰ হৌক পাপী মষিমুৰ
ঘনে ঘনে কৰা হৰিঘোষ।।২৪৫

**পদ**

বৃহৎ বিষ্ণুপুৰাণত মহিমা নামৰ।
কহিলেক যেন শুনিলাহা নিৰন্তৰ।।
নৰসিংহ পুৰাণত যিমত কহয়।
কৰোঁহো বেকত শুনা সভাসদ চয়।।২৪৬
পৰম ঈশ্বৰ দেৱ প্ৰভু মহেশ্বৰ।
আপুনি মহিমা কন্ত আপোন নামৰ।।
কৃষ্ণ কৃষ্ণ কৃষ্ণ বুলি মোক যিটো নৰে।
পৰম শ্ৰদ্ধায়ে প্ৰতি দিৱসে সুমৰে।।২৪৭
নৰকত হন্তে তাক কৰোঁহো উদ্ধাৰ।
শুনিয়োক যেন মত পটন্তৰ আৰ।।
জলক ভেদিয়া যেন পদ্ম বাজ হয়।
মোৰ নাম গ্ৰাহিক উদ্ধাৰোঁ সেহি নয়।।২৪৮
গোবিন্দ পুন্দৰীকাক্ষ নৰসিংহ নাম।
ত্ৰিবিক্ৰিমে সমে চাৰি নাম অনুপাম।।
যিজনে কৰয় মুখে সততে কীৰ্ত্তন।
হে কৃষ্ণ লৈলোঁ মঞিঁ তোহ্মাত শৰণ।।২৪৯
এহিমতে ভক্ত ভৈল যিজন আহ্মাৰ।
সংসাৰ দুঃখত হন্তে কৰোঁহো উদ্ধাৰ।।
হে প্ৰভু দেৱৰো দেৱতা জনাৰ্দ্দন।
তোমাত শৰণাপন্ন ভৈলো নাৰায়ণ।।২৫০
এহিমতে লৈল মোত শৰণ যিজনে।
দুঃখময় সংসাৰত উদ্ধাৰো তেখনে।।
কৃষ্ণে কহিলন্ত যত নামৰ মহত্ব।
এহি কথা যমে কৈলা দূতৰ আগত।।২৫১
কৃষ্ণৰ বচন যমে কহন্তে দূতত।
শুনিলা নাৰকী লোকে যমৰ মুখত।।
নামৰ মহিমা শুনি মনত সন্তোষে।
কৃষ্ণ কৃষ্ণ বুলিয়া নাৰকী লোকে ঘোষে।২৫২
কৃষ্ণ কৃষ্ণ নৰসিংহ বুলি ছাড়ে ডাক।
পশিলোঁ শৰণে কৃষ্ণ উদ্ধাৰা আমাক।।
যেন যেন মতে হৰি কীৰ্ত্তন কৰিল।
সেহি সেহি মতে হৰি ভকতি লভিল।।২৫৩
হৰি ভক্তিযুক্ত হুয়া নৰক দুঃখক।
এৰায়া আনন্দে গৈল বৈকুণ্ঠ লোকক।।

হৰিৰ নামৰ দেখা মহিমা অদ্ভুত।
নাৰকীকো কৃষ্ণ নামে কৰিলে মুকুত।।২৫৪
হেন জানি আছে যাৰ গাৱত চেতন।
ভাষভুষ তেজি তৰা কৃষ্ণৰ কীৰ্ত্তন।।
প্ৰসঙ্গ সংহৰি নৰসিংহ পুৰাণৰ।
বৃহৎ নৰসিংহত শুনিয়ো আতপৰ।।২৫৫
ইন্দ্ৰিয়ক নিয়ম কৰিয়া যিটোজন।
প্ৰতি দিনে দিনে কৰে গোৱিন্দ কীৰ্ত্তন।।
এতেকতে সমস্তে পাপতে মুক্ত হয়।
সূৰ্য্য যেন প্ৰকাশ কৰয় আতিশয়।।২৫৬
আতপৰে শুনিয়ো আদিত্য পুৰাণত।
যিমত কহিয়া আছে নামৰ মহত।।
হৰি কীৰ্ত্তনত যত পুণ্য উপজয়।
মহা পাতকক সেহি পুণ্যে বিনাশয়।।২৫৭
সৰ্ব্বকাম প্ৰদ হৰি নামৰ কীৰ্ত্তনে।
জানি ইটো লোকত যি সৰ মহাজনে।।
সমস্তে তেজিয়া হৰি নামক গাৱয়।
কল্যাণ স্বৰূপ পৰম্পদক পাৱয়।।২৫৮
আঙ্গিৰস পুৰাণত শুনা আতপৰে।
সংসাৰক মহাভয় হুয়া যিটো নৰে।।
বাসুদেৱ মাত্ৰ মাত্ৰ সদা উচ্চাৰয়।
এতেকতে সংসাৰত হন্তে মুক্ত হয়।।২৫৯
বিষ্ণুৰ পদক গৌয়া পাৱে আনন্দত।
নকৰিবা আত কিছু সংশয় মনত।।
বায়ু পুৰাণত শুনিয়োক আতপৰ।
কহয় প্ৰভাৱ যেন ঈশ্বৰ নামৰ।।২৬০
পৰম হৰিষে আতি যিটো মহাশয়।
নমো নাৰায়ণ বুলি কীৰ্ত্তন কৰয়।।
গুৰু ভাৰ্য্যা শত যদি হৰিয়া থাকয়।
সিসৰ পাপত হন্তে সদ্যে মুক্ত হয়।।২৬১
হৰি থাকে ব্ৰাহ্মণৰ বহু চিত্তচয়।
হৰি বুলি যিকালত কীৰ্ত্তন কৰয়।।
সিসৰ সকল পাপ জানিবা নিশ্চয়।
হৰিৰ কীৰ্ত্তন বহ্নি ত্বৰিতে দহয়।।২৬২
যেন বহ্নি কাষ্ঠচয় দহি ভষ্ম কৰে।
জানি হৰি কীৰ্ত্তন কৰিয়ো নিৰন্তৰে।।

ব্ৰহ্মাণ্ড শতেক দানে পাৱে যত ফল।
গোৱিন্দ কীৰ্ত্তনে তাক পাৱয় সকল।।২৬৩
পাপ নষ্ট কৰে পুণ্য ফলক পাৱয়।
হৰিৰ নামৰ ইটো অদভূত নয়।।
যিহেতু হৰিৰ নাম কীৰ্ত্তন কৰিয়া।
চাণ্ডালো মুকুত হোৱে সংসাৰ তৰিয়া।।২৬৪
হৰি কীৰ্ত্তনৰ জানা মহিমা অনন্ত।
বেদগণো কহি যাৰ নপাৱন্ত অন্ত।।
উপনিষদৰো ইটো পৰম সন্মত।
জানিয়া কৰিয়ো ৰতি হৰি কীৰ্ত্তনত।।২৬৫
মহাভাৰতত যত হৰিৰ নামৰ।
কহিছে মহিমা তাক শুনা আতপৰ।।
উদ্যোগ সময়ে কৃষ্ণ সভাৰ মধ্যত।
আপোন নামৰ কন্ত আপুনি মহত।।২৬৬
যুধিষ্ঠিৰ মুখ্যকবি যত ৰাজাগণ।
সৱাকো সম্বোধি কৃষ্ণে বোলন্ত বচন।।
শুনিয়োক নৃপতিগণ বচন আমাৰ।
যিকালত দুষ্ট দুঃশাসন দুৰাচাৰ।।২৬৭
সভামধ্যে দ্ৰোপদীক বিৱস্ত্ৰ কৰয়।
বিৱস্ত্ৰ লজ্জাক দ্ৰোপদীৰ ভৈলা ভয়।।
দেখিলন্ত পাণ্ডো পতি নিষ্প্ৰভ প্ৰতাপ।
পাণ্ডোজন ভৈলন্ত নিৰ্ব্বিষ যেন সাপ।।২৬৮
সমজ্যাত মোক নেদেখিলা বিদ্যমান।
গুণন্ত আমাক কোনে কৰিবেক ত্ৰাণ।।
বিচাৰিয়া মনে পাচে কৰিলন্ত সাৰ।
গোৱিন্দ বিনাই মোৰ নাহিকে নিস্তাৰ।।২৬৯
দেখিলে যদ্যপি মঞিঁ আছোঁ বিদূৰত।
তথাপি গোৱিন্দ বুলি স্মৰন্ত মনত।।
উচ্চ কৰি গোৱিন্দ গোৱিন্দ উচ্চাৰন্ত।
শুনি সমজ্যাৰ লোক আশ্চৰ্য্য ভৈলন্ত।।২৭০
শৰীৰেসে মাত্ৰ মঞিঁ আছোঁ বিদূৰত।
সুমৰন্তে ভৈলোঁ তান হিয়াত বেকত।।
কিমতে লজ্জাক ৰাখো হেন মনে গুণি।
বস্ত্ৰৰূপ তান মঞিঁ ভৈলোহোঁ আপুনি।।২৭১
কোনো জনে তান একো অঙ্গ নেদেখিল।
সভাৰ লোকৰ মনে আশ্চৰ্য্য মিলিল।।

কৰিলন্ত বশ্য মোক নামৰ কীৰ্ত্তনে।
শ্ৰৱণ মাত্ৰকে প্ৰৱেশিলা মোৰ মনে।।২৭২
শুনা স্বৰূপত যত লোক সমজ্যাৰ।
হৃদয়ৰ পৰা মোৰ নুগুচন্ত আৰ।।
যিহেতু দ্ৰৌপদী নজানিলা মঞিঁ বিনি।
এতেকে তাহান মঞিঁ হুয়া আছোঁ ঋণি।।২৭৩
তাহান শত্ৰুৰ যেৱে নিচিন্তোহোঁ আৰ।
তাৱত নুগুচে মোৰ দ্ৰৌপদীৰ ধাৰ।।
এহিমানে সম্বৰিলো বচন কৃষ্ণৰ।
ভগৱদ্‌গীতাত শুনিয়ো আতপৰ।।২৭৪
যিটো ভৈল একান্তিক কৃষ্ণৰ ভকত।
কৰন্ত প্ৰকাশ কৃষ্ণ তাহাৰ মনত।।
ঈশ্বৰ সৰ্ব্বথা তাক নপাসৰে মনে।
ভকতৰ হিত মাত্ৰ চিন্তে সৰ্ব্বক্ষণে।।২৭৫
কৃষ্ণত বিনাই সাৰ নাহি ভকতৰ।
ভকতটো পৰে সাৰ নাহিকে কৃষ্ণৰ।।
সমস্তে শাস্ত্ৰৰ সাৰ জানা এহিমান।
কৃষ্ণৰ বচন লৈয়ো প্ৰত্যক্ষ প্ৰমাণ।।২৭৬
কহন্ত মাধৱে নিজ ভক্ত অৰ্জ্জুনত।
শুনিয়ো অৰ্জ্জুন মোৰ ভক্তিৰ মহত।।
যিটো জনে লৈয়া মোত একান্ত শৰণ।
মোৰ গুণ নাম কৰে সততে কীৰ্ত্তন।।২৭৭
দৃঢ় ব্ৰত ধৰি পূজা কৰে নিৰন্তৰে।
ভক্তিভাৱে মোক মাত্ৰ নমস্কাৰ কৰে।।
পৰম নিয়ত চিত্ত হুয়া অতিশয়।
সৱে তেজি মোকে মাত্ৰ উপাসা কৰয়।।২৭৮
এহিমতে ভক্তি মোত কৰে যিটো জনে।
কদাচিতো তাক মঞিঁ নপাসৰোঁ মনে।।
মোত পৰেৱভক্তে চিত্ত নেদয় আনত।
মোকেসে নিৰ্ম্মল মনে স্মৰয় সতত।।২৭৯
নিত্য নিয়ত চিত্ত হুয়া সৰ্ব্বক্ষণে।
মোৰ ভক্তি যুক্ত হুয়া মোক চিন্তে মনে।।
যদ্যপি অৰ্জ্জুন মঞিঁ পৰম দুৰ্ল্লভ।
সিটো ভকতৰ হওঁ অত্যন্ত সুলভ।।২৮০
পৰম অভ্যাস যোগ যুক্ত হুয়া চিত্তে।
অনন্য শৰণে মোক যিটো চিন্তে নিতে।।
দিনে দিনে চিন্তন্তে বাঢ়য় অনুৰাগ।
নেৰয় চিত্তত মোক সিটো মহাভাগ।।২৮১
নোচোৱে অৰ্জ্জুন তাক সংসাৰৰ দুঃখে
পৰম পুৰুষ দিব্য মোক পাৱে সুখে।।
এহিমানে সম্বৰিলোঁ কৃষ্ণৰ বচন।
অৰ্জ্জুনৰ বাক্য শুনা থিৰ কৰি মন।।২৮২
মাধৱৰ বিশ্বৰূপ অৰ্জ্জুনে আকলি।
নম্ৰভাৱে বচন বোলন্ত কৃতাঞ্জলি।।
হে হৃষীকেশ প্ৰভু দেৱ মহেশ্বৰ।
তযু নাম কীৰ্ত্তন কৰন্তে নিৰন্তৰ।।২৮৩
সমস্তে জগতে আতি হৰিষ কৰয়।
বাঢ়ে অনুৰাগ মনে সন্তোষ মিলয়।।
তোমাৰ কীৰ্ত্তন আতি পৰম অগনি।
তাৰ শিখা লাগে যক্ষ ৰাক্ষসক চানি।।২৮৪
সহিতে নপাৰে গাৱ দগ্ধ আতি কৰে।
দশোদিশে ভাগি পলায় যায় নিৰন্তৰে।।
নাম কীৰ্ত্তনক শুনি সিদ্ধগণ যত।
কৰে নমস্কাৰ আতি হুয়া অৱনত।।২৮৫
কাহাৰো সন্তোষ তযু নাম কীৰ্ত্তনত।
কেহো কেহো মহা দুঃখ পাৱয় মনত।।
ইটো আতিশয় প্ৰভু অদভুত নয়।
পৰম যুগুত ইসে মোৰ মনে লয়।।২৮৬
গীতাৰ প্ৰসঙ্গ সংহৰিলো এহিমানে।
ভাৰত বিভাগে আৰে শুনা সাৱধানে।।
যদি ভৈল বিহীন লক্ষণ নিৰন্তৰে।
সমস্ত পাতক যুক্ত যদি হোৱে নৰে।।২৮৭
সেৱক ভাৱনা চিত্তে কৰন্তে কেৱল।
হৰয় সস্তে সিটো পাপ অমঙ্গল।।
যাৱা সৱে কৃষ্ণতেসে হুয়া অৱনত।
কৃষ্ণকেসে অনুক্ষণে স্মৰয় মনত।।২৮৮
ৰাত্ৰিতো কৃষ্ণক মাত্ৰ স্মৰে নিৰন্তৰে।
প্ৰভাতে উঠিয়া পুনু কৃষ্ণক সুমৰে।।
অনায়াসে তৰে যত সংসাৰৰ ক্লেশ।
শৰীৰ তেজিয়া হন্ত কৃষ্ণত প্ৰৱেশ।।২৮৯
দ্বিজগণে মন্ত্ৰক উচ্চাৰি দেন্ত ঘৃত।
সিটো হোম হোৱে যেন প্ৰৱেশ বহ্নিত।।

কৃষ্ণক সুমৰি গৌয়া প্ৰৱেশে কৃষ্ণত।
দৃষ্টান্ত সহিতে আক কৰিলো বেকত।।২৯০
নাম কীৰ্ত্তনৰ আৰু শুনা ফলান্তৰ।
হৰি হেন নাম ইটো দুগুটি অক্ষৰ।।
হৰি হৰি বুলি যিটো কৰয় কীৰ্ত্তন।
পৰম কৃতাৰ্থ আতি হোৱে সিটো জন।।২৯১
যি কালত প্ৰাণীগণে প্ৰয়াণ কৰয়।
পুণ্যৰ সম্বল হৰি নামেসে অক্ষয়।।
নাহি মহা ব্যাধি আৰ সংসাৰত পৰে।
হৰিনাম ঔষধেসে তাক দূৰ কৰে।।২৯২
মনুষ্যৰ দুঃখ শোক সাগৰ সমান।
হৰিনাম নাৱেসে কৰয় পৰিত্ৰাণ।।
সংসাৰ সাগৰ তৰিবাক যাৰ চিত্ত।
হৰিনাম কীৰ্ত্তন নেৰিব কদাচিত।।২৯৩
আৰু শুনা হৰিনাম কীৰ্ত্তনৰ ফল।
হৰিনাম কীৰ্ত্তনেসে পৰম মঙ্গল।।
মাতৃ পিতৃ গো দ্বিজ গুৰু আছে মাৰি।
ইসৱ প্ৰমুখ্যে যত পাপী অহঙ্কাৰী।।২৯৪
চণ্ডাল প্ৰমুক্ষে অন্ত্যজ আছয়।
হৰিনাম কীৰ্ত্তনে সমস্তে শুদ্ধ হয়।।
যি সৱ গৃহত নিতে মহাজন চয়।
দেৱতা বিষ্ণুক সদা কীৰ্ত্তন কৰয়।।২৯৫
ভূত প্ৰেত পিশাচ দানৱ নিশাচৰ।
বিনায়ক বেতাল কুষ্মাণ্ড নিৰন্তৰ।।
যক্ষ আদি কৰি আনো আছে যত যত।
কদাচিতো নতাকয় কীৰ্ত্তন থানত।।২৯৬
শুনিলা মহিমা ইটো হৰি কীৰ্ত্তনৰ।
কহো আৰে মাহাত্ম্য ঈশ্বৰ স্মৰণৰ।।
শ্ৰীৰাম চন্দ্ৰ মহেশ্বৰ ভগৱন্ত।
বশিষ্ঠ প্ৰমুক্ষ সৱে সভাত কহন্ত।।২৯৭
হুয়া একবাৰ যিটো আমাত প্ৰপন্ন।
ভৈলোহোঁ তোমাৰ বুলি প্ৰাৰ্থয় যিজন।।
শুনিয়ো স্বৰূপ বাণী সভাসদ যত।
আজন্ম প্ৰভৃতি মোৰ সংকল্প মনত।।২৯৮
সৰ্ব্বদা অভয় মঞিঁ দেঞোঁ সিজনক।
আছো আন ভয় তাৰ নাহিকে যমক।।
পাথৰৰ ৰেখা যেন বচন ৰামৰ।
এহিমানে সৰোদ্ধাৰ সমস্তে শাস্ত্ৰৰ।।২৯৯
আত অনন্তৰে আৰে শুনিয়ো সম্প্ৰতি।
প্ৰভাতে উঠিয়া যিটো নৰ মহামতি।।
মধুসুদনক মুখে কীৰ্ত্তন কৰয়।
এতেকে সমস্তে তাৰ পাপ নাশ হয়।। ৩০০
শুনিলা সম্প্ৰতি ইটো নাম মহিমাক।
নন্দি পুৰাণত যেন কহে শুনা তাক।।
সৰ্ব্বদায়ে যাৰা সৱে সমস্তে কালত।
কৰন্ত কেৱলে পাপ আছে যত যত।।৩০১
বিষ্ণুৰ কীৰ্ত্তন কৰি বিনাশি পাপক।
পাৱয় বিষ্ণুৰ গৌয়া পৰম পদক।।
বহ্নি পুৰাণতো নাম মহিমা কহয়।
মহামহা ব্যাধি যুক্ত হুয়া আতিশয়।।৩০২
ৰাজাৰ দণ্ডত পীড়া পাৱে আতিশয়।
আনো আনো দুঃখ নৰে যতেক পাৱয়।।
কৰিয়া কীৰ্ত্তন নৰে নাৰায়ণ বুলি।
নকৰে কাহাকো শঙ্কা মনত সমূলি।।৩০৩
ব্ৰাহ্মণৰ সৰ্ব্বস্বক যিজনে হৰয়।
হঠাতে ব্ৰাহ্মণে সুৰা পানক কৰয়।।
যিটো পাপী নৰ ব্ৰহ্ম বধ আছৰয়।
আত হন্তে যত মহাপাপ উপজয়।।৩০৪
বিষ্ণুনাম কীৰ্ত্তনক কৰন্তে নিশ্চয়।
সমস্তে পাপত সিটো মুকুত হোৱয়।।
শুনিয়োক পুনৰপি মহাজনচয়।
ইতিহাসোত্তমত কহিছে যেন নয়।।৩০৫
কীৰ্ত্তন কৰন্তে আতি বিষ্ণুৰ নামক।
যিটো পুৰুষৰ নুহি শৰীৰ পুলক।।
নাহিকে নেত্ৰত নিৰ নিমিলে হৰিষ।
পৰম কঠিন সিটো বজ্ৰৰ সদৃশ।।৩০৬
তহিতে বশিষ্ঠ শতদ্যুম্ন সম্বাদত।
শুনি শতদ্যুম্নে বশিষ্ঠৰ বাক্য যত।।
শতদ্যুম্নে বচন বোলন্ত বশিষ্ঠক।
শুনিয়ো বশিষ্ঠ তুমি মোৰ বচনক।।৩০৭
বিষ্ণু নাম উকুত কৰন্তে কোনো জন।
যি কালত তাক তুমি শুনা তপোধন।।

ইটো পাপ শৰীৰ এৰিয়া সিকালত।
দাৰুণ স্বভাৱ ইটো তেজিয়া সমস্ত।।৩০৮
সৰ্ব্বেশ্বৰ হৰিৰ নামৰ স্মৰণত।
লইবেক প্ৰক্ষিণ তযু পাপ আছে যত।।
পূৰ্ব্বৰ শৰীৰ তেৰে পাইবা মুনিবৰ।
নাহি পুণ্য হৰি নাম স্মৰণত পৰ।।৩০৯
শতদ্যুম্ন বশিষ্ঠ সংবাদ ইটো থএঁৱা।
শুনা তৈতে অপৰ সম্বাদ তাক কএঁৱা।।
ভৃগু মহা ঋষিয়ে কহন্ত শৌনকত।
শুনিয়ো শৌনক হৰি নামৰ মহত।।৩১০
পাপ কৰ্ম্মে নৰ সৱে পচে নৰকত।
তাৰাসৱো কৰি হৰি কীৰ্ত্তন মুখত।।
নাম কীৰ্ত্তনত হন্তে মিলে ভাগ্যোদয়।
পাপত নিস্তৰি সৱে মুকুতি পাৱয়।।৩১১
তহিতে অপৰ শুনিয়োক মহাজন।
নাৰকীক প্ৰতি যেন পুষ্কৰ বচন।।
শুনিয়ো নাৰকী সৱ বচন আমাৰ।
কহোঁ তোমাসাত সৰ্ব্ব শাস্ত্ৰ সাৰোদ্ধাৰ।।৩১২
পৰম দয়ালু দেৱ প্ৰভু নাৰায়ণ।
তান্ত পৰে কৃতজ্ঞ নাহিকে একো জন।।
তান নাম একবাৰ কীৰ্ত্তন কৰন্তে।
এতেকে মুকুতি তাঙ্ক দেন্ত ভগৱন্তে।।৩১৩
তাঙ্ক তোৰাসৱে নস্মৰিলা কিবা কাজে।
ভুঞ্জাহা নিকাৰ ঘোৰ নৰকৰ মাজে।।
এৱে কিবা কাৰ্য্য সাধে 'হা-হা' কাৰণত।
স্মৰা অহৰ্নিশে তোৰা বিষ্ণুক মনত।।৩১৪
নিশেযে দুষিত যত হৰিযে হৰন্ত।
স্মৰণতে নাৰকীকো কৃতাৰ্থ কৰন্ত।।
জগতৰ পতিৰ নিৰ্ম্মল যত নাম।
এহিতে কীৰ্ত্তন মঞিঁ কৰো অৱিশ্ৰাম।।৩১৫
নামৰ কীৰ্ত্তনে তোৰা সৱৰ নিশ্চয়।
সাধিবে কল্যাণ আত নাহিকে সংশয়।।
শৌনকক সম্বুধি কহন্ত ভৃগু ঋষি।
শুনিয়োক মহাঋষি পৰম হৰিষি।।৩১৬
নাৰকীক কৃপায়ে পুষ্কৰ মহাজন।
কৰিলা তহিতে হৰি নামৰ কীৰ্ত্তন।।
হৰিনাম কীৰ্ত্তন পৰম সুমঙ্গল।
শুনিলে উৎসুকে তাক নাৰকী সকল।।৩১৭
নৰক যাতনা দুঃখ এৰাই অদভুত।
নামৰ প্ৰসাদে ভৈল সমস্তে মুকুত।।
যেন মতে বিষ্ণুৰ নামৰ কীৰ্ত্তনত।
নাৰকীয়ো সদ্যে মুক্ত হুয়া নৰকত।।৩১৮
মুকুতি পদকো গৈয়া পাৱয় সাক্ষাত।
সেহিমতে কথা মঞিঁ কৰিলোঁ তোমাত।।
এতেকেসে হৰিনাম কীৰ্ত্তনত পৰ।
ইহলোকে ধৰ্ম্ম আৰ নাহি শ্ৰেষ্ঠতৰ।।৩১৯
কুকুৰকো খায় যিটো চাণ্ডাল অধম।
পাপমাত্ৰ আচৰে অনেক কৰি শ্ৰম।।
তথাপি ততেক পাপ কৰিতে নোৱাৰে।
বিষ্ণু নামে যত পাপ হৰিবাক পাৰে।।৩২০
অনাদি পুৰুষ বিষ্ণু তানে নামচয়।
সপোনতো যিটো নৰে স্মৰণ কৰয়।।
তথাপিতো তাহাৰ অক্ষয় পাপ যত।
ঈশ্বৰৰ নামে ক্ষয় কৰয় সমস্ত।।৩২১
হৰিনাম কীৰ্ত্তন কৰন্তে প্ৰত্যেক্ষত।
তাহাৰ পাপক নামে কৰিবেক হত।।
মনুষ্য লোকত ইটো কোন অদভুত।
নাৰকীকো যিটো নামে কৰয় মুকুত।।৩২২
পৰম আশ্চৰ্য্য কৰ্ম্মা হৰি মহেশ্বৰ।
তাহান নামক প্ৰসঙ্গত যিটো নৰ।।
শুনেবা যদিবা মুখে কীৰ্ত্তন কৰয়।
তথাপিতো তাৰ পাপ সমস্তে দহয়।।৩২৩
হেনয় হৰিৰ নাম যিটো মহাজন।
ভক্তিভাৱে কৰে নিতে শ্ৰৱণ কীৰ্ত্তন।।
দহিবেক তাৰ যত পাপ নিৰন্তৰ।
কোন অদভূত ইটো হৰিৰ নামৰ।।৩২৪
কহি ঐত ঈশ্বৰৰ নাম মহিমাক।
বায়ু পুৰাণত যেন মত শুনা তাক।।
ইটো জম্বুদ্বীপ গুণ বৰ্ণনা কৰন্তে।
নৰ্ম্মদা নদীৰ তীৰে প্ৰভু ভগৱন্তে।।৩২৫
বৈষ্ণৱ সৱক যেন বুলিলা বচন।
কহো তাক শুনিয়োক থিৰ কৰি মন।।

বৈষ্ণৱ সৱক সম্বোধিয়া নাৰায়ণ।
বোলন্ত শুনিয়ো সত্য আমাৰ বচন।।৩২৬
একবাৰ মাত্ৰ মোৰ নাম উচ্চৰয়।
এতেকতে পাৰে মোক জানিবা নিশ্চয়।।
বেদতো ৰহস্য ইটো কৃষ্ণৰ বচন।
জানি সৱে তেজি কৰা নামক কীৰ্ত্তন।।৩২৭
শ্ৰৱণ কীৰ্ত্তন নিতে কৰিবে নামক।
পাইবা অনায়াসে গৈয়া ঈশ্বৰ কৃষ্ণক।।
সমস্তে শাস্ত্ৰৰ তত্ত্ব সাৰ এহিমান।
দেখাইলোঁ ঈশ্বৰ বাক্যে প্ৰত্যেক্ষ প্ৰমাণ।।৩২৮
নামৰ মহিমা আৰু সভাসদ লোক।
লঘু ভাগৱতে যেন কহে শুনিয়োক।।
কৰে গৰু তিৰী বধ সুৱৰ্ণ হৰয়।
ব্ৰহ্ম বধ আদি পাপ সমস্তে কৰয়।।৩২৯
জানিবাহা গোৱিন্দৰ নাম কীৰ্ত্তনত।
শতধা স্বৰূপে পাপ সৱে হোৱে হত।।
ব্ৰহ্ম হত্যা আদি কৰি পাতক আচৰি।
হৰিনাম কীৰ্ত্তনে সৱাকো ক্ষয় কৰি।।৩৩০
মুকুতিকো পাৰে কৰি পুৰুষ উদ্ধাৰ।
নানান শাস্ত্ৰত দেখাইলোহো বাৰম্বাৰ।।
শুনিয়োক আৰে আৰু থিৰ কৰি মন।
ঈশ্বৰক দ্বেষ ভাৱ কৰে যিটোজন।।৩৩১
অহৰ্নিশি মাধৱক শত্ৰু বুদ্ধি কৰি।
তৰিল সংসাৰ তান নামক উচ্চাৰি।।
সাক্ষাতে প্ৰমাণ আৰু লৈয়োক সাম্প্ৰত।
শিশুপাল আদি শত্ৰু ৰাজাগণ যত।।৩৩২
মাধৱক শত্ৰু বুদ্ধি কৰি অৱিশ্ৰাম।
দ্বেষভাৱে মুখত নছাড়ে তান নাম।।
তথাপিতো কৰি ক্ষয়ি সমস্ত পাপক।
সংসাৰ নিস্তৰি সৱে গৈল বৈকুণ্ঠক।।৩৩৩
শত্ৰু ভাৱে পাইলে গতি ৰাজাগণ যত।
যাৰা সব পৰম উত্তম ভাগৱত।।
কৃষ্ণত ভকতি মাত্ৰ কৰন্ত সাক্ষাত।
তাৰা পাইবে গতি কোন সংশয় ইহাত।।৩৩৪
এতেকে শুনিয়ো তাক কহো স্বৰূপত।
কিবা কাৰ্য্য বেদাগম শাস্ত্ৰ বিস্তৰত।।
অনেক তীৰ্থক কিবা আছে প্ৰয়োজন।
আপোনাৰ মুকুতিক যদি আছে মন।।৩৩৫
গোৱিন্দ গোৱিন্দ মুখে কৰিয়ো কীৰ্ত্তন।
এহিমানে মাত্ৰ মহা মোক্ষৰ সাধন।।
পূৰ্ব্ব জনমৰ আছে পাপ যত যত।
যতেক পাতকচয় সিজয় সাম্প্ৰত।।৩৩৬
ভৱিষ্যত কালে যত পাপ হইবে জাত।
গোৱিন্দ কীৰ্ত্তন বহ্নি দহয় সাক্ষাত।।
যত পাপগণ সিজে অভক্ষ ভক্ষণে।
উপজয় যত পাপ অগম্য গমনে।।৩৩৭
ইসৱ প্ৰমুক্ষে যত পাপ নিৰন্তৰে।
গোৱিন্দ কীৰ্ত্তন বহ্নি সৱে ভস্ম কৰে।।
মনুষ্য লোকত সি সি মহাভাগ্যৱন্ত।
পৰম কৃতাৰ্থ সি সি মনুষ্য মহন্ত।।৩৩৮
কলিৰ যুগত যিটো হৰিৰ নামক।
আপুনিয়ো স্মৰে হৰি স্মৰাৱে আনক।।
ইটো পৃথিৱীত যিটোজন দুৰাশয়।
সজ্জন সৱৰ সদা দ্ৰোহ আচৰয়।।৩৩৯
সিয়ো হৰিনাম অনুদিন কীৰ্ত্তনত।
হোৱয় পৱিত্ৰ ধন্য জানা স্বৰূপত।।
গোৱিন্দ নামক ধন্য বুলি যিটোজন।
পৰম হৰিষে কৰে সদায়ে কীৰ্ত্তন।।৩৪০
নাহিকে পৱিত্ৰ ধন্য সিজনক সৰি।
সেহিসে আছয় ইটো পৃথিৱীক ধৰি।।
হেন জানি আছে যাৰ চেতন গাৱত।
কৰিয়োক মাত্ৰ ৰতি হৰি কীৰ্ত্তনত।।৩৪১
আন অনন্তৰ কৃষ্ণ নামৰ মহত।
শুনা যেন কহিছে প্ৰভাষ পুৰাণত।।
নিশেষ নিগমে ভৈল লতা অনুপাম।
তাৰ অৱিনাশী ফল জানা কৃষ্ণ নাম।।৩৪২
মধুৰতো মধুৰ ৰসতো সুনিৰ্ম্মল।
চৈতন্য স্বৰূপ মঙ্গলৰো সুমঙ্গল।।

* বুৰঞ্জী আৰু পুৰতত্ত্ব বিভাগত সংৰক্ষিত সাঁচিপতীয়া পুথিত পদ সংখ্যা ৩৪৫ৰ পৰা ৫০৩ লৈ পাঠ নাই। পুনৰ ৫০৪ সংখ্যক পদৰ পৰা সামান্য আমিলেৰে পাঠ আৰম্ভ হৈছে।

হেলায়ে বা যদি নুহি পৰম শ্ৰদ্ধায়ে।
ইটো কৃষ্ণ নামে একবাৰ মাত্ৰ গাৰে।।৩৪৩
এতেকতে কৃষ্ণ নামে তাৰয় তাহাক।
জানিবাহা ভৃগুৰৰ ইটো সত্য বাক।।
কহিলোঁ প্ৰভাৱ ইটো কৃষ্ণৰ নামৰ।
আনো ফলান্তৰ শুনিয়োক আতপৰ।।৩৪৪*
কুশধ্বজ নাৰদ সম্বাদ সময়ত।
কৰি আছে ভগৱন্তে আপুনি বেকত।।
নাৰদক সম্বুধি কহন্ত ভগৱন্ত।
জানা মুনিবৰ মোৰ নাম অপৰ্য্যন্ত।।৩৪৫
সমস্ততে কৰি কৃষ্ণ নাম শ্ৰেষ্ঠতৰ।
ইটো কৃষ্ণ নামক নাহিকে সমসৰ।।
শুনিয়ো মহিমা আৰ থিৰ কৰি চিত্ত।
সমস্ত পাপৰ ইসে মোক্ষ প্ৰায়শ্চিত্ত।।৩৪৬
হোৱে শুদ্ধ কৃষ্ণ নাম কীৰ্ত্তন কৰন্তে।
অনায়াসে পাৰে মোক্ষ সংসাৰত হন্তে।।
কৃষ্ণৰ নামৰ কহি ফল শ্ৰেষ্ঠতৰ।
কহো আৰে ফল যেন ৰুদ্ৰ কীৰ্ত্তনৰ।।৩৪৭
শুনা সাৱধানে চিত্তে সামাজিক যত।
হুয়া আছে বিদিত কালিকা পুৰাণত।।
শ্ৰীৰুদ্ৰদেৱ বুলি যিজন সুমৰে।
অগ্নিষ্টোম যজ্ঞ ফল পাৰে নিৰন্তৰে।।৩৪৮
হৰি হেন নাম ইটো যিজনে গাৱয়।
সিটো জনে জ্যোতিষ্টোম ফলক লভয়।।
ভয় হেন নাম যিটো কৰয় কীৰ্ত্তন।
অশ্বমেধ ফলক পাৱয় সিটো জন।।৩৪৯
সৰ্ব্ব যেন নাম কৰি মুখত উচ্চাৰে।
যিটোজনে কপৰ্দ্দিক কৰে নমস্কাৰ।।
সৰ্ব্বলোক নমস্কৃত হোৱে সিটো নৰে।
নিৰন্তৰে লোকত প্ৰকাশ আতি কৰে।।৩৫০
মুখত উচ্চাৰি যিটো নাম মহেশ্বৰ।
প্ৰত্যক্ষ বোধক লব্ধ হোৱে সিটো নৰ।।
পৰম পৱিত্ৰ চিত্ত হুয়া সিটো নৰে।
নমস্কাৰ শিৱক কৰিব নিৰন্তৰে।।৩৫১
সৌত্ৰামণি যজ্ঞফল যতেক আছয়।
তাৰ ফলভোগী সিটো হইবেক নিশ্চয়।
যিটো ভাগ্যৱন্ত নৰে কীৰ্ত্তন কৰয়।
বিভুৰ ঈশান ইটো নামক নিশ্চয়।।৩৫২
শত কীৰ্ত্তিমন্ত সিটো হুইবেক প্ৰত্যেক।
বাজপেয় যজ্ঞৰ ফলক লভিবেক।।
যিটো মহাজন নৰে মহেশ নামক।
উচ্চাৰিয়া কীৰ্ত্তন কৰয় শঙ্কৰক।।৩৫৩
ৰাজৰাজেশ্বৰ হুয়া ভুঞ্জিয়া ভোগক।
যাইবেক আনন্দে সিটো শিৱৰ লোকক।।
পুৰাণৰ শ্লোক চয় কৰি সম্বৰণ।
অনন্তৰে লিখিলন্ত স্মৃতিৰ বচন।।৩৫৪
প্ৰথমতে জামদগ্নি নামে সংহিতাত।
হৰিৰ নামৰ শুনা মহিমা সাক্ষাত।।
হৰি হেন নাম ইটো দুগুটি অক্ষৰ।
সম্যক কীৰ্ত্তন আক কৰে যিটো নৰ।।৩৫৫
জন্ম কোটি অনেকৰ কৰ্ম্ম কৰি ক্ষয়।
পৰম পদক লভে সিটো মহাশয়।।
ঈশ্বৰৰ হৰি নাম অক্ষৰ দুতয়।
যিটো মুনিগণে তাক কীৰ্ত্তন কৰয়।।৩৫৬
তেন্তেসে জানিল আত্ম প্ৰকাশ শাস্ত্ৰক।
ভৈলন্ত প্ৰাণত মহা অমৃত পদক।।
জাবাল বচন শুনা সেহি সংহিতাত।
হৰিৰ নামৰ শুনা মহিমা সাক্ষাত।।৩৫৭
পৰম জপনী ইটো হৰিৰেসে নাম।
আকেসে কৰিব মাত্ৰ ধ্যান অৱিশ্ৰাম।।
হৰিৰ নামক মাত্ৰ গাইব সৰ্ব্বক্ষণ।
বহুধা প্ৰকাৰে নাম কৰিব কীৰ্ত্তন।।৩৫৮
বহুধা আনন্দৰ ইচ্ছা কৰে যিটো নৰ।
তাহাৰ কৰ্ত্তব্য আন নাহি আতপৰ।।
বিশ্বামিত্ৰ সংহিতাত শুনা সাৰ পাছে।
যেন মত নামৰ প্ৰভাৱ কহি আছে।।৩৫৯
তীৰ্থ ফল কথন প্ৰস্তাৱে সুবিচিত্ৰ।
শিৱ নামে বৈশ্যত কহন্ত বিশ্বামিত্ৰ।।
প্ৰসিদ্ধ তীৰ্থৰ নানা ফল বহুতৰ।
কহিয়া আছন্ত যেন তীৰ্থ অনেকৰ।।৩৬০
কদাচিতো জানা হৰিনাম কীৰ্ত্তনৰ।
কোটি অংশোতীৰ্থ ফলে নুহি সমসৰ।।

গোৱিন্দ নামক যিটো নৰ বুদ্ধিমন্ত।
প্রতি দিনে দিনে সদা কীর্ত্তন কৰন্ত।।৩৬১
শুনা যত যত ফল পাৱে সিটোজনে।
দুষ্কৃত্য ৰাশিত মুক্ত হোৱে তাৰক্ষণে।।
আদিত্যৰ প্ৰভা তুল্য তাৰ যশ ৰাশি।
কৰন্ত প্রকাশ বুদ্ধ সকলে প্রকাশি।।৩৬২
তেজিয়া সংসাৰ খুদ্ৰ দুঃখ নিৰন্তৰ।
হোৱন্ত পৰম আতি শুদ্ধ সিটো নৰ।।
বিষ্ণুৰ কীৰ্ত্তন মহাধৰ্ম্ম আচৰন্তে।
পাৱন্ত মুকুতি পদ সংসাৰত হন্তে।।৩৬৩
পৰম নিৰ্ম্মল তাৰ মহন্ত কীৰ্ত্তিক।
কৰন্ত দেৱতাগণে প্রশংসা অধিক।।
গৌৰ সংহিতাত কহি মহিমা নামৰ।
শত তম সহিংতাত শুনা আত পৰ।।৩৬৪
নিৰন্তৰে তীৰ্থৰ কথন প্রস্তাৱত।
কন্ত ভগৱন্তে ভৃগু মুনিৰ আগত।।
সাগৰ সঙ্গম গঙ্গা তীৰ্থৰ জলত।
তিনি সাতবাৰ মজি পাৱে ফল যত।।৩৬৫
ৰাম নাম কীৰ্ত্তন কৰন্তে নিৰন্তৰে।
তাৰ আঠ গুণ ফল শীঘ্ৰে পাৱে নৰে।।
যেন যেন ফল পাৱে সাগৰ স্থানত।
পাৱে সুখে নৰে মোৰ নাম কীৰ্ত্তনত।।৩৬৬
যতেক তীৰ্থৰ ফল লভিয়া সমস্ত।
আমাতে সাযুজ্য গৈয়া হোৱয় পাচত।।
বৈশ্বানৰ সংহিতাত শুনা যেন নয়।
নামৰ মহিমা কৰ্ম্ম কথন সময়।।৩৬৭
পিস্পল ৰাজাত শুকশৰ্ম্মা নিগদতি।
হৰিৰ নামৰ শুনা মহিমা নৃপতি।।
নানা দেৱ পূজা কৰে কুশাদি নিৰ্ম্মাণ।
গঙ্গা আদি নানান তীৰ্থত কৰে স্নান।।৩৬৮
যাগ যোগ যজ্ঞ দান নানা তীৰ্থব্ৰত।
আচৰয় আনো কৰ্ম্ম ধৰ্ম্ম আছে যত।।
আত হন্তে যত পুণ্য পাৱয় প্ৰধান।
হৰি কীৰ্ত্তনক কেহোঁ নুহিকে সমান।।৩৬৯
সিসৰ যতেক পুণ্য বিনাশী সকল।
হৰিৰ কীৰ্ত্তনে দেই মহা মোক্ষফল।।
ব্ৰহ্মপ্ৰোক্ত সংহিতাত শুনিয়ো সমস্ত।
ভগৱন্ত ঈশ্বৰৰ নাম প্রস্তাৱত।।৩৭০
বৌধায়ন আগে কৃষ্ণ দেৱৰ বচন।
বোলন্ত শুনিয়ো তুমি থিৰ কৰি মন।।
নানাবিধ ফল মোৰ নাম কীৰ্ত্তনৰ।
শুনিয়ো ইহাত শ্ৰদ্ধা নকৰে যি নৰ।।৩৭১
আৰু অৰ্থবাদ মাত্ৰ কৰয় নামত।
তাত পৰে অধম নাহিকে জগতত।।
ইটো সংসাৰৰ ঘোৰ বন্ধ দুঃখচয়।
তাহাতে ক্ষেপন তাক কৰোহোঁ নিশ্চয়।।৩৭২
শৰীৰক পীড়য় বিৱিধ দুঃখগণে।
ভুঞ্জয় নিকাৰ মাত্ৰ সিটো সৰ্ব্বক্ষণে।।
মনুষ্য শৰীৰ পায়া আমাক নভজে।
এহিমাত্ৰ দোষে ঘোৰ সংসাৰত মজে।।৩৭৩
শুনিলা সমাজে ইটো কৃষ্ণৰ বচন।
জানিয়া নেৰিবা হৰি নামৰ কীৰ্ত্তন।।
এহিমানে থৈলোঁ কৃষ্ণ দেৱৰ বচন।
পৰাশৰ সংহিতাত শুনা কৰি মন।।৩৭৪
শাম্ব কৌঁৱৰক ব্যাস দেৱ নিগদতি।
শুনিয়োক শাম্বমোৰ বচন সম্প্ৰতি।।
ব্যাধি হন্তে যত ঘোৰ দুঃখ উপজয়।
জানা কদাচিতে ইটো তীৰ্থ নুগুচয়।।৩৭৫
নানাবিধ ঔষধো নপাৰে গুচাইবাক।
যেন মতে গুচে ব্যাধি শুনা আৱে তাক।।
যেৱে হৰিনাম মহা ঔষধ পিৱয়।
গুচয় সমস্তে ব্যাধি নাহিকে সংশয়।।৩৭৬
পৰম ঔষধ ৰাজা নাম মাধৱৰ।
তুমিয়ো কৰিয়ো তাক পান নিৰন্তৰ।।
তেৱেসে গুচিবে তযু ব্যাধি সমস্তয়।
তোমাৰ আগত মঞি কহিলো নিশ্চয়।।৩৭৭
কোটি জন্মাৰ্জ্জিত পাপ যতেক আছয়।
নকৰে ঔষধে শান্তি জানা মহাশয়।।
হৰিনাম কীৰ্ত্তনেসে ঔষধ প্ৰধান।
আছো আন কৰে ভৱ ব্যাধিকো নিৰ্জ্জান।।৩৭৮
নামৰ মহিমা ইটো কহিলোঁ সাক্ষাত।
আত পৰে শুনিয়োক সুশ্ৰুত সংহিতাত।।

দ্বাৰকাৰ পতি কৃষ্ণ দেৱ কৃপাময়।
কৃষ্ণনাম তাহান প্ৰধান অতিশয়।।৩৭৯
এতেকেসে কৃষ্ণ কৃষ্ণ বুলি শুদ্ধ মনে।
যাৰা সৱে শ্ৰদ্ধায় সুমৰে সৰ্ব্বক্ষণে।।
বালেক সকলো যদি কীৰ্ত্তন কৰয়।
জিনয় সংসাৰ ইটো জন্ম মৃত্যু ভয়।।৩৮০
কাত্যায়ন সংহিতাত শুনা কৰি মন।
হৰিনাম কীৰ্ত্তনৰ যিমত লক্ষণ।।
নাম কীৰ্ত্তনত যত পুণ্য উপজয়।
সংসাৰ তাৰক ইটো পৰম অক্ষয়।।৩৮১
সিটো মহাপুণ্যগণ যিটো নসঞ্চিল।
জানিবা নিশ্চয় তাক বিধিয়ে বঞ্চিল।।
নানা ব্যাধি যুক্ত হুয়া ঘোৰ সংসাৰত।
ফুৰিবেক তাৰা সৱে জন্ম শত শত।।৩৮২
হৰিৰ নামত অৰ্থবাদ অতিশয়।
যিটো নৰে ইহাক মনত সম্ভাষয়।।
মনুষ্যৰ মধ্যে সিটো পৰম পাপীষ্ঠ।
নৰকত সাক্ষাতে পৰিবে নিষ্ঠে নিষ্ঠ।।৩৮৩
জানি নামে অৰ্থপদ তেজি মহাজন।
নকৰি সংশয় নাম কৰিয়ো কীৰ্ত্তন।।
এতেক সংসাৰ তৰিসুখে পাইবা গতি।
বৈশ্বানৰ সংহিতাত শুনিয়ো সম্প্ৰতি।।৩৮৪
ভগৱন্ত নামত মহিমা আছে যত।
সিসৱ মহিমা কথনৰ প্ৰস্তাৱত।।
শ্ৰুতশৰ্ম্মা নৃপতিৰ আগে অতিশয়।
প্ৰবোধ বচন চন্দ্ৰ শৰ্ম্মায়ে বোলয়।।৩৮৫
শুনিয়ো নৃপতি মোৰ বচন সাক্ষাত।
হৰিৰ নামৰ কহো মহিমা তোমাত।।
হৰিনাম কীৰ্ত্তনেসে ধৰ্ম্ম সৰ্ব্বোত্তম।
নাহি কাল দেশ পাত্ৰ ইসৱ নিয়ম।।৩৮৬
নাহি নামে শৌচাশৌচ নিয়ম যতেক।
কেৱলে নামক মুখে উচ্চাৰি প্ৰত্যেক।।
ৰামৰাম বুলি কৰি সম্যকে কীৰ্ত্তন।
এতেকে মুকুত হোৱে যেই সেই জন।।৩৮৭
ভক্তিভৰে কৃষ্ণ কৃষ্ণ বুলি যিটোজন।
নিতে ৰাত্ৰি দিনে কৰে মুখত কীৰ্ত্তন।।
কোটি কোটি মহাপাতকত মুক্ত হয়।
পৰম পৱিত্ৰ হুয়া সংসাৰ তৰয়।।৩৮৮
অনন্ত নামক যিটো মুখে উচ্চাৰয়।
গোৱিন্দ নামক সদা কীৰ্ত্তন কৰয়।।
সমস্তে ৰোগত সিটো মুকুত হোৱয়।
দুৰ্ল্লভ মুকুতি পদ পাচত পাৱয়।।৩৮৯
নাম কীৰ্ত্তনৰ ফল কহিলোঁ সাক্ষাত।
শুনা অনন্তৰে বৈশম্পায়ন সংহিতাত।।
দিয়া অসংখ্যাত তুলা পুৰুষ দানক।
তাত হন্তে নৰে পাৱে যিমত ফলক।।৩৯০
হৰিনাম সংকীৰ্ত্তন কৰি মুখে নৰে।
সিটো ফল লভি মুক্ত হোৱে নিৰন্তৰে।।
গোবধ সুৰাপান পাপ অতিশয়।
যিটো পাপ নৰে কৰি থাকয় নিশ্চয়।।৩৯১
সিয়ো বাৰম্বাৰ হৰি নামক জপন্তে।
হোৱয় পৱিত্ৰ সিটো পাতকত হন্তে।।
নামৰ প্ৰসাদে হোৱে সাক্ষাতে মুকুত।
হৰিৰ সাযুজ্য পদ পাৱে অদভুত।।৩৯২
পাতঞ্জল সংহিতাত শুনা আত পাচে।
ঈশ্বৰ নামৰ যেন ফল কহি আছে।।
শস্যে সমে সম্পূৰ্ণ পৃথিৱীৰ কৰি দান।
তাত হন্তে নৰে ফল পাৱে যতমান।।৩৯৩
সম্যকে কীৰ্ত্তন কৰি বাসুদেৱ নাম।
সদ্য সিটো ফল পাৱে পূৰে মনকাম।।
ইটো পৃথিৱীত যিটো নৰ বুদ্ধিমন্ত।
নৃহৰি নামক নিতে কীৰ্ত্তন কৰন্ত।।৩৯৪
এতেকতে সমস্তে পাপত মুক্ত হয়।
হৰিৰ সাযুজ্য পদ সাক্ষাতে পাৱয়।।
বৈশম্পায়ন সংহিতাত যেন হৰি নাম।
কীৰ্ত্তনৰ শুনা আৰু ফল অনুপাম।।৩৯৫
যিটোজন আতি সৰ্ব্ব ধৰ্ম্ম বহিৰ্ভূত।
হুয়া আছে আৰু সৰ্ব্ব পাতকে যুগুত।।
সিয়ো বিষ্ণু কীৰ্ত্তনক কৰন্তে সাক্ষাত।
হোৱয় মুকুত নাহি সংশয় ইহাত।।৩৯৬
হৰি কীৰ্ত্তনৰ আৰু মহিমা সাক্ষাত।
শুনিয়োক বৃহত বশিষ্ঠ সংহিতাত।।

ৰাজকুমাৰক বাক্য বোলন্ত বশিষ্ঠ।
বোলন্ত শুনিয়ো ৰাজপুত্র মহাশিষ্ট।।৩৯৭
সুৰ নামে অসুৰক মাৰি আছে হৰি।
এহি হেতু সুৰজিত নাম আছে ধৰি।।
তাহান নামক মুখে কীৰ্ত্তন কৰন্তে।
শুনিয়োক যেন ফল পাৱে তাক হন্তে।।৩৯৮
তেজিয়া সকৰ্ম্ম পাপ সমূহ নিশ্চয়।
আৰ মুক্ত হুয়া মহা সুকৃতি সঞ্চয়।।
হোৱয় পৱিত্র সিটো মনুষ্য মহন্ত।
নাহি তাত পৰে আৰ পৰম শ্ৰীমন্ত।।৩৯৯
পৰম পদকো গৈয়া পাৱয় পাচত।
সুৰজিত কীৰ্ত্তনৰ কহিলোঁ মহত।।
যিটোজনে কৰি জানা হৰিক আশ্রয়।
কৃষ্ণ কৃষ্ণ ৰাম বুলিক কীৰ্ত্তন কৰয়।।৪০০
অসংখ্যাত ৰাজসূয় যজ্ঞ ফল যত।
সমস্তকে পাৱে নৰে নাম কীৰ্ত্তনত।।
শ্ৰীৰাম চন্দ্ৰৰ গুণ নাম প্ৰতিনিতে।
ভক্তি ভাৱে কীৰ্ত্তন কৰয় একচিত্তে।।৪০১
তাহাৰ ফলক কিবা কহিবো অধিক।
পাৱে বচনৰ সিটো একান্ত শুদ্ধিক।।
আৰে লীলাৱতীত শুনিয়ো মহাজন।
কৰ্ম্মধ্বজক প্ৰতি খাণ্ডিত্য বচন।৪০২
কৃষ্ণ কৃষ্ণ কীৰ্ত্তন কৰন্তে আতিশয়।
কহোঁ তাত হন্তে যেন ফলক পাৱয়।।
পিতৃবধ মাতৃ বধ যদি কৰে নৰে।
মহাপাপ সুৰাপান গুৰু ভাৰ্য্যা হৰে।।৪০৩
ইসৱ পাপত মুক্ত হোৱয় সাক্ষাত।
নকৰিবা মনে কিছু সংশয় ইহাত।।
আছে যত কোটি কোটি পৰম দুষিত।
যিটো মনুষ্যত আসি হোৱে উপস্থিত।।৪০৪
ৰাম নাম কীৰ্ত্তন কৰিয়া মুখে নৰে।
অনায়াসে সমস্তে দুষিত দূৰ কৰে।
অনন্তৰে আৰু শুনিয়োক গালবিত।
নামৰ মহিমা যেন হুয়াছে বিদিত।।৪০৫
হুয়া থাকে যুক্ত যদি ক্লেশ নিৰন্তৰে।
সৰ্বৰোগ আদি যুক্ত হুয়া থাকে নৰে।।
সৰ্ব্ব পাপ যুক্তহুয়া থাকে যিটো জন।
ইসৰো কৰিয়া মুখে নামৰ কীৰ্ত্তন।।৪০৬
অনায়াসে সমস্তে দুঃখৰ এৰাই হাত।
পাৱে গৈয়া সনাতন ব্ৰহ্মক সাক্ষাত।।
অগস্তি সংহিতা নামে গ্ৰন্থত কৃষ্ণৰ।
নামৰ শুনিয়ো যেন ফল মনোহৰ।।৪০৭
ভক্তিভাৱে শ্ৰীৰামচন্দ্ৰৰ নাম গুণ।
কৰয় কীৰ্ত্তন যিটো পুৰুষ নিপুণ।।
আছোক তাহাৰ যত আন ফলান্তৰ।
পৰম মুক্তিক সিটো পাৱয় বাক্যৰ।।৪০৮
বিষ্ণু ধৰ্ম্মোত্তৰ শাস্ত্ৰে প্ৰথম কাণ্ডত।
হৰি কীৰ্ত্তনৰ ফল কহে যত যত।।
তাক থিৰ মনে শুনা সভাসদ লোক।
যাৰ যেন যত ইচ্ছা ফল সিদ্ধি হৌক।।৪০৯
পৰ্শুৰামে প্ৰশ্ন কৰিলন্ত মহেশত।
শুনিয়া মহেশ কন্ত তাহান আগত।।
শুনিয়ো পৰশুৰাম থিৰ কৰি মন।
ভক্তি ভাৱে ঈশ্বৰক কৰন্তে কীৰ্ত্তন।।৪১০
সুখে গৈয়া বিদ্যাধৰ পদক পাৱয়।
অপেশ্বৰাগণে সমে আনন্দে ৰময়।।
বাসুদেৱ নামৰ কীৰ্ত্তন মনোৰম।
পৰম মাঙ্গল্য ইসে পুণ্য সৰ্ব্বোত্তম।।৪১১
ইহে বিনাশয় আতি সমস্তে পাপৰ।
মনুষ্যৰ আয়ুবৃদ্ধি কৰে নিৰন্তৰ।।
যত ৰোগ দুঃখ শোক ইসে কৰে হত।
জানি নাম কীৰ্ত্তনক কৰিয়ো সতত।।৪১২
সংসাৰৰ তিনি তাপে আৰ্ত্ত বিপৰীত।
নানা বিধ বিষাদে বিষন্ন অতি চিত্ত।।
বিষয়ৰ পৰাভৱ সদা নুগুচয়।
পৰম দুৰ্ঘোৰ ব্যাধি দুঃখ তাপ চয়।।৪১৩
নাৰায়ণ শব্দ মাত্ৰ কীৰ্ত্তন কৰিয়া।
হোৱে সুখী নিৰন্তৰে দুঃখত তৰিয়া।।
জগতৰে ধাতা বাসুদেৱৰ কীৰ্ত্তন।
কৰে যিটো মহাজন সৰে সৰ্ব্বক্ষণ।।৪১৪
শুনিয়োক নৰোত্তম থিৰ কৰি চিত্ত।
তাহাৰাসৰতক ব্যাধি নপাৰে বাধিত।।

যেনমতে জলে কৰে বহ্নি সংহৰণ।
আদিত্যে কৰয় যেন অন্ধকাৰ ছন্ন।।৪১৫
সেহিমতে হৰি নাম কীৰ্ত্তনে নিশ্চয়।
কলি পাপ সমূহৰ শান্তিক কৰয়।।
ক্ষুধায়ে তৃষ্ণায়ে পীড়া কৰে অতিশয়।
ভ্রমন্তে পথত ভৰি পিছলি পৰয়।।৪১৬
ইসৱ প্রমুখ্যে আনো দুঃখ সময়ত।
যিটো কৰে নামক কীৰ্ত্তন নিত্যাগত।।
তাহাৰ সম্বন্ধে হোন্ত কেশৱ প্রসন্ন।
জানা মহাভাগ কৈলোঁ স্বৰূপ বচন।।৪১৭
ক্ষুধায়ে পিয়াহে বাধে পিছলে পথত।
ইসৱ সময়ে কৰি কীৰ্ত্তন মুখত।।
সমস্ত অনৰ্থে শীঘ্রে বিয়োগ হোৱয়।
নকৰিবা আত কিছু মনত সংশয়।।৪১৮
এহিমানে থৈলোঁ ইটো প্রসঙ্গ সংহৰি।
পুনৰপি শুনা চিত্ত সাৱধান কৰি।।
নাৰদক ভগৱন্তে বুলিল বচন।
শাস্ত্র তাৎপৰ্য্য শুনিয়োক তপোধন।।৪১৯
দুৰ্গম পথত মহা দুৰ্ঘোৰ বনত।
নানা ক্লেশ আপদত সম্ভ্রম কালত।।
শত্রুৱে নিৰোধি কৰে নিগ্রহ অনেক।
ইসৱ প্রমুখ্যে আনো আচয় যতেক।।৪২০
ইসৱ দুঃখিত চিত্ত আনত নিদিব।
মোৰ নামে মোক মাত্র কীৰ্ত্তন কৰিব।।
তুমিও ইহাকে জানি মাধৱৰ নাম।
ৰাত্রি দিনে কীৰ্ত্তন কৰিয়ো অৱিশ্রাম।।৪২১
এহিমানে তোমাৰো কৰ্ত্তব্যে তপোধন।
অনায়াসে হুইবা সৰ্ব্ব পাপো বিমোক্ষণ।।
নপাইবে তোমাক সংসাৰৰ একো দুঃখে।
পৰম মুকুতি পদ লভিবাহা সুখে।।৪২২
তাত অনন্তৰে শুনা সামাজিক জন।
মহেশক প্রতি ভগৱন্তৰ বচন।।
শুনিয়োক শম্ভু তুমি হুয়া সাৱধান।
তোমাৰ আগত মঞিঁ কহোঁ বিদ্যমান।।৪২৩
পৰম গোপনী ইটো মোৰ কৃষ্ণ নাম।
ই সি মহামৃতু সঞ্জিৱনী অনুপাম।।
ধৰিয়ো চিত্তত তুমি বচন আমাৰ।
কহিলো তোমাত সত্যে বেদ তত্ত্ব সাৰ।।৪২৪
এহিমানে থৈলো ইটো কৃষ্ণ বাক্য চয়।
সৌৰ ধৰ্ম্মোত্তৰত শুনিয়ো যেন কয়।।
নাম তাৰ মণ্ডুক দানৱ একজন।
তাহাক সম্বোধি সূৰ্য্যে বোলন্ত বচন।।৪২৫
ভগৱন্ত ঈশ্বৰৰ নামক কচ্চিত।
নকৰিলি কীৰ্ত্তন আনন্দে দিয়া চিত্ত।।
সংসাৰ চক্রত সিটো হৰিৰ কীৰ্ত্তনে।
মৃত্যুৰ মুখৰ মুক্ত কৰয় তেখনে।।৪২৬
এহিমানে থৈলোহোঁ সূৰ্য্যৰ বাক্য যত।
শুনা যেন কহে আৰু ভৱিষ্যোত্তৰত।।
কায় বাক্যমনে অতি পুৰুষে যতেক।
অনেক দুষ্কৃত্য কৰ্ম্ম কৰিছে প্রত্যেক।।৪২৭
ৰাম ৰাম বুলি কৰি সম্যকে কীৰ্ত্তন।
সিটো পাতকত সদ্যে হোৱয় মোচন।।
কোটি অসংখ্যাত পাপ আছে পুৰুষত।
যদি অল্প হোৱে পাপ যদিবা বৃহত।।৪২৮
হৰিনাম কীৰ্ত্তনত সিটো পাপচয়।
পুনৰপি আৰ পুৰুষত নবাধয়।।
জানি হৰি নামত কৰিয়ো মাত্র ৰতি।
বিষ্ণু ৰহস্যত আৰে শুনিয়ো সম্প্রতি।।৪২৯
নামৰ মহিমা ব্রহ্মা কন্ত নাৰদত।
মাস উপবাস বিধি কথা প্রসঙ্গত।।
বোলন্ত নাৰদ শুনা কৰিয়া উৎসুক।
শুদ্ধ চিত্তে যিটো জনে স্মৰয় বিষ্ণুক।।৪৩০
শৰীৰ তেজিয়া সিটো জন মহাশয়।
পাৱে গৈয়া সুখে হৰিলোক অনাময়।।
কহোঁ আৰু শুনিয়োক নামৰ মহত।
কৰে ধেনু দান কোটি সূৰ্য্য গ্রহণত।।৪৩১
কৰে কল্প বাস গঙ্গা প্রয়াগ জলত।
অযুতেক যজ্ঞ নৰে কৰে সুমহত।।
মেৰুৰ সমান কৰে সুৱৰ্ণক দান।
ইসৱত নৰে ফল পাৱে যত মান।।৪৩২
জানিবাহা নিশ্চয়ে গোৱিন্দ কীৰ্ত্তনৰ।
এক শত ভাগো সৰে নোহে সমসৰ।।

এক ক্ষণ মুহূৰ্ত্ত বা জানা যিটো নৰে।
বাসুদেৱ নাম যেৱে কীৰ্ত্তন নকৰে।।৪৩৩
আত পৰে মহা হানি নাহি পুৰুষৰ।
তাকেসে বুলিয় মহা ছিদ্ৰ নিৰন্তৰ।।
তাকেসে বুলিয় মোহ সেহিসে বিভ্ৰম।
পৰম আপদ আৰ নাহি আক সম।।৪৩৪
জানি বাসুদেৱ নাম কৰিয়ো কীৰ্ত্তন।
সিটো সৱে দোষ নিৰন্তৰে হৌক ছন্ন।।
এহিমানে মাত্ৰ জানিবাহা মহা জ্ঞান।
আকেসে বুলিয় মহা তপস্যা প্ৰধান।।৪৩৫
এহিসে পৰম তত্ত্ব জানিবা নিশ্চয়।
বাসুদেৱ বুলি যিটো কীৰ্ত্তন কৰয়।।
সত্যযুগে ভক্তিভাৱে বৰিষ শতেক।
হৰিক অৰ্চ্চিয়া ফল পাৱয় যতেক।।৪৩৬
কলিযুগে জানিবা গোৱিন্দ কীৰ্ত্তনত।
পৰিপূৰ্ণে সিটো ফল পাৱয় সমস্ত।।
যদি হোৱে নৰ মহা আনন্দিত চিত্ত।
অতিশয় দুঃখে আৰ্ত্ত হোৱে বিপৰীত।।৪৩৭
যদি হোৱে ক্ৰোধী নুহি হোৱে শান্তমন।
যেই সেই প্ৰকাৰ সময়ে সিটো জন।।
হৰিক কীৰ্ত্তন মাত্ৰ কৰে ভক্তি ভাৱে।
অনায়াসে সিটো নৰে বিষ্ণুপুৰ পাৱে।।৪৩৮
নাৰদত কহি ব্ৰহ্ম ইসৰ বচন।
জিহ্বাক সম্বোধি পাচে কৰন্ত প্ৰাৰ্থন।।
হে জিহ্বা তঞিঞ ৰস সাৰক জানস।
তোৰ প্ৰিয় সদায় মধুৰ মহাৰস।।৪৩৯
পৰম অমৃত আতি নাৰায়ণ নাম।
কৰিয়োক জিহ্বা তাক পান অৱিশ্ৰাম।।
হে জিহ্বা আমাত নিস্নেহ ভৈলি কিক।
কেনে তঞিঁ সৰ্ব্বদায় নভাষা হৰিক।।৪৪০
শুনিয়ো কল্যাণী হৰি হৰি বোল নিৰন্তৰে।
হৰিসি পৰম নৌকা সংসাৰ সাগৰে।।
দুষ্ট চিত্ত জানো যদি হৰি সুমৰয়।
তাহাৰো সমস্ত পাপ তেখনে হৰয়।।৪৪১
আনিচ্ছাতো চুইলে যেন দহয় অগনি।
সেহিমতে হৰি নাম ধৰ্ম্ম শিৰোমণি।।
সমস্তে পাপকো হৰে পূৰে মনস্কাম।
জানি নিৰন্তৰে নৰে বোলা ৰাম ৰাম।।৪৪২

## দুলড়ি

হৰি কীৰ্ত্তনৰ ফল মনোহৰ
শুনিলাহা নিৰন্তৰ।
শুনিয়ো সাম্প্ৰত শিৱ ৰহস্যত
মহিমা শিৱ নামৰ।।
শিৱ হেন ইটো দুগুটি অক্ষৰ
নাম মহা মনোনীত।
কোনোবা প্ৰমাদে যি সৱ মনুষ্যে
নুচ্চাৰিলে কদাচিত।।৪৪৩
তাসম্বাৰ পৰে মহা ভাগ্যহীন
নাহিকে ইটো লোকত।
পৰম দুঃখিত হুয়া প্ৰতিনিত
কৰয় শোক পাচত।।
শিৱ হেন নাম শব্দে অনুপম
আছয় হুয়া প্ৰখ্যাত।।
বশৱৰ্ত্তী মহা বচন সকল
মুখতে আছে সাক্ষাত।।৪৪৪
তথাপিতো শিৱ বুলিয়া মনুষ্যে
নুচ্চাৰয় অনুক্ষণ।
ঘোৰ নৰকত পৰিয়া পছয়
দেখিয়োক মহাজন।।
যি সৱ মনুষ্যে মহেশ্বৰ নাম
কপটে নিতে স্মৰয়।
তথাপিতো তনু তেজিয়া পাৱয়
শিৱ লোক অনাময়।।৪৪৫
সত্য যুগে ধ্যান ত্ৰেতা যুগে যজ্ঞ
দ্বাপৰে পূজা কৰয়।
পাৱে যেন ফল কলিত শিৱৰ
কীৰ্ত্তনে তাক পাৱয়।।
শিৱৰ নামৰ মহিমা কহিয়া
সম্বৰিল এহিমানে।

ব্ৰহ্ম ৰহস্যত কহে যেন মত
শুনা তাক বিদ্যমানে।।৪৪৬
যুধিষ্ঠিৰ নাম দ্বিজ অনুপাম
তান আগে ভগৱন্ত।
আপোন নামৰ কীৰ্ত্তন মহিমা
কৰে বা যদি জপয়।
মহত পাপত উদ্ধাৰো তাহাক
নাহিকে আত সংশয়।।৪৪৭
কৃষ্ণৰ বচনে নামৰ মহিমা
কহি এহিমানে থএঁৱা।
তৈতে কৰ্ণধ্বজ ৰাজাৰ আগত
ব্ৰহ্মাৰ বচন কএঁৱা।।
শুনিয়ো নৃপতি তোমাত সম্প্ৰতি
কহোঁ সত্য স্বৰূপত।
মোৰ ইটো বাণী সত্য হেন জানি
নিশ্চয় কৰা মনত।।৪৪৮
হৰিৰ নামৰ সংকীৰ্ত্তন বিনে
জানা ইটো পৃথিৱীত।
সংসাৰ দুঃখত মোচন কৰন্তা
নাহি আন কদাচিত।।
ব্ৰহ্মাৰ বচন থৈয়া এহিমান
কহোঁ আৰু আতপৰ।
তৈতে সুশৰ্ম্মাৰ আগে নাৰদৰ
বাক্য যেন মনোহৰ।।৪৪৯
হেলায় যিজনে জগন্নাথ নাম
একবাৰ উচ্চাৰয়।
নাহিকে সংশয় ব্ৰহ্ম হত্যা আদি
পাপত মুকুত হয়।।
যতেক পৰম আচৰ আছয়
জানা ইটো পৃথীৱত।
সমস্তে বিহীন হুয়া তপ আদি
ক্লেশে হুয়া বিৱৰ্জ্জিত।।৪৫০
কেৱলে মুখত জগন্নাথ নাম
কৰয় মাত্ৰ কীৰ্ত্তন।

সংসাৰ দুঃখত বঞ্চি মহা সুখে
পাৱে ব্ৰহ্ম সনাতন।।
নাৰদ বচন থৈয়া এহিমান
কহয় বিষ্ণু ধৰ্ম্মত।
চক্ৰায়ুধ ভগ- ৱন্ত ঈশ্বৰৰ
নাম আছে যত যত।।৪৫১
সিসৰ নামক জানিবা কেৱলে
কীৰ্ত্তন কৰিব মাত্ৰ।
ঈশ্বৰৰ নাম কীৰ্ত্তনত একো
নাহি কাল দেশ পাত্ৰ।।
অশৌচাদি আনো একোৱে নিয়ম
নাহি হৰি কীৰ্ত্তনত।
যিহেতু নামেসে সৱাকো পৱিত্ৰ
কৰে জানা স্বৰূপত।৪৫২
জ্ঞানে বা অজ্ঞানে উত্তম শ্লোকৰ
কীৰ্ত্তন কৰে নামক।
পুৰুষৰ পাপ দহয় সমস্ত
অগনি যেন কাষ্ঠক।।
ক্ষত্ৰবন্ধু নাম আন এক জন
সমস্ত ধৰ্ম্ম বিহীন।
আপোনাক নষ্ট কৰিলেক পাপ
আচৰিয়া ৰাত্ৰি দিন।।৪৫৩
গোৱিন্দ নামক উচ্চাৰি কেৱলে
কৰিলে ক্ষয় পাপক।
পৰম নিৰ্ম্মল চিত্ত হুয়া পাচে
পাইলে গৈয়া গোৱিন্দক।।
হৰি কীৰ্ত্তনেসে মাত্ৰ সমস্তৰে
নীৰৱ শেষ সাধন।
যিহেতু ইহাক জানা প্ৰশ্ন কৰি
কৰিলো উপবৰ্ণন।।৪৫৪
কোন একজন উপজিয়া আছে
ভৰত বংশত হন্তে।
তাহাক সম্বোধি পৰম দয়াৰে
কহয় কোনো মহন্তে।।

প্ৰসঙ্গ নজানি বুলিলোঁ বচন
নেদিবা দোষ আমাক।
ভাৰত বুলিয়া সম্বোধিয়া কথা
কহে যেন শুনা তাক।।৪৫৫
মহন্তে বোলন্ত শুনিয়ো ভাৰত
কহোঁ মঞিঁ স্বৰূপত।
সৰ্ব্বভাৱে তুমি ভৈলা ভয়াতুৰ
যিহেতু সৰে পাপত।।
সমস্তে আৰম্ভ তেজিয়া কেৱলে
হুয়ো নাৰায়ণ পৰ।
ইটো জগতত পৰম কুশল
নাহি আন আতপৰ।।৪৫৬
আত অনন্তৰে শুনিয়ো তহিত
যেন প্ৰহ্লাদৰ বাক।
পৰম ভকত প্ৰহ্লাদে কহন্ত
হৰিনাম মহিমাক।।
হৰি হেন ইটো দুগুটি অক্ষৰ
জিহ্বাত যাৰ থাকয়।
গঙ্গা গয়া কাশী পুষ্কৰ সেতুক
যাইবে তাৰ নলাগয়।।৪৫৭
অশ্বমেধ নৰ- মেধ আদি যজ্ঞে
সদক্ষিণে যজি নৰে।
পাৱে যেন ফল সমস্তে তাহাকে
সাধে হৰি দুঅক্ষৰে।।
বাৰানসী কুৰু- ক্ষেত্ৰ নিমিষিত
পুষ্কৰত পুণ্য যত।
পাৱে নিৰন্তৰে হৰি দু-অক্ষৰে
সাধয় তাক সমস্ত।।৪৫৮
ঋক যজু সাম অথৰ্ব্ব বেদক
পঢ়ি পাৱে যেন ফল।
হৰি হেন ইটো দুগুটি অক্ষৰে
মিলাৱে তাক সকল।।
সহস্ৰেক কোটি কৰিয়া গোদান
অযুত কন্যাৰ দানে।

পাৱে যেনফল হৰি দু-অক্ষৰ
সাধে তাক বিদ্যমানে।।৪৫৯
হৰি হেন ইটো দুগুটি অক্ষৰ
আক যিটো উচ্চাৰয়।
দুৰ্গম পথত প্ৰাণ প্ৰয়াণত
সম্বল ইসি অক্ষয়।।
জন্ম মৃত্যুভয় দুৰ্ঘোৰ সংসাৰ
মহাব্যাধি অতিশয়।
হৰি হেন ইটো দুগুটি অক্ষৰ
ঔষধ তাৰ নিশ্চয়।।৪৬০
শোক দুঃখ ক্লেশ আদি পুৰুষক
পীড়া কৰে বিদ্যমান।
দুটয় অক্ষৰ হৰি নামে মাত্ৰ
কৰে তাক পৰিত্ৰাণ।।
তাৰক দেৱতা হৰি দু-অক্ষৰ
নামক যিটো স্মৰয়।
অসাৰ সংসাৰ সাগৰত ইসে
অধিক ৰূপে তৰয়।।৪৬১
হৰি হেন ইটো দুগুটি অক্ষৰ
জিহ্বাত যাৰ থাকয়।
সমস্তকে জিনি পাৱে পৰম্পদ
হৰিক পাৱে নিশ্চয়।।
দুটয় অক্ষৰ হৰিৰ নামৰ
বলৰ নাহিকে সীমা।
সংসাৰ বিনাশে হৰিক প্ৰকাশে
হেনসে আৰ মহিমা।।৪৬২
জানি মহাজন হৰিৰ কীৰ্ত্তন
নেৰিবাহা কদাচিত।
আত পৰে আৰ নাহিম মহা ধৰ্ম্ম
দুৰ্ঘোৰ ইটো কলিত।।
চিত্ত বিত্ত মাত্ৰ সৱাকো মলিন
কৰিলেক পাপী কলি।
বিচাৰি দেখিয়ো সংসাৰ মধ্যত
আত পৰে নাহি বলি।।৪৬৩

কেৱলে হৰিৰ নাম কীৰ্ত্তনেসে
কলিৰ বল টুটাৱে।
পাপক সংহৰি সংসাৰ নিস্তৰি
দুৰ্ল্লভ মুকুতি পাৱে।।
ইটো পৰমাৰ্থ জানিয়া মুখত
নেৰিবা হৰিৰ নাম।
মুৰুখ মাধৱে বোলে নিৰন্তৰে
ডাকি বোলা ৰাম ৰাম।।৪৬৪

**পদ**

হৰিৰ নামৰ কোনে কৰিবেক সীমা।
শিৱধৰ্ম্মে শুনা ৰুদ্ৰ নামৰ মহিমা।।
ৰুদ্ৰ বুলি যাৰা সৱে কীৰ্ত্তন কৰয়।
জানিবা স্বৰূপে তাৰা মনুষ্য নোহয়।।৪৬৫
ৰুদ্ৰ লোক হন্তে সৱে আসিয়া আছয়।
তাৰা সৱে ৰুদ্ৰ আত নাহিকে সংশয়।।
দুগুটি অক্ষৰ ইটো শিৱ হেন নাম।
এহিসে পৰম মন্ত্ৰ আতি অনুপাম।।৪৬৬
বিস্তাৰতো বিস্তাৰ এহিসে আতিশয়।
তৈল বিন্দু পৰি যেন জলক ব্যাপয়।।
শিৱ দুই অক্ষৰ উচ্চাৰে এক বাৰ।
মুকুতিক যাইবে প্ৰতি ভৈল কাচপাৰ।।৪৬৭
নমস্কাৰ আদি যুক্ত হুয়া নিৰন্তৰ।
শিৱ হেন নাম ইটো দুগুটি অক্ষৰ।।
জিহ্বাৰ অগ্ৰত যাৰ প্ৰৱৰ্ত্তে কেৱল।
সিটো মনুষ্যৰ জানা জীৱন সম্ফল।।৪৬৮
দিনতে নিশাতে বা সন্ধ্যা সময়ত।
বিৰূপাক্ষ বুলি যাৰা সুমৰে সতত।।
নাহি মহা ভাগ্যৱন্ত তাসম্বাত পৰ।
জানা দ্বিজোত্তম তাৰা সৱ নৰেশ্বৰ।।৪৬৯
ৰুদ্ৰক কীৰ্ত্তন যাৰা সদায় কৰয়।
নুহি এক বাৰ মাত্ৰ যদি উচ্চাৰয়।।
শত জন্ম কৃত যত পাতক আছয়।
সমস্তে পাপত তাৰা মুকুত হোৱয়।।৪৭০
শিৱ নাম কীৰ্ত্তনৰ কহি মহিমাক।
বৈৰিঞ্চি সৰ্ব্বস্বে যেন কহে শুনা তাক।।
হৰিৰ নামৰ কীৰ্ত্তনত হন্তে নৰ।
সদ্যে মুক্ত হোৱে মহা পাপ সমূহৰ।।৪৭১
হৰি কীৰ্ত্তনত মহা ভাগ্য মিলে যাৰ।
দুৰ্ঘোৰ সংসাৰ সাগৰত পাৱে পাৰ।।
যত পাপ উপজয় কলিৰ দোষত।
কোন চিত্ৰ শীঘ্ৰে নামে কৰিবেক হত।।৪৭২
শিৱ সৰ্ব্বস্বত আৰু শুনিয়ো সকল।
ৰাম নাম কীৰ্ত্তনৰ কহে যেন ফল।।
কলিৰ দোষত পাপ যত উপজয়।
তাৱতেসে সিটো ইটো দেহত থাকয়।।৪৭৩
তাৱতেসে ভয় প্ৰৱৰ্ত্তয় পুৰুষত।
ৰামক কীৰ্ত্তন নৰে নকৰে যাৱত।।
জানি ৰাম নাম সৱে কৰিয়ো কীৰ্ত্তন।
কলি দোষ আদি দুঃখ সৱে হৌক ছন্ন।।৪৭৪
চ্যৱন শ্ৰুতিত পুনু শুনা এক মনে।
কহে যেন মত প্ৰায়শ্চিত্ত প্ৰকৰণে।।
এহিমানে শুনি শ্ৰুতি স্মৃতি প্ৰধানত।
ইটো ৰাম নামে মাত্ৰ স্মৰণি সতত।।৪৭৫
আত পৰে পুণ্য শ্ৰেষ্ঠ নাহি ত্ৰিভুৱনে।
জানি ৰাম নাম মাত্ৰ স্মৰা সৰ্ব্বক্ষণে।।
ৰাম নাম কীৰ্ত্তন কৰন্তে আতিশয়।
তাৰক ব্ৰহ্মক গৈয়া নিশ্চয়ে দেখয়।।৪৭৬
প্ৰায়শ্চিত্ত প্ৰকৰণে মাণ্ডব্য শ্ৰুতিত।
নামৰ মহিমা শুনিয়োক দিয়া চিত্ত।।
নামত সুশৰ্ম্মা এক ব্ৰাহ্মণ মহন্ত।
তাহান আগত ঋষি মাণ্ডব্যে কহন্ত।।৪৭৭
বোলন্ত শুনিয়ো মোৰ বচন সুশৰ্ম্মা।
দেখোঁ লেখা যত যত আছে মন্দকৰ্ম্মা।।
সুৰাপায়ী স্বৰ্ণহাৰী চোৰ ভগ্নব্ৰত।
অশুচি পাতকী ব্ৰাহ্মণক কৰে হত।।৪৭৮
স্বাধ্যায় বৰ্জিত পাপী লুব্ধক দুষ্কৃত।
অসতী বৃষলি পতি পঞ্চক দুৰ্নীত।।
খণ্ডিয়া তিনিৰো ভাত পাৱয় খাইবাক।
জানিবাহা কুণ্ডাশি পাতকী বুলি তাক।।৪৭৯

দ্বিজ হুয়া দধি দুগ্ধ ঘৃতক বিকয়।
সোম বিক্ৰয়ী পাপী তাহাক বোলয়।।
ই সৱ প্ৰমুখ্যে পাপী আছে যত যত।
পাৰয় মুকুতি বিষ্ণু নাম কীৰ্ত্তনত।।৪৮০
সি সৱ পাতক নহে ইটো পৃথিৱীত।
হৰি নামে নপাৰয় যাক সংহৰিত।।
হেনবা হুইবেক ইটো মনত সংশয়।
যেৰে হৰিনামে সৱ পাপ কৰে ক্ষয়।।৪৮১
তেৰে কেনে হৰি নাম নকৰি বিদিত।
ঋষিগণে বিহিলন্ত আন প্ৰায়শ্চিত্ত।।
শুনিয়ো সিদ্ধান্ত আৰু তেজিয়া সংশয়।
নিবিহিল হৰি নাম অতিৰেক ভয়।।৪৮২
মঙ্গলৰো সুমঙ্গল ইটো হৰি নাম।
কীৰ্ত্তনত সাধে ধৰ্ম্ম অৰ্থ মোক্ষ কাম।।
হেন হৰি নাম ইটো প্ৰায়শ্চিত্ত অৰ্থে।
কি কাৰণে তাক আমি বিহিবোহোঁ ব্যৰ্থে।।৪৮৩
কোন তুচ্ছ আতি ইটো পাপগণ যত।
নানা তীৰ্থ ব্ৰত দানে কৰে তাক হত।।
অল্প পাতকৰ অৰ্থে বহু প্ৰায়শ্চিত্ত।
বিহে যিতো হোৱে তাত দোষ বিপৰীত।।৪৮৪
যেহেন পোষণ সিংহ আছে গৃহস্থত।
প্ৰমত্ত হস্তীকো তত কালে কৰে হত।।
কুকুৰ শৃগাল মাত্ৰ লাগে খেদাইবাক।
কদাচিতো গৃহস্থে মেলিয়া নেদে তাক।।৪৮৫
সেহি মতে তুচ্ছ ইটো পাপ প্ৰায়শ্চিত্ত।
ধৰ্ম্ম সিংহ নাম নিবিহিলা কদাচিত।।
আৰু এক অতিপ্ৰায় শুনা কহো তাক।
জানে যেৰে নৰে হৰি নাম মহিমাক।।৪৮৬
তেৰে সৱে তেজি নাম কৰিয়া কীৰ্ত্তন।
অনায়াসে মুকুতি লভিব সৰ্ব্বজন।।
হৰি কীৰ্ত্তনৰ ইটো তেজ অদভূত।
ইহাৰ কীৰ্ত্তনে হুইবে জগতে মুকুত।।৪৮৭
সৰ্ব্বমুক্তি প্ৰসঙ্গক ভয়ে মুনিগণে।
নকহিলা হৰি নাম এহিসে কাৰণে।।
এহি অতিৰেক ভয় বুদ্ধগণ যত।
আন প্ৰায়শ্চিত্ত বিহিলন্ত তীৰ্থ ব্ৰত।।৪৮৮
ইসৱ প্ৰসঙ্গ থৈলো সংহৰি প্ৰত্যেক।
চতুৰ্ব্যূহচিন্তামণি নামে গ্ৰন্থ এক।।
তাত যেন কহি আছে শুনা কৰি মন।
ভগৱন্ত প্ৰতি ৰুদ্ৰ দেৱৰ বচন।।৪৮৯
বোলন্ত শুনিয়ো বিষ্ণু বচন আমাৰ।
যি হেতু কৰিলোঁ নাম কীৰ্ত্তন তোমাৰ।।
এহিসে কাৰণে ভৈলোঁ পৰম পৱিত্ৰ।
সৰ্ব্বজন পূজ্য মঞিঃ ভৈলোহোঁ বিচিত্ৰ।।৪৯০
তুমিসে হৰাহা সমস্তৰে পাপ চয়।
এহিসে কাৰণে হৰি তোমাক বোলয়।।
ৰুদ্ৰৰ বচনে ইটো কৰিলোঁ প্ৰচাৰ।
নামত বৈষ্ণৱ চিন্তামণি গ্ৰন্থ সাৰ।।৪৯১
শুনিয়োক তাত থিৰ মনে বুদ্ধ জন।
নাৰদক প্ৰতি যুধিষ্ঠিৰৰ বচন।।
বোলন্ত নাৰদ শুনা মোহোৰ বচন।
শুনি আছোঁ আমি নানা বিধ ধৰ্ম্মগণ।।৪৯২
নানান ধৰ্ম্মৰ নানা ফল অপৰ্য্যন্ত।
কোনে কহি তাক কৰিবাক পাৰে অন্ত।।
আৰে হৰি নামৰ কীৰ্ত্তন ফল যত।
শুনিবাক ইচ্ছা মাত্ৰ কৰোহোঁ মনত।।৪৯৩
হৰি নাম কীৰ্ত্তনৰ যেন মহা ফল।
কহিয়োক মুনি তাক আমাত সকল।
যুধিষ্ঠিৰ বচন শুনিয়ো মনোহৰ।
আতিশয় আনন্দ মিলিল নাৰদৰ।।৪৯৪
সহজে তাহান হৰি কীৰ্ত্তনৰ ভৰে।
মহাপ্ৰেম আনন্দ নুগুচে নিৰন্তৰে।।
সৰ্ব্ব অঙ্গ পুলকিত ৰোমাঞ্চ শৰীৰ।
হৰিষৰ বেগত চক্ষুৰ ঝুৰে নীৰ।।৪৯৫
মুখত নিতান্তে হৰি নাম নুগুচয়।
চিত্তত হৰিৰ ৰূপ সদা প্ৰকাশয়।।
হেন মহা আনন্দে নাৰদ মুনিবৰ।
দিলা পাচে শীঘ্ৰে যুধিষ্ঠিৰক উত্তৰ।।৪৯৬

বোলন্ত শুনিয়ো যুধিষ্ঠিৰ নৃপবৰ।
হৰি কীৰ্ত্তনৰ ফল শুনা মনোহৰ।।
জানিবা নিশ্চয় হৰি নাম কীৰ্ত্তনত।
নাহিকে নিয়ম কাল দেশ আদি যত।।৪৯৭
হৰি কীৰ্ত্তনক একো ছিদ্ৰ নপাৱয়।
নকৰিবা ৰাজা আত কিঞ্চিতো সংশয়।।
কামৰ নিয়ম যত আছয় স্নানত।
যজ্ঞত আছয় কাল নিয়ম সমস্ত।।৪৯৮
কালৰ নিয়ম মহা মন্ত্ৰৰ জাপ্যত।
নামত নিয়ম নাহি পৃথিৱী তলত।।
থিতাতে থাকন্তে নুহি পন্থত ভ্ৰমন্তে।
মন্ত্ৰক জপন্তে নুহি ভোজন কৰন্তে।।৪৯৯
জলক পিয়ন্তে নুহি বচন বোলন্তে।
আনো নানা বিধ নৰে কৰ্ম্ম আচৰন্তে।।
ইসব সময়ে কৃষ্ণ কীৰ্ত্তন কৰন্তে।
হোৱয় মুকুত পাপ কবচত হন্তে।।৫০০
সেহিসে কৰিলে স্নান সমস্তে তীৰ্থত।
সেহিসে দীক্ষিত ভৈল সমস্তে যজ্ঞত।।
সমস্তে দানৰ ফল পাইলে সি সি জন।
সদায় হৰিক যিটো কৰয় কীৰ্ত্তন।।৫০১
ইহাক জানিয়া যুধিষ্ঠিৰ নৃপবৰ।
সৱে পৰিহৰি কৰা কীৰ্ত্তন কৃষ্ণৰ।।
এহিমানে থৈলোঁ নাৰদৰ বাক্য যত।
শুনা আৰে উমা মহেশ্বৰ সংবাদত।।৫০২
পাৰ্ব্বতীক প্ৰতি শিৱ বোলন্ত বচন।
শুনিয়ো পাৰ্ব্বতী তুমি থিৰ কৰি মন।।
ৰামৰ নামৰ ইটো কীৰ্ত্তন নিশ্চয়।
নিৰন্তৰে সমস্তে পাপক নিবাৰয়।।৫০৩
সেহি মোক্ষ প্ৰায়শ্চিত্ত সমস্তে পাপৰ।
সমস্তে প্ৰাণীৰ মুক্তি দাতা শ্ৰেষ্ঠতৰ।।
জানিয়া পাৰ্ব্বতী তুমি ইটো ৰাম নাম।
নেৰিবাহা মুখত কীৰ্ত্তন অৱিশ্ৰাম।।৫০৪*

এহিমানে থৈলোঁ মহেশ্বৰ বাক্যচয়।
শুনিয়োক থিৰ চিত্তে অপাৰ নিৰ্ণয়।।
নামৰ মহিমা কহি শ্ৰুতি সংহিতাত।
আগম শাস্ত্ৰত আৰে শুনিয়ো সাক্ষাত।।৫০৫
প্ৰথমতে বৃহত গৌতমী আগমত।
কহিয়া আছন্ত হৰি নামৰ মহত।।
ইহলোকে কুষ্ঠ ৰোগী হোৱে যিটো নৰ।
শিশুবধ ব্ৰহ্মবধ পাপ গুৰুতৰ।।৫০৬
ইসৱ প্ৰমুখ্যে আনো যত পাপচয়।
একবাৰ মাত্ৰ হৰি নাম উচ্চাৰয়।।
শুনিয়োক পৰম আশ্চৰ্য্য আতিশয়।
এতেকতে তাৰ সৱে পাপ দূৰহয়।।৫০৭
আত পৰে শুনিয়োক বিষ্ণু যামলত।
কূৰ্ম্মধ্বজ ঈশ্বৰ সংবাদ প্ৰস্তাৱত।।
শ্ৰীৰুদ্ৰ দেৱক সম্বোধি ভগৱন্ত।
আপোন নামৰ মহা মহিমা কহন্ত।।৫০৮
মনুষ্য লোকত ইটো মোৰ নাম চয়।
পৰম শ্ৰদ্ধায়ে যিটো কীৰ্ত্তন কৰয়।।
সিজনৰ কোটি অসংখ্য অপৰাধচয়।
ক্ষেমোহোঁ নিশ্চয় আত নাহিকে সংশয়।।৫০৯
মোৰ জগন্নাথ নাম আতি মনোনীত।
যাৰাসৱে কীৰ্ত্তন কৰয় প্ৰতি নিত।।
তাসম্বাৰ অপৰাধ কোটি অসংখ্যাত।
কৰিবহোঁ ক্ষমা নাহি সংশয় ইহাত।।৫১০
ভগৱন্ত বচনক থৈলোঁ এহিমানে।
গৌতমী মন্ত্ৰত আবে শুনা একমনে।।
শিৱ নৃপতিৰ আগে নাৰদে কহন্ত।
বোলন্ত শুনিয়ো ৰাজা মহা ভাগ্যৱন্ত।।৫১১
সিমত পাতক নতু শুনিয়ো লোকত।
যাক হৰি নামে নুহি দহিবে শকত।।
যেন মহা অগনিক তৃণে নোজোৰয়।
হৰি নাম বহ্নিৰ মহিমা সেহি নয়।।৫১২

* আলোচ্য সাঁচিপতীয়া পুথিত পদ ৫০৪ৰ প্ৰথম চৰণ নাই। দ্বিতীয় চৰণৰ পৰা পাঠ আৰম্ভ। তৃতীয় চৰণৰ পাঠ ‘হৰিৰ নামৰ ইটো মহিমা বিস্তৰ।’ দ্ৰষ্টব্য- পৃঃ ৩০৬ পাদটীকা।

নাৰদ বচন কহি মহিমা নামৰ।
অশ্বলায়ন তন্ত্রে শুনিয়োক আত পৰ।।
বিষ্ণুৰ অনন্ত তেজ নাহি পৰিমাণ।
তাহান যতেক নাম আছে বিদ্যমান।।৫১৩
সৰ্ব্ব ধৰ্ম্ম বহিৰ্ভুত হুয়া আতিশয়।
সি সৱ নামক যাৰা কীৰ্ত্তন কৰয়।।
তাৰা সৱে পাৱে গৈয়া পৰম গতিক।
নামৰ মহিমা কিবা কহিবোঁ অধিক।।৫১৪
নাম কীৰ্ত্তনত পৰে ধৰ্ম্ম নাহি আন।
বৈৰিঞ্চি তন্ত্রত আৰে শুনা বিদ্যমান।।
ইন্দ্রদ্যুম্ন নৃপতিত ব্রহ্মায়ে কহন্ত।
বোলন্ত শুনিয়ো মহা নৃপতি মহন্ত।।৫১৫
সমস্তে তন্ত্রত আতি গুপ্ত নিৰন্তৰ।
হেন জগন্নাথক পূজিয়ো নৃপবৰ।।
গুহ্যতো পৰম গুহ্য জগন্নাথ নাম।
তাক মাত্র কীৰ্ত্তন কৰিয়ো অৱিশ্রাম।।৫১৬
তেজিয়া আলাস যিটো নৰ মহাজন।
জগন্নাথ নাম নিতে কৰয় কীৰ্ত্তন।।
সমস্তে পাপত মুক্ত হুয়া আতিশয়।
কৰ্ম্ম বন্ধ তেজি পৰম ব্রহ্মক পাৱয়।।৫১৭
এহিমানে সম্বৰিলোঁ ব্রহ্মাৰ বচন।
এৱে মেৰু তন্ত্রত শুনিয়ো মহাজন।।
ব্রহ্মাৰ নামক কথনৰ প্রস্তাৱত।
কহন্ত নাৰদে শুনা বৈষ্ণৱ সৱত।।৫১৮
আছয় যতেক নাম ঈশ্বৰ কৃষ্ণৰ।
জগন্নাথ নাম সমস্তৰে মুখ্যতৰ।।
শুনিয়ো বৈষ্ণৱ কহোঁ স্বৰূপত।
আত পৰে শ্রেষ্ঠ নাম নাহি ত্রৈলোক্যত।।৫১৯
নোপজে সিমত পুণ্য গঙ্গাৰ স্নানত।
নপাৱে সিমত বাৰাণসী গমনত।।
কৰি নৰে জগন্নাথ নাম কীৰ্ত্তনক।
পৰম আনন্দে পাৱে কৈৱল্য পদক।।৫২০
এহিমানে থৈলন্ত বচন নাৰদৰ।
শুনিয়ো মহন্ত সৱে আত অনন্তৰ।।

নাৰায়ণ তন্ত্রে প্রায়শ্চিত্ত পটলত।
তাক্ষয়ে কহন্ত কুমিলোমাৰ আগত।।৫২১
শুনিয়োক কুমিলোমা আমাৰ বচন।
মহাপাপ ব্রহ্মবধ কৰে যিটো জন।।
ব্রাহ্মণৰ সুৱৰ্ণক হৰিয়া থাকয়।
যিটো দ্বিজে সুৰাপান পাপ আছৰয়।।৫২২
ইয়ো সৱে নাৰায়ণ কৰিয়া কীৰ্ত্তন।
নাহিকে সংশয় মহা পাপত মোচন।।
শুনিয়োক কাশ্যপ পঞ্চৰাত্র আগমত।
কহে যেন ভগৱন্ত ভক্তি প্রস্তাৱত।।৫২৩
নাৰদক প্রতি কৃষ্ণ দেৱৰ বচন।
বোলন্ত শুনিয়ো মহা ঋষি তপোধন।।
মনুষ্য মধ্যত যাৰাসৱ সৰ্ব্বোত্তম।
মোৰ ৰাম নাম পদ অতি মনোৰম।।৫২৪
নিৰন্তৰে গ্রহণ কৰন্তে ভক্তি ভাৱে।
বুদ্ধিত সাক্ষাত তাৰা মোক লাগ পাৱে।।
মোক দেখি মহা হৰিষৰ নাহি পাৰ।
সৰ্ব্ব অঙ্গ পুলকিত হোৱে তাসম্বাৰ।।৫২৫
আমাত পৰম প্রেম মিলে অতিশয়।
নিৰ্ম্মল আনন্দ ক্ষুধা ৰসক পিৱয়।।
ভকতিৰ মোক্ষ ফল কৈলো মনোহৰ।
আৰু শুনা তাৰা যেন পাৱে ফলান্তৰ।।৫২৬
দুৰ্ঘোৰ সংসাৰ ইটো পৰম দুস্তৰ।
পুত্র ভাৰ্য্যা আদি সবে ক্ষণ নিৰন্তৰ।।
নানা বিধ তৃষ্ণা মহাজলে আছে ভৰি।
মোৰ ভক্ত সৱে ইটো সমুদ্র নিস্তৰি।।৫২৭
মোতে পুনু হোৱে তাৰা প্রৱেশ সাক্ষাত।
নাম কীৰ্ত্তনৰ ফল কহিলোঁ তোমাত।।
কৃষ্ণৰ বচনে কহি নামৰ মহত।
কহোঁ আৰু ৰাম ভৰতাদি সংবাদত।।৫২৮
ইটো পৃথিৱীত কত নাহি উপজয়।
উপজি উপজি কত নতুবা মৰয়।।
তাহাৰ মাজত যাৰা সৱ বুদ্ধিমন্ত।
হৰিৰ নামক মাত্র কীৰ্ত্তন কৰন্ত।।৫২৯

তাৰাসৰে মুক্ত হয় ইটো সংসাৰত।
নকৰিবা কিঞ্চিতেকো সংশয় মনত।।
বশিষ্ঠ তন্ত্রত শুনিয়োক আত পৰ।
কহে যেন ফল হৰি নাম কীৰ্ত্তনৰ।।৫৩০
যিটো জনে হৰি পূজা কৰে এক চিত্তে।
হৰি নাম কীৰ্ত্তন কৰয় প্ৰতি নিতে।।
সি সি কৰিলেক স্নান সমস্তে তীৰ্থত।
ভৈলেক দীক্ষিত সি সি সমস্তে যজ্ঞত।।৫৩১
শুনিয়োক আৰু যেন শুনা খণ্ডান্তৰে।
শ্ৰীনৰসিংহ বুলি বাৰেক উচ্চাৰে।।
জয় নৰসিংহ বুলি পুনুহো সুমৰে।
জয় জয় নৰসিংহ বোলে অনন্তৰে।।৫৩২
শ্ৰীনৰসিংহ জয় নৰসিংহ জপি।
জয় জয় নৰসিংহ বোলে পুনৰপি।।
এহি মতে নৰসিংহ নাম যিটো নৰে।
তিনি সাত বাৰ এক চিত্তে জাপ্য কৰে।।৫৩৩
শুনিয়ো ইহাৰ মহা ফল যেন মত।
শত সংখ্যা ব্ৰহ্মহত্যা পাপ কৰে হত।।
নাম মালিকাত বহির্ভুত শ্লোকচয়।
গোৱিন্দ নামৰ অপৰাধ নিৰ্ণয়।।৫৩৪
তাৰো পদ কৰো বাক্য পালি মহন্তৰ।
ইহাতে আমাক দোষ নেদিবা বিস্তৰ।।
পদ্ম পুৰাণৰ স্বৰ্গ খণ্ডত নিশ্চয়।
নামৰ মহিমা কহি আছে যেন নয়।।৫৩৫
আক এক চিত্তে আৰে শুনিয়ো সাম্প্ৰত।
পুচিলন্ত নাৰদে সনত কুমাৰত।।
নাৰদ বদতিশুনা মুনি সমস্তয়।
তোৰাসৰ গোৱিন্দৰ প্ৰিয় আতিশয়।।৫৩৬
ভগৱন্তে কহিছে অধৰ্ম্ম যত যত।
নিৰন্তৰে মনুষ্যৰ ধৰ্ম্ম কৰে হত।।
সিসৱ অধৰ্ম্ম কেন মতে নষ্ট হয়।
কহিয়োক তোৰাসৰে আমাত নিশ্চয়।।৫৩৭
সনত কুমাৰে শুনি দিলন্ত উত্তৰ।
শুনিয়ো নাৰদ তুমি প্ৰিয় গোৱিন্দৰ।।
গোৱিন্দৰ ধৰ্ম্ম তুমি জানাহা সাক্ষাত।
তথাপিতো প্ৰশ্ন তুমি কৰিলা আমাত।।৫৩৮
মিলোক মুকুতি বুলি সমস্তে লোকৰ।
কৰিবাহা প্ৰশ্ন সংসাৰতে শ্ৰেষ্ঠতৰ।।
গোৱিন্দৰ ধৰ্ম্ম সাৱধানে শুনিয়োক।
সমস্তে আচাৰ হীন ভৈল যিটো লোক।।৫৩৯
শঠ বুদ্ধি জগতকে বঞ্চে যিটো নৰে।
সংস্কাৰ হীন আতি ভৈল নিৰন্তৰে।।
সদায় নুগুচে আতি দম্ভ অহঙ্কাৰ।
সুৰাপায়ী পৈশুন্য পৰম দুৰাচাৰ।।৫৪০
নিষ্ঠুৰ বচন নুকগুচয় দিনে ৰাতি।
পৰম পাতকী আতি যত অন্ত্য জাতি।।
আনো যত পুত্ৰ দাৰা ধনত নিৰত।
সৱাতে অধম আনো আছে যত যত।।৫৪১
শ্ৰীগোৱিন্দ পদ পঙ্কজ দৃতয়।
তাত যদি শুদ্ধ ভাৱে শৰণ লৱয়।।
সমস্তে পাপত শুদ্ধ হোৱয় সাক্ষাত।
কহিলো নাৰদ ইটো স্বৰূপ তোমাত।।৫৪২
দেৱতো উত্তম হৰি কৰুণা সাগৰ।
যাত হন্তে মুকুত হোৱয় চৰাচৰ।।
যিটো পাপমতি নৰ অতি দুৰাশয়।
তাহান পৰম অপৰাধ আচৰয়।।৫৪৩
ভজিলে তাহাকো ৰক্ষা কৰা দেৱহৰি।
ইটো সত্য নাৰদ জানিবা নিষ্ঠ কৰি।।
সৰ্ব্ব অপৰাধ যদি কৰিয়া থাকয়।
সৱাকো এৰাইবে কৰি হৰিক আশ্ৰয়।।৫৪৪
পশুতো অধম পাপমতি যিটো নৰে।
হৰিৰো পৰম অপৰাধক আচৰে।।
সিয়ো যেৱে কৰে তান নামক আশ্ৰয়।
হৰিদ্ৰোহ পাতকত হন্তে নিস্তৰয়।।৫৪৫
সমস্তৰে পৰম সুহৃদ হৰি নাম।
সুমৰন্তে সাধে ধৰ্ম্ম অৰ্থ মোক্ষ কাম।।
তাৰো অপৰাধ কৰে যিটো মন্দমতি।
নিশ্চয়ে জানিবা সিটো যাইবে অধোগতি।।৫৪৬

পদ. ৫৫০ গ-ঘ আৰু ৫৫১ক সাঁচিপতীয়া পুথিত নাই

পুছিলন্ত শুনিয়া নাৰদ মহামতি।
শুনিয়ো মুনীন্দ্ৰ মোত কহিয়ো সম্প্ৰতি।।
সিটো কোন কোন আতি অপৰাধ চয়।
ভগৱন্ত নামৰ দ্ৰোহক আচৰয়।।৫৪৭
মনুষ্যৰ নিৰন্তৰে পুণ্য কৰে ছন্ন।
পুনৰপি কৰে আতি প্ৰাকৃত লক্ষণ।।
সনত কুমাৰে শুনি দিলন্ত উত্তৰ।
নাম অপৰাধ কহোঁ শুনা মুনিবৰ।।৫৪৮
মহন্তসৱক নিন্দা কৰে যিটো নৰ।
নামৰ পৰম অপৰাধ শ্ৰেষ্ঠতৰ।।
নামৰ প্ৰখ্যাত আতি হোৱে যাত হন্তে।
নামে কি সহিবে পাৰে তাহাক নিন্দন্তে।।৫৪৯
শিৱৰ বিষ্ণুৰ যত গুণ নাম চয়।
তাক ভেদ বুদ্ধি কৰে যিটো দুৰাশয়।।
জানিবা নামৰ ইটো অপৰাধ অতি।
আপোনাক আপুনি কৰিলে সিটো শাস্তি।।৫৫০
যিটো উপদেশ দাতা গুৰুক নিন্দয়।
জানা সিটো নাম অপৰাধ আতিশয়।।
বেদ শাস্ত্ৰ নিন্দা কৰে যিটো নৰাধম।
নাম অপৰাধী আৰ নাহি আক সম।।৫৫১
নসহয় গাৰে শুনি নামৰ মহত।
কৰে অৰ্থবাদ অতি হৰিৰ নামত।।
নামে কি এতেক কাৰ্য্য সাধিবাক পাৰে।
এহি বুলি নামক নসহে দুৰাচাৰে।।৫৫২
জানিবা নামৰো ইটো অপৰাধ আতি।
দূতে নিয়া নৰকত কৰিবেক শাস্তি।।
নামৰ বলত থাকি পাপ আচৰয়।
তাক যম নিয়মেয়ো শুদ্ধ নকৰয়।।৫৫৩
সিটো মহা অপৰাধ জানিবা নামৰ।
নৰক যাতনা ভুঞ্জিবেক নিৰন্তৰ।।
ধৰ্ম্মব্ৰত দান হোম আদি কৰি যত।
নানা বিধ শুভ ক্ৰিয়া আছয় লোকত।।৫৫৪
প্ৰমাদত নামে সমে কৰয় সমান।
নাম অপৰাধী সিটো জানিবা প্ৰধান।।
নপাতয় কাণ শ্ৰদ্ধা নাই লয় লেশ।
তাকো যিটো জনে দেই নাম উপদেশ।।৫৫৫
সিও নাম অপৰাধী জানিবা নিশ্চয়।
আপোনাৰ দোষে দুঃখ পাৱে দুৰাশয়।।
শুনিয়া নামৰ মহা মহিমা পৰম।
তথাপি নামত প্ৰীতি নকৰে অধম।।৫৫৬
নাম অপৰাধী ইটো পৰম দুৰ্ঘোৰ।
নৰক যাতনা ভুঞ্জি নপাইবেক ওৰ।।
নামৰ মহিমা শুনি কাণো নপাতয়।
আপোনাৰ মহত্ত আপুনি বখানয়।।৫৫৭
আমাত কৰিয়া ইসি ভক্ত অতিশয়।
এহি বুলি হৰি ভকতক বিকৰ্থয়।।
নাম অপৰাধী ইটো জানিবা প্ৰত্যেক।
নানান নিকাৰ দুঃখ ভুঞ্জয় অনেক।।৫৫৮
এহি দশ অপৰাধ হৰিৰ নামৰ।
নিশ্চয় কৰিয়া জানিবাহা মুনিবৰ।।
কৃপায়ে শঙ্কৰে আক কহিলা আমাত।
আনো মহা মুনি সৱ আছিল সাক্ষাত।।৫৫৯
হৰিৰ নামেসে মুনি জানিবা নিশ্চয়।
মনুষ্যৰ নিৰন্তৰে মোক্ষক সাধয়।।
হেনয় নামৰ অপৰাধ যত যত।
তেখনে বৰ্জিব আক শুনিল মাত্ৰত।।৫৬০
শুনি নাম অপৰাধ যিটো নবৰ্জ্জয়।
সংসাৰ দুঃখত খেদ পাইব অতিশয়।।
মাতৃক ক্ৰোধিয়া অন্ন নকৰি ভোজন।
ক্ষুদাৰ পীড়াত দুঃখ পাৱে শিশুগণ।।৫৬১
তুমিয়ো তেজিয়ো নাম অপৰাধগণ।
হৰিৰ নামত মাত্ৰ কৰিয়ো যতন।।
নামেসে পূৰিব তয়ু যত মনোনীত।
নপাইবা আনত হন্তে সুখ কদাচিত।।৫৬২
নাম অপৰাধ চয় শুনি নিৰন্তৰে।
পুনৰপি পুছিলা নাৰদ মুনিবৰে।।
কহিয়োক মুনি তুমি মোৰ বিদ্যমানে।
বিষয়ক মাত্ৰ যাৰা প্ৰিয় বুলি মানে।।৫৬৩

পা. পদ সং ৫৬৬ঘ। আৰু পদ. ৫৬৭ সাঁচিপতীয়া পুথিত নাই। পদ.৫৮১ক। পা. সি কি সংসাৰত আৰ মৰে উপজয়।

জ্ঞান বিৰকতি বিৰৰ্জ্জিত নিৰন্তৰ।
দেহ পুত্ৰ ভাৰ্য্যা ধন তাতে ততপৰ।।
ইটো মহা ঘোৰ নাম অপৰাধ চয়।
কিমতে তাৰাক পৰাভৱ নকৰয়।।৫৬৪
সনত কুমাৰে নাৰদৰ প্ৰশ্ন শুনি।
দিলন্ত সিদ্ধান্ত পাছে আঙ্ক মনে গুণি।।
শুনিয়ো নাৰদ তুমি পৰম মহন্ত।।
নাম অপৰাধীক হৰিয়ো নৰাখন্ত।।৫৬৫
হৰিৰো পৰম দ্ৰোহী যিসৱ নিষ্ফল।
তাসম্বাকো ৰাখে নামে দেখা কেন বল।।
হেনয় নামৰ অপৰাধী যিটো নৰ।
নামেসে কেৱলে ৰাখে জানা মুনিবৰ।।৫৬৬
নামত কেৱলে মাত্ৰ পশিয়া শৰণ।
নামকেসে কীৰ্ত্তন কৰিব সৰ্ব্বক্ষণ।।
অৱিশ্ৰান্তে হৰিৰ নামক সুমৰন্তে।
হৈবেক মুকুত নাম অপৰাধ হন্তে।।৫৬৭
শুনিয়ো নাৰদ ইটো স্বৰূপ বচন।
নাম অপৰাধ হীন ভৈল যিটো জন।।
বিস্তৰ লৈবেক নাম নলাগে তাহাৰ।
এক হৰি নামে কৰে সংসাৰ নিস্তাৰ।।৫৬৮
শুদ্ধাশুদ্ধ বৰ্ণ নাহি বিচাৰ নামত।
শুনে বা বোলে বা নাম স্মৰে বা মনত।
এতেকতে হৰি নাম  কৰাৰে মোচন।
ইটো সত্য নিশ্চয়ে জানিবা তপোধন।।৫৬৯
দেহ পুত্ৰ দাৰা ধন ইহাৰ নিমিত্তে।
নানা বিধ নিষেধ আচৰে প্ৰতি নিতে।।
তাৰা যদি সেহি নাম কীৰ্ত্তন কৰয়।
জানা তাসম্বাৰ শীঘ্ৰে ফল নধৰয়।।৫৭০
পৰম ৰহস্য ইটো নামৰ মহত।
শঙ্কৰত হন্তে মঞি শুনিলো পূৰ্ব্বত।।
সমস্তে অশুভ যত তাহাকো হৰয়।
নাম অপৰাধ ঘোৰ তাকো নিবাৰয়।।৫৭১
যিটো বিষ্ণু নাম অপৰাধী আতিশয়।
পাঠ মাত্ৰকতে তাসম্বাৰ মোক্ষ হয়।।

পৰম মহিমা শুনা বিষ্ণুৰ নামৰ।
যিটো জনে কীৰ্ত্তন কৰয় নিৰন্তৰ।।৫৭২
সিজনৰ সাত গোটা কাৰ্য্য সাধে আতি।
দেঞোঁ প্ৰতি প্ৰতি লেখা শুনা কাণ পাতি।।
প্ৰথমতে নিৰন্তৰে পাপক হৰয়।
ওপজাৱে সংসাৰৰ যত পুণ্য চয়।।৫৭৩
স্বৰ্গ আদি থান ভোগ আছয় যতেক।
তাত হন্তে বিৰকতি মিলাৱে প্ৰত্যেক।।
হৰিসে পৰম গুৰু ইটো জগতৰ।
তান শ্ৰীপদ যুগ মহা মনোহৰ।।৫৭৪
তাহাৰ পৰম প্ৰেম ভক্তি উপজাৱে।
বিষ্ণুৰ পৰম তত্ত্ব জ্ঞান সুখে পাৱে।।
সংসাৰ ভ্ৰান্তিৰ বীজ মায়াসে নিশ্চয়।
হৰিনাম বহ্নি তাক দগধ কৰয়।।৫৭৫
মহন্তৰ পুৰুষ পূৰ্ণানন্দ দেৱ হৰি।
তেন্তে এৰে পুৰুষক থৰে এক কৰি।।
তেৱেসে হৰিৰ নাম হোৱে উপশান্ত।
নামৰ মহিমা ইটো কহিলোঁ একান্ত।।৫৭৬
হেন জানি কৰা ৰতি নাম কীৰ্ত্তনত।
নাম অপৰাধ গ্ৰন্থ ভৈল সমাপত।।
ইটো শ্লোক চয় নাহি নাম মালিকাত।
তথাপি কৰিলো পদ নুদুষিবা আত।।৫৭৭
পদ কৰিবাক মোক বুলিলা মহন্তে।
আত যেন দোষ ক্ষমন্তোক ভগৱন্তে।।
যাৰা সৱে ইটো নাম মালিকা ৰচিল।
তাৰা সৱে যেন আৰ মহিমা কহিল।।৫৭৮
তাক থিৰ চিত্তে শুনা সভাসদ লোক।
কৃষ্ণ নাম মালিকা শুনিতে ৰতি হৌক।।
কৃষ্ণ আদি কৰি নাম কৰয় বিস্তাৰ।
হেন নাম মালিকা ৰচিল গ্ৰন্থসাৰ।।৫৭৯
আক যিটো জনে কণ্ঠ ভূষণ কৰয়।
সিজনৰ নাহি আৰ কদাচিতো ভয়।।
হৰি নাম মালিকা ৰচিল মহাজনে।
ইটো মালা যাৰ কণ্ঠে শোভে সৰ্ব্বক্ষণে।।৫৮০

সিটো সংসাৰত আৰ মৰি নুপজয়।
গুচয় সমস্ত ক্লেশ কৃতাৰ্থ হোৱয়।।
যেহেন বণিয়াগণে অনেক যতনে।
গঢ়য় বিচিত্ৰ মালা সুৱৰ্ণ ৰতনে।।৫৮১
সেহিমতে অনেক গ্ৰন্থক মহাজনে।
বিচাৰি আনিল সাৰ অনেক যতনে।।
গ্ৰন্থিলা নামৰ মালা অতি সুবিচিত্ৰ।
সমস্তৰে মোক্ষ দাতা পৰম পৱিত্ৰ।।৫৮২
ইটো নাম মালিকা পুস্তক মহাজনে।
সদা পাঠ বিচাৰ কৰিয়ো শুদ্ধ মনে।।
শ্ৰীমন্ত পুৰুষোত্তম দেৱ গজপতি।
পৰম মহন্ত আতিশয় শুদ্ধ মতি।।৫৮৩
তাহান সংগ্ৰহ ইটো আতি মনোমত।
হৰি নাম মালিকা সম্পূৰ্ণে সমাপত।।
ইহাত বিচাৰি যদি মোৰ দোষ।
কৃষ্ণ কথা শুনি হুইবা মনত সন্তোষ।।৫৮৪
যশুনা সভাসদ দুঃখ হৌক উপমশ।
পৰম হৰিষে ডাকি বোলা ৰাম ৰাম।।

**দুলড়ী**

জয় জয় লক্ষ্মী নাৰায়ণ মহা
নৃপতিৰ অগ্ৰগণি।
যাহাৰ নিৰ্ম্মল যশস্যা সকলে
ঢাকিল ইটো ধৰণী।।
বুদ্ধিত সুথিৰ নিৰ্ম্মল শৰীৰ
সাগৰ যেন গম্ভীৰ।
ধৰ্ম্মময় চিত্ত জগতে বিদিত
সমস্ত গুণ মন্দিৰ।।৫৮৫
জানি শাস্ত্ৰতত্ব ঈশ্বৰ কৃষ্ণত
যাহাৰ একান্ত মন।
কৈবো গুণকত যাহাৰ মুখত
নুগুচে হৰি কীৰ্ত্তন।।
যিটো দয়াময় উপ-ধৰ্ম্মচয়
কৰিয়া দূৰ সম্প্ৰতি।
দণ্ডি পাষণ্ডক সমস্তে লোকক
কৰান্ত হৰি ভকতি।।৫৮৬
যাৰ প্ৰসাদত ইটো লোক যত
ঈশ্বৰ কৃষ্ণৰ পাৰে।
কৰি এক মন কৃষ্ণৰ কীৰ্ত্তন
কৰয় শুদ্ধ স্বভাৱে।।
ৰাজনীতি ধৰ্ম্মে থাকিয়া সদায়
প্ৰজা কৰি প্ৰতিপাল।
কৃষ্ণৰ ভকতি প্ৰচাৰি সবংশে
জীৱন্তোক চিৰকাল।।৫৮৭
তানে মহা পাত্ৰ নামে বিৰুপাক্ষ
সমস্ত গুণ সাগৰ।
যাহাৰ সভাত নুগুচে সাক্ষাত
বিচাৰ শত শাস্ত্ৰৰ।।
অতি শুদ্ধ বুদ্ধ নাহি কাম ক্ৰোধ
পৰম নিৰ্ম্মল মতি।
বুদ্ধি শাস্ত্ৰ তত্ব ঈশ্বৰ কৃষ্ণত
কৰন্ত মাত্ৰ ভকতি।।৫৮৮
ধৰ্ম্ম অনুপাম মাধৱৰ নাম
জানিয়া আৰ মহত।
আপুনিও লন্ত আনকো লৱান্ত
হৰি নাম নিত্যাগত।।
কৰুণা সদন পাষণ্ড মৰ্দ্দন
নাহিকে যাৰ সমান।
যাহাৰ ভয়ত পাষণ্ড সমস্ত
কাম্পে তৰতৰিমান।।৫৮৯
যাৰ প্ৰসাদত কৃষ্ণত ভকতি
কৰে আনো যত লোক।
পাতক প্ৰমাদে হৰিৰ প্ৰসাদে
চিৰকাল জীৱন্তোক।।
সদয় হৃদয় তেন্তে মহাশয়
দিলা তাক অনুমতি।
সৰ্ব্ব শাস্ত্ৰ সাৰ নাম মালিকাৰ
পদ কৰিবাক প্ৰতি।।৫৯০
তান আজ্ঞা বাণী মনে অনুমানি
কৰিয়া গ্ৰন্থ বিচাৰ।
যেন লৈলে মনে পৰম যতনে
ৰচিলো আমি পয়াৰ।।

শুনা বুদ্ধ লোক ক্ষমিয়োক মোক
পদত দেখি দূষণ।
মহন্ত সৱৰ মহা মনোহৰ
ক্ষমাসে মাত্র ভূষণ।।৫৯১
মনুষ্য লোকত মোত পৰে মহা
মুৰ্খ নাহি আন জন।
নাহি একো গুণ নুহিকো নিপুণ
অতিশয় কুণ্ঠ মন।।
কৃষ্ণৰ প্রসাদে গুৰু সুপ্রসাদে
তথাপি ৰচিলো পদ।
আমাৰ দোষক ক্ষমি একমনে
শুনয়োক সভাসদ।।৫৯২
পদ ৰচনাত যি দোষ দেখাহা
তেজিয়া তাক সকল।
কুশলৰ অৰ্থে কৰিয়ো গ্রহণ
কৃষ্ণৰ নাম মঙ্গল।।
পৰম নিৰ্ম্মল যদি গঙ্গাজল
মৃতিকা পাত্রে থাকয়।
পাত্রৰ দোষত থাকি গঙ্গাজল
কমনে তেজি আছয়।।৫৯৩
মোৰ পদ ভৈল মৃতিকাৰ পাত্র
গঙ্গাজল হৰি নাম।
পাত্র দোষ তেজি শুনিয়ো উৎসুকে
যাৰ মুকুতিক কাম।।
গ্রন্থ বহিৰ্ভুত যিটো বড়া দেখা
নেদিবা দোষ ইহাত।
ব্যাসমহা কবি তেন্তো প্রসঙ্গত
ৰঞ্জনা দেন্ত কথাত।।৫৯৪
শ্লোকৰ অৰ্থত অন্তৰ দেখিয়া
নকৰিবা অসন্তোষ।
ভ্রান্তি আশকতি আশয় প্রমাদে
পুৰুষৰ চাৰি দোষ।।
ইসৱ দোষত থাকিয়া হঠাতে
আনত আন আশয়।

আৰু আমি মহা মূৰ্খ হেন জানি
ক্ষমিবাক যোগ্য হয়।।৫৯৫
হৰিৰ নামৰ উচ্চ নিচ নানা
শুনিলাহা ফল যত।
সকাম নিষ্কাম পাত্র অনুসাৰে
কহিলা ঋষি সমস্ত।
নিষ্কামী সৱৰ এক গোটাফল
কেৱলে হৰি কীৰ্ত্তন।
বুদ্ধি অনুসাৰে নানা বিধ কাম
কৰে নানা বিজ্ঞজন।।৫৯৬
সমস্তে পাপৰ প্রায়শ্চিত্ত হেতু
কতো লোৰে হৰিনাম।
কতো পুণ্য ফল প্রাপতিৰ হেতু
কৰে মুকুতিক কাম।।
এহি নানা বিধ পাত্রক দেখিয়া
শাস্ত্র কৰ্ত্তা নিৰন্তৰ।
অনেক প্রকাৰে কৰিলা নিবন্ধ
মহিমা হৰি নামৰ।।৫৯৭
নানা ফল শ্রুতি দেখায়ো লোকক
কৰাইলা শ্রদ্ধা নামত।
কামনাক সিদ্ধ কৰি মহা সুখে
মুকুতি পাইব পাচত।।
অন্যত্র প্রকাৰে যদি কাদিচত
কামনা সিদ্ধ কৰয়।
সংসাৰতে ভ্রমি মৰে কদাচিতো
তৰিবাক নপাৰয়।।৫৯৮
হেন জানি সভা- সদ নিৰন্তৰে
কৰিয়ো মতি নামত।
আত পৰে ধৰ্ম্ম নাই নাই নাই
দুৰ্ঘোৰ ইটো কলিত।।
যদি পাপী কলি সমস্তে ধৰ্ম্মক
কৰিলে দূৰ সম্প্রতি।
হৰি কীৰ্ত্তনৰ ওচৰে যাইবাক
নাহিকে তাৰ শকতি।।৫৯৯

এহি হেতু ইটো কলিত প্ৰধান
ভৈল মাধৱৰ নাম।
মহা পাপী অন্ত্য জাতিয়ো কীৰ্ত্তন
কৰি পাৰে মোক্ষ কাম।।
কলি দোষ আদি একোৰে বিঘিনি
নাহিকে হৰি নামত।
যতেক বিঘিনি আছে সংসাৰত
নামে কৰে সৰে হত।।৬০০
বিঘিনি বৰ্জ্জিত হৰিৰ নামত
লৈয়োক সৱে শৰণ।
অথিৰ জীৱন কাৰ কেতিক্ষণ
মিলয় আসি মৰণ।।
ভাৰত ভূমিত কলিৰ যুগত
দুৰ্ল্লভ মনুষ্য কায়া।
আক পায়া যিটো কীৰ্ত্তন নকৰে
তাক বিষ্ণু বঞ্চে মায়া।।৬০১
কৰি কৃতাঞ্জলি বোলোহোঁ মিনতি
শুনিয়োক সৰ্ব্বলোক।
হৰিৰ নামক কৰিয়ো কীৰ্ত্তন
জনম সাম্ফল হৌক।।
যতেক দেখাহা পুত্ৰ দাৰা ধন
বিজুলী যেন চঞ্চল।
এতিক্ষণে আছে এতিক্ষণে নাই
বিনাশীইটো সকল।।৬০২
ইহাৰ আগত নকৰিয়ো ব্যৰ্থ
দুৰ্ল্লভ মনুষ্য তনু।
কৌটি কৌটি কল্প মন্বন্তৰ আৰ
আক নপাইবা পুনু।।
হেন জানি আন আশা দূৰ কৰি
হৰিত লৈয়ো শৰণ।
সৰ্ব্ব শিৰোমণি হৰিৰ নামক
কৰিয়ো মাত্ৰ কীৰ্ত্তন।।৬০৩

নমো নমো কৃষ্ণ প্ৰভু কৃপাময়
দেৱৰো দেৱ প্ৰধান।
সৰ্ব্বভাৱে তযু পাৱে নমস্কাৰ
কৰো লক্ষকৌটি মান।
বুদ্ধিত থাকিয়া যেন অনুমতি
দিলা তুমি কৃপাময়।
সেহি অনুসাৰে তোমাৰ নামৰ
বিৰছিলো পদচয়।।৬০৪
নামক বৰ্ণনা কৰন্তে আমাৰ
পৰিল ছিদ্ৰ যতেক।
নিজ কৃপাগুণে সন্তোষে আপুনে
ক্ষমিয়ো তাক প্ৰত্যেক।।
আপুনি বুলিছা মোহোৰ নামক
যি জনে কীৰ্ত্তন কৰে।
তাহাৰ যতেক অপৰাধ সিটো
ক্ষমা কৰে নিৰন্তৰে।।৬০৫
তাকে জানি তযু নামক বৰ্ণনা
কৰিলো জানি নজানি।
ইহাত আমাৰ অপৰাধ ক্ষমা
কৰিয়োক চক্ৰপাণি।।
মোৰ দুৰাচাৰ ভকতো কৃতাৰ্থ
হোৱে বুলি আছা বাণী।
মঞিঁ মহা দুৰা- চাৰ তযু পাৱে
শৰণ পশিলো জানি।।৬০৬
আপোনাৰ নিজ বাণী সত্যকৰি
নবঞ্চিবা প্ৰভু মোক।
মোৰ আন কাম নাহি তযু পাৱে
নিৰ্ম্মল ৰতি মিলোক।।
যেন সৰ্ব্বক্ষণে আমাৰ বদনে
নছাড়ে তোমাৰ নাম।
এহি অনুগ্ৰহ কৰিয়োক মোক
ডাকি বোলা ৰাম ৰাম।।৬০৭

# নাম-মালিকা সমাপ্ত

Thanks

Uploaded by
The Literature Branch of
Srimanta Sankaradeva Sangha